www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

সভ্যতাৰ লক্ষ্য হ'ল ৰাজনীতিক অন্তঃসাৰ কৰি তোলা আৰু বিজ্ঞান কলাক জীৱনৰ অবিচ্ছেদ্য অংগ কৰি তোলা। -আৰ্থাৰ চিঙ্গেলা

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ২৫৩ | বৃহস্পতিবাৰ | ২৩ জুলাই, ২০২৬ চন | Volume/Year- I | Issue- 253 | Thursday | 23rd July, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8

## দুৰ্যোগত সহায়ৰ হাত আগবঢ়াবলৈ এক কোটি টকা লৈ উজনিলৈ বদৰুদ্দিন আজমল

**'বিপদত পৰা হিন্দু-মুছলমান নিৰ্বিশেষে সকলোলৈকে সহায় আগবঢ়াম'**



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২২ জুলাই ঃ** ৰাজ্যৰ বিশেষকৈ উজনি অসমতবানপানীয়ে সৃষ্টি কৰা ভয়াৱহ পৰিস্থিতিয়ে লাখ লাখ লোকক বিপদগ্ৰস্ত কৰিছে। এই আপাত ৬ পৃষ্ঠাত

## নীট পৰীক্ষা সম্পূৰ্ণৰূপে বাতিল কৰিব লাগে ঃ বিজয় থালাপতি

**ৰাহুল গান্ধীক আটক কৰাৰ ঘটনাক TVKৰ তীব্ৰ নিন্দা**

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা ২২ জুলাই ঃ** নীট (NEET) পৰীক্ষাক লৈ তামিলনাড়ুৰ মুখ্যমন্ত্ৰী বিজয় থালাপতিয়ে এক গুৰুত্বপূৰ্ণ মন্তব্য কৰি কেন্দ্ৰীয় চৰকাৰৰ আগত দাবী উত্থাপন কৰে যে এই পৰীক্ষা সম্পূৰ্ণৰূপে বাতিল কৰিব লাগে। তেওঁ কয় যে নীট প্ৰৱৰ্তন হোৱাৰ পিছত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মানসিক চাপ এতিয়া অসহ্যকৰ পৰ্যায়ত উপনীত ৬ পৃষ্ঠাত

**■ বানপীড়িত শিৱসাগৰত উপস্থিত ঃ কেন্দ্ৰৰ সহায় ল'বলৈ সাজু বুলি ঘোষণা ■**

# উজনিৰ বন্যাৰ্তৰ দুখ-দুৰ্দশাৰ বুজ মুখ্যমন্ত্ৰীৰ



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২২ জুলাই ঃ** ৰাজ্যৰ উজনি অসমত বানপানীয়ে সৃষ্টি কৰা ভয়াবহ পৰিস্থিতিৰ মাজত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বুধবাৰে শিৱসাগৰ জিলাত উপস্থিত হৈ বানপীড়িতসকলৰ সমস্যাৰ প্ৰত্যক্ষভাৱে বুজ লয়। দুপৰীয়াৰ ভাগত শিৱসাগৰৰ ৩৯৮ নং ফুকন নগৰ প্ৰাথমিক বিদ্যালয়ত স্থাপন কৰা অস্থায়ী আশ্ৰয় শিবিৰত উপস্থিত হৈ মুখ্যমন্ত্ৰীগৰাকীয়ে বানাক্ৰান্ত ৰাইজৰ সৈতে বাৰ্তালাপ কৰে আৰু তেওঁলোকৰ দুখ-কষ্টৰ কথা শুনে। শিবিৰত ৰাইজক সম্বোধন কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয়, "আমি আপোনালোকৰ লগত আছো। ৰাইজৰ বাবে যিখিনি কৰিবলগীয়া আছে আমি নিৰ্বিঘ্নে কৰি যাম। বানৰ কাৰণ যিয়েই নহওক, এনে পৰিস্থিতি কেতিয়াও কাম্য নাছিল। চৰাইদেউ, নাজিৰা আৰু শিৱসাগৰবাসীৰ দুখত মই সম্পূৰ্ণ সমভাগী। ইতিমধ্যে সকলোৰে সৈতে আলোচনা কৰিছো, আৰু যদি ক'ৰবাত কোনো খুঁত ৰৈ যায়, তাক সোনকালে সংশোধন কৰা হ'ব।" উদ্ধাৰ অভিযানৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে স্থানীয় বিধায়ক অখিল গগৈয়ে এছডিআৰএফ আৰু এনডিআৰএফ বাহিনীৰ প্ৰয়োজনীয়তা জনোৱাৰ পাছতে চৰকাৰে সেই ৬ পৃষ্ঠাত

## উন্নয়নমূলক প্ৰকল্পৰ বাবে ভূমি অধিগ্ৰহণ সহজীকৰণৰ লক্ষ্যত অসম বিধানসভাত নতুন সংশোধনী বিধেয়ক

**সামাজিক প্ৰভাৱ মূল্যায়ন আৰু কৃষিভূমি সুৰক্ষাৰ বিধানৰ পৰা ৰেহাই দিয়াৰ প্ৰস্তাৱ**



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২২ জুলাই ঃ** ৰাজ্যৰ গুৰুত্বপূৰ্ণ উন্নয়নমূলক প্ৰকল্পসমূহৰ বাবে ভূমি অধিগ্ৰহণ প্ৰক্ৰিয়া অধিক দ্ৰুত আৰু সহজ কৰাৰ উদ্দেশ্যে অসম চৰকাৰে বিধানসভাত 'ভূমি অধিগ্ৰহণ, পুনৰ সংস্থাপন আৰু পুনৰ্বাসনত ন্যায্য ক্ষতিপূৰণ আৰু স্বচ্ছতাৰ অধিকাৰ শ্চঅসম সংশোধনীগ্ন ৬ পৃষ্ঠাত

## দিল্লীৰ শিক্ষাৰ্থী প্ৰতিবাদত অসমৰ শিল্পীৰ উদ্বেগ

**শান্তিপূৰ্ণ প্ৰতিবাদকাৰীৰ ওপৰত লাঠিচালনা আৰু নিৰ্যাতনক লৈ অভিনেতা-কণ্ঠশিল্পীসকলৰ তীব্ৰ প্ৰতিক্ৰিয়া**

**নিউজ ডেস্ক, অসম বাৰ্তা, ২২ জুলাই ঃ** ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীৰ যন্তৰ-মন্তৰত শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবীত ক'কৰোচ্ছ জনতা পাৰ্টী আৰু হাজাৰ হাজাৰ শিক্ষাৰ্থীয়ে কৰি থকা প্ৰতিবাদে সাৰ্বভৌম চাঞ্চল্যৰ সৃষ্টি কৰিছে। এই প্ৰতিবাদত অসমৰ ৬ পৃষ্ঠাত

## শিৱসাগৰৰ বানপীড়িতলৈ কুৰিখন নৌকা প্ৰেৰণ মাজুলীৰ জিলা প্ৰশাসনৰ

**পানীত বন্দী হৈ পৰিছে হাজাৰোধিক লোক, য'তে-ত'তে উদ্ধাৰ হৈছে মৃতদেহ**



**অসম বাৰ্তা, উজনী মাজুলী, ২২ জুলাই ঃ** "বিপদৰ বন্ধুহে প্ৰকৃত বন্ধু।" - এই বাক্যশাৰী সঁচা প্ৰমাণিত কৰিছে মাজুলী জিলা প্ৰশাসনে। শিৱসাগৰৰ বানপীড়িত ৰাইজৰ সহায়ৰ বাবে আগবাঢ়ি আহিল মাজুলী জিলা প্ৰশাসন আৰু শালমৰাৰ নৌকা শিল্পীসকল। নৌকাশিল্পীসকলে বিক্ৰীৰ বাবে সাজু কৰি ৰখা কুৰি খনকৈ হাত নাও আজি স্ব-ইচ্ছাৰে মাজুলী জিলা প্ৰশাসনৰ সহযোগত শিৱসাগৰলৈ প্ৰেৰণ কৰিছে। প্ৰাকৃতিক দুৰ্যোগৰ এই কঠিন সময়ত পুনৰবাৰ প্ৰমাণ হ'ল- একতাই আমাৰ শক্তি, মানৱতাই আমাৰ ধৰ্মহু বানৰ তাণ্ডৱ ক্ৰমাৎ ভয়াৱহ ৰূপ ধাৰণ কৰা শিৱসাগৰৰ বানপীড়িত ৬ পৃষ্ঠাত

## ভোগদৈৰ মথাউৰিৰ ছিগা পাঁচটা অংশ এমাহৰ ভিতৰত নিৰ্মাণ হ'ব ঃ মুখ্যমন্ত্ৰী

**যোৰহাট পৰিদৰ্শন কৰি প্ৰতিশ্ৰুতি; নাগালেণ্ডৰ ডাৱৰ বিস্ফোৰণ প্ৰসংগতো দিশ-নিৰ্দেশ**



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২২ জুলাই ঃ** ভোগদৈ নদীৰ মথাউৰি ছিগা অংশসমূহৰ পৰিদৰ্শন শেষত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বুধবাৰে ঘোষণা কৰে যে ছিগা পাঁচটা অংশ এমাহৰ ভিতৰত সম্পূৰ্ণ নিৰ্মাণ কৰি উদ্ধাৰ কৰা হ'ব। যোৰহাটৰ পহুমৰা, এলেংমৰা গ্ৰেজিং, কাতিৰাম চুক, মজিয়াভেটি আৰু শলমৰাত ভোগদৈৰ বলীয়া বানে মথাউৰি ছিগি উত্তৰ-পশ্চিম যোৰহাটৰ শতাধিক গাঁও বানপানীৰ কবলত পেলাইছিল। মথাউৰি ছিগা অংশসমূহ পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰীয়ে কয়, "এমাহৰ ভিতৰত এই নিৰ্মাণ কাম সম্পূৰ্ণ কৰা হ'ব। পৰৱৰ্তী সময়ত মথাউৰিটোক অধিক শক্তিশালী কৰাৰ ব্যৱস্থা লোৱাৰ লগতে স্থানীয় ৰাইজৰ মতামত লৈ প্ৰয়োজনীয় উচ্ছেদ অভিযানো চলোৱা হ'ব।" ভোগদৈ ৬ পৃষ্ঠাত

## যোৱা দহ বছৰত ১৫২ বাৰ প্ৰশ্নকাকত ফাদিল শিক্ষা ব্যৱস্থা ধ্বংসৰ অভিযোগ ৰাহুল গান্ধীৰ

**কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগ দাবী ঃ ৭.৫ কোটি ছাত্ৰ-ছাত্ৰী আৰু পৰিয়াল প্ৰভাৱিতৰ দাবী**



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২২ জুলাই ঃ** কংগ্ৰেছ নেতা তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে বুধবাৰে কেন্দ্ৰীয় বিজেপি চৰকাৰক দেশৰ শিক্ষা ব্যৱস্থা সম্পূৰ্ণৰূপে ধ্বংস কৰাৰ অভিযোগ উত্থাপন কৰে। নতুন দিল্লীত অনুষ্ঠিত এক সংবাদমেলত ৰাহুলে কয় যে যোৱা দশকত মুঠ ৰপ্তচটা প্ৰশ্নকাকত ফাদিল (লীক) হোৱাৰ ঘটনা সংগঠিত হৈছে, কিন্তু এই ঘটনাবোৰত এজনো ব্যক্তি দোষী সাব্যস্ত হোৱা নাই। কংগ্ৰেছ নেতাগৰাকীয়ে কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক লক্ষ্য কৰি কয় যে তেওঁ আক্ষৰিক অৰ্থত ভাৰতৰ আটাইতকৈ ডাঙৰ সম্পত্তি — শিক্ষা ব্যৱস্থাটোক ধ্বংস কৰিছে। ৰাহুলে উল্লেখ কৰে যে প্ৰায় ১.৩২ কোটি টকা খৰচ কৰি পৰিয়ালসমূহে নিজৰ সন্তানক NEET পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে সাজু কৰে, যিটো ধনৰাশি কেন্দ্ৰীয় বাজেটত শিক্ষা বিভাগৰ ৬ পৃষ্ঠাত

## "ঘৰ মৰিয়নীত, বেচেৰাটো শিৱসাগৰলৈ আহি গোটেইখন ধ্বংস কৰিলে"

**বানাক্ৰান্তৰ মাজতে ধেমালিৰ সুৰেৰে মন্ত্ৰী সুশান্ত বৰগোহাঁই আৰু বিধায়ক অখিল গগৈৰ মুখামুখি**



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২২ জুলাই ঃ** উজনি অসমৰ বান পৰিস্থিতিৰ প্ৰত্যক্ষভাৱে বুজ ল'বলৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বুধবাৰে শিৱসাগৰ জিলাত উপস্থিত হৈ পৰিদৰ্শন সম্পন্ন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে শিৱসাগৰৰ পৰা বিদায় লোৱাৰ কিছু সময় পাছতে মন্ত্ৰী সুশান্ত বৰগোহাঁই আৰু স্থানীয় বিধায়ক অখিল ৬ পৃষ্ঠাত

## তিনিখন জিলাৰ প্ৰাকৃতিক দুৰ্যোগৰ বাবে চৰকাৰ বা প্ৰশাসন আগতীয়াকৈ সাজু নাছিল: মন্ত্ৰী পীযুষ হাজৰিকা

**যোৱা ৬০ বছৰত শিৱসাগৰ-চৰাইদেউ-যোৰহাটত এনে বান নাছিল; উদ্ধাৰ আৰু সাহায্যত চৰকাৰ তৎপৰ**

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২২ জুলাই ঃ** ৰাজ্যৰ উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাত সৃষ্টি হোৱা ভয়াবহ বান পৰিস্থিতিক লৈ বিধানসভাৰ সদনত ৬ পৃষ্ঠাত

## মচুৰ দাইল আৰু চেনি বিতৰণৰ প্ৰস্তুতি পৰ্যালোচনা বৈঠক মন্ত্ৰী কৌশিক ৰায়ৰ

**NFSAৰ হিতাধিকাৰীসকললৈ সময়মতে সামগ্ৰী প্ৰদানৰ লক্ষ্য**



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২২ জুলাই ঃ** খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে বুধবাৰে জনতা ভৱনৰ কাৰ্যালয় সভাকক্ষত এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰে। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন (NFSA)-ৰ অধীনৰ হিতাধিকাৰীসকলক মচুৰ দাইল আৰু চেনি প্ৰদান কৰাৰ বাবে গ্ৰহণ কৰা আঁচনিৰ প্ৰস্তুতি সম্পৰ্কে বিভাগীয় বিষয়া আৰু নাফেডৰ প্ৰতিনিধিসকলৰ পৰা মন্ত্ৰীগৰাকীয়ে বিস্তাৰিতভাৱে অৱগত হয়। বৈঠকত মচুৰ দাইল আৰু চেনিৰ ক্ৰয়, যোগান আৰু বিতৰণ ব্যৱস্থাৰ প্ৰস্তুতি সম্পৰ্কীয় সামগ্ৰিক অগ্ৰগতি গভীৰভাৱে পৰ্যালোচনা কৰা হয়। ৰাজ্যৰ সকলো যোগ্য হিতাধিকাৰীয়ে নিৰ্ধাৰিত সময়ৰ ভিতৰতে এই খাদ্য সামগ্ৰীসমূহ লাভ কৰাটো সুনিশ্চিত কৰিবলৈ মন্ত্ৰী কৌশিক ৰায়ে সামগ্ৰী যোগানকাৰী সংস্থা নাফেড আৰু বিভাগীয় বিষয়াসকলৰ মাজত অধিক সমন্বয় ৰক্ষাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। মন্ত্ৰীগৰাকীয়ে নিৰ্ধাৰিত সময়সীমা ৬ পৃষ্ঠাত

## প্ৰধানমন্ত্ৰীৰ বাসভৱনৰ সন্মুখত কংগ্ৰেছৰ প্ৰতিবাদ অগণতান্ত্ৰিক আৰু দায়িত্বজ্ঞানহীন ঃ অসম বিজেপি

**কংগ্ৰেছে গণতান্ত্ৰিক ব্যৱস্থাটোক ভেঙুচালি কৰিব বিচৰাৰ অভিযোগ ঃ গুৱাহাটীত বিজেপিৰ মন্ত্ৰী-বিধায়কৰ প্ৰতিবাদী সভা**



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২২ জুলাই ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাসভৱনৰ সন্মুখত মঙলবাৰে কংগ্ৰেছ দলে কৰা প্ৰতিবাদী কাৰ্যসূচীক অসম প্ৰদেশ বিজেপিয়ে তীব ৬ পৃষ্ঠাত

## নীট প্ৰশ্নকাকত ফাদিল সন্দৰ্ভত বৰ্ষাকালীন অধিৱেশনত আলোচনাৰ বাবে সাজু চৰকাৰ

**নিয়ম, তাৰিখ আৰু সময়সীমা নিৰ্ধাৰণ কৰি আলোচনা কৰিবলৈ ইচ্ছুক: কিৰেণ ৰিজিজু**



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২২ জুলাই ঃ** নীট ইউজি প্ৰশ্নকাকত ফাদিলৰ বিতৰ্কিত বিষয়টো সংসদৰ বৰ্ষাকালীন অধিৱেশনত আলোচনা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ সম্পূৰ্ণ সাজু বুলি জানিবলৈ দিছে সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে। কিন্তু আলোচনা কোন নিয়মৰ অধীনত অনুষ্ঠিত হ'ব, তাৰ তাৰিখ আৰু সময়সীমা কি হ'ব — সেই সন্দৰ্ভত সকলো দলৰ সংসদীয় নেতাৰ সৈতে আলোচনা কৰি সিদ্ধান্ত লোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে ৰিজিজুৱে। বুধবাৰে সংসদ চৌহদত সাংবাদিকসকলৰ সৈতে হোৱা সাক্ষাৎকাৰত ৰিজিজুৱে কয়, "অধিৱেশনৰ প্ৰথমদিনাৰ পৰাই আমি এই বিষয়ত আনুষ্ঠানিক আলোচনাৰ প্ৰস্তাৱ দি আহিছোঁ। বিৰোধী নেতা, লোকসভাৰ অধ্যক্ষ আৰু ৰাজ্যসভাৰ অধ্যক্ষক আমি অৱগত কৰিছোঁ যে চৰকাৰ আলোচনাত অংশগ্ৰহণ কৰিবলৈ সাজু। কিন্তু আলোচনাৰ নিয়ম, তাৰিখ আৰু সময়সীমা নিৰ্ধাৰণ কৰাটো প্ৰয়োজনীয়। কেৱল আলোচনাৰ স্বাৰ্থতে আমি কোনো গুৰুত্বপূৰ্ণ বিষয় অনিয়মিতভাৱে আলোচনাৰ আওতালৈ আনিব নোৱাৰোঁ। সেয়ে এই বিষয়ত সকলো দলৰ সৈতে সমন্বয় কৰি আগবঢ়োৱা হ'ব।" প্ৰশ্নকাকত ৩ পৃষ্ঠাত

## অনশন ভংগৰ বাবে শিক্ষামন্ত্ৰীৰ পদত্যাগৰ আশ্বাস দিয়ক চৰকাৰে

**প্ৰতিবাদকাৰীসকলৰ বিৰুদ্ধে আইনী গোচৰ নকৰাৰ আশ্বাস বিচাৰি সোণম ৱাংচুকৰ আহ্বান**



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২২ জুলাই ঃ** জলবায়ু কৰ্মী তথা শিক্ষা সংস্কাৰক সোণম ৱাংচুকে বুধবাৰে কেন্দ্ৰীয় চৰকাৰৰ আগত নিজৰ অনিৰ্দিষ্টকালীন অনশন ৬ পৃষ্ঠাত

## নীট প্ৰশ্নকাকত ফাদিল প্ৰতিবাদৰ আবেদন খাৰিজ; 'ভিডিঅ' চাবলৈ আগ্ৰহ নাই বুলি মুখ্য ন্যায়াধীশৰ মন্তব্য

**আৰক্ষীৰ বৰ্বৰতাৰ অভিযোগত জৰুৰী শুনানি বিচাৰি আবেদন**

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২২ জুলাই ঃ** 'নীট' পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ অভিযোগত দিল্লীৰ যন্তৰ-মন্তৰত চলি থকা প্ৰতিবাদৰ মাজতে প্ৰতিবাদকাৰীৰ ওপৰত কথিত আৰক্ষীৰ ৬ পৃষ্ঠাত

## ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবীত গুৱাহাটীত প্ৰদেশ কংগ্ৰেছৰ প্ৰতিবাদ

**ৰাজীৱ ভৱনৰ পৰা বাজপেয়ী ভৱনলৈ প্ৰতিবাদী সমদল**

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২২ জুলাই ঃ** কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবীত অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে বুধবাৰে গুৱাহাটীত ৬ পৃষ্ঠাত

# নাৰীজনীত গোচৰত অভিযুক্ত অধিবক্তা বিশ্বজিত প্ৰসাদ আজিও তিনিচুকীয়া উকীল সন্থাৰ সচিব

## সমিতিখনক অৰাজক আখ্যা দি পদত্যাগ দুই জ্যেষ্ঠ অধিবক্তাৰ; পদত্যাগী ৰঞ্জিত কুমাৰ বৰঠাকুৰ আছিল বিগত কাৰ্যনিৰ্বাহকৰ সভাপতি

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ২১ জুলাই ঃ** তিনিচুকীয়া উকীল সন্থা (বাৰ এছ'চিয়েচন)ৰ প্ৰাক্তন সভাপতি তথা বৰ্তমানৰ সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য ৰঞ্জিত কুমাৰ বৰঠাকুৰ আৰু সংগঠনটোৰ ক্ৰীড়া সম্পাদক কিৰণজিৎ বৰঠাকুৰে সংগঠনটোৰ পৰা পদত্যাগ কৰিছে। সন্থাৰ সভাপতি প্ৰমোদ বৰা আৰু সচিব বিশ্বজিৎ প্ৰসাদৰ স্বেচ্ছাচাৰী কাৰ্যকলাপৰ বিৰুদ্ধে ক্ষোভ উজাৰি ইজনৰ পিচত সিজন সদস্যই সন্থাৰ পৰা আঁতৰি আহিছে। স্বেচ্ছাচাৰিতা আৰু আভ্যন্তৰীণ কন্দলত ভাৰাক্ৰান্ত হৈ পৰিছে তিনিচুকীয়া উকীল সন্থা। যোৱা ১৭ জুলাই তাৰিখে সাত পৃষ্ঠাজোৰা পদত্যাগপত্ৰত ৰঞ্জিত কুমাৰ বৰঠাকুৰে পদত্যাগৰ ১৪ টাকৈ কাৰণ উল্লেখ কৰিছে। বৰঠাকুৰৰে তিনিচুকীয়া উকীল সন্থাৰ কাৰ্যনিৰ্বাহক সমিতিখনৰ স্থিতিহীন বুলি আখ্যা দি অভিযোগ তুলিছে যে সমিতিৰ সচিব বিশ্বজিৎ প্ৰসাদে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পূৰ্বেই নীতি বহিৰ্ভূতভাৱে সমিতিৰ সভাপতি, উপসভাপতি আৰু কেইগৰাকীমান কাৰ্যনিৰ্বাহক সদস্যক লগত লৈ 'হোটেল মিৰানা'ত উকীল সন্থালৈ পাঁচ লাখ টকাৰ 'আপত্তিজনক' বৰঙনি আগবঢ়োৱা জনৈক সজ্জন ভজংকাক সম্বৰ্ধনা জনাইছিলগৈ। তৃতীয়তে নৈশ চকীদাৰ ধীৰেন নাথৰ পৰা ন্যূনতম ঘৰভাড়া লবলৈ (যাতে ভৱিষ্যতে দখলীস্বত্বৰ দাবী কৰিব নোৱাৰে) অসংখ্যবাৰ অনুৰোধ কৰাৰ পাছতো কোনোধৰণৰ সিদ্ধান্ত লোৱা দেখা নগ'ল। একেদৰে, তেওঁৰ আপত্তি সত্ত্বেও শৌচাগাৰ, প্ৰস্ৰাৱাগাৰ আৰু প্ৰৱেশপথৰ অবিহনেই কাৰ্যালয়ৰ নৱনিৰ্মিত বৰ্ধিত অংশৰ উদ্বোধনীৰ বাবে আকস্মিকভাৱে সিদ্ধান্ত লোৱা হৈছিল। সন্থাৰ কাৰ্যালয়ৰ প্ৰৱেশদ্বাৰত স্থাপন কৰা ষ্টীলৰ বাৰ সমূহৰ কোনোধৰণৰ আলাপ আলোচনা আৰু ক'টেচনৰ অবিহনেই যোগনিয়াৰক যোগানৰ দায়িত্ব দিছিল, যি ধন আজিও সম্পূৰ্ণকৈ পৰিশোধ কৰা হোৱা নাই। কাৰ্যলয়ৰ সম্প্ৰসাৰিত অংশটোৰ নিৰ্মাণ কাৰ্যৰ ক্ষেত্ৰতো তদ্ৰূপ কাণ্ড। সন্থাৰ কাৰ্যালয়ৰ পৰা বিভিন্ন আদালত কক্ষলৈ যোৱা ক'ৰিডৰসমূহো বিনা নিবিদাৰেই নিৰ্মাণ কৰা হৈছিল। আনকি শ্ৰীবৰঠাকুৰে তেওঁৰ প্ৰয়াত পত্নী কিৰণ বৰঠাকুৰৰ স্মৃতিত তোৰণ নিৰ্মাণৰ বাবে সন্থাক ৩ লক্ষাধিক টকা পৰিশোধ কৰিছিল। তাৰ পাছতো সচিব বিশ্বজিত প্ৰসাদে তোৰণখনত থাকিব লগা বৰ্ণমালাখিনি লিখাৰ নামত তেওঁৰ পৰা আৰু অধিক টকা দাবী কৰে। বৰঠাকুৰে সন্থাৰ এখন কাৰ্যনিৰ্বাহক সভাত সচিবৰ হাতত ৫০ হাজাৰ টকা অৰ্পণো কৰে। কিন্তু তোৰণত কথাখিনি নিলিখাকৈয়ে তোৰণখন উন্মোচনৰ হঠকাৰী সিদ্ধান্ত গ্ৰহণ কৰে। এই কথাত প্ৰতিবাদ কৰিলত কোৱা হয় যে উন্মোচনৰ পাছত কাৰ্যবিৱৰণীত লিপিবদ্ধ হৈ থকা কথাখিনি তোৰণত তুলি ধৰা হ'ব। উল্লেখ্য যে সম্পাদকজনে নিজৰ ইচ্ছা অনুসৰি সমগ্ৰ কাৰ্যনিৰ্বাহক সমিতিখনক লৈ হেতালি খেলিছে বুলিও অভিযোগত কোৱা হৈছে। ইফালে সচিবগৰাকীয়ে কাৰ্যনিৰ্বাহক সভাত কাৰ্যসূচীবহিৰ্ভূতভাৱে এনিশা মল্লাহ নামৰ এগৰাকী মহিলা অধিবক্তাৰ বিষয়টো উত্থাপন কৰা দেখা যায় বুলি কৈ কাৰ্যনিৰ্বাহক সমিতিয়ে সচিবৰ বৈষম্যমূলক সিদ্ধান্তসমূহ অন্ধভাৱে সমৰ্থন কৰে বুলিও কয়। উল্লেখ্য যে নিচাযুক্ত দ্ৰব্য পোৱাৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা অধিবক্তা সত্যেন্দ্ৰ প্ৰসাদ বৰুৱাক তাৎক্ষণিকভাৱে উকীল সন্থাৰ পৰা নিলম্বন কৰা হয় যদিও স্বয়ং তিনিচুকীয়া উকীল সন্থাৰ সচিব বিশ্বজিত প্ৰসাদৰ ক্ষেত্ৰত তেনে ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। প্ৰসাদৰ বিৰুদ্ধে এটা অপৰাধমূলক গোচৰৰ বিপৰীতে কেৱল চাৰ্জশ্বীট হোৱাই নহয়, গোচৰটোৰ বিচাৰ অতিৰিক্ত ছেছন ন্যায়াধীশৰ আদালতত নিষ্পত্তিৰ বাবে বাকী থকাৰ পাছতো তেওঁৰ বিৰুদ্ধে কিনোধৰণৰ অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰা নহ'ল। সতীৰ্থৰ মাজত এনে বৈষম্যমূলক আচৰণ কিয় বুলিও বৰঠাকুৰে প্ৰশ্ন তোলে। তেওঁৰ দৃষ্টিত বাৰৰ ভাৱমূৰ্তি বজাই ৰখাৰ স্বাৰ্থত সন্থাৰ সচিবে নৈতিকভাৱেই গুৰুত্বপূৰ্ণ পদটোৰ পৰা পদত্যাগ কৰিব লাগিছিল। বৰঞ্চ, তেওঁ সমুদায় কাৰ্যনিৰ্বাহক সমিতিক নিজৰ স্বাৰ্থত ব্যৱহাৰ কৰি নিজৰ বিৰুদ্ধে থকা গোচৰটো নিষ্পত্তি কৰাৰ প্ৰয়াসহে অব্যাহত ৰাখিছে। শেহতীয়াকৈ অন্তিমখন বৈঠকত এনিশা মল্লাহ সম্পৰ্কীয় তেওঁৰ গোচৰটোৰে জড়িত কেতবোৰ বিষয় আলোচনা কৰা হৈছিল আৰু সেই সন্দৰ্ভত উচ্চ ন্যায়ালয়লৈ প্ৰেৰণ কৰিবলগীয়া প্ৰস্তাৱসমূহ যুগুতোৱা হৈছিল বুলিও বৰঠাকুৰে অভিযোগ তোলে। তেওঁৰ মতে বাৰৰ সচিবে এনিশা মাল্লাহৰ গোচৰটো বিপথে পৰিচালিত কৰিছে। তেওঁ আৰু কয় যে সন্থাৰ সাংস্কৃতিক সম্পাদক বৃজেশ মিশ্ৰ আৰু ক্ৰীড়া সম্পাদক কিৰণজিৎ বৰঠাকুৰক বিগত 'বাৰ উইক'ত খৰচ কৰা ধনৰাশিৰ বিলৰ বিপৰীতে কোনো ধন আজি পৰিমিত পৰিশোধ কৰা হোৱা নাই। তিনিচুকীয়া বাৰ এছ'চিয়েচনৰ ক্ৰীড়া সচিব কিৰণজিৎ বৰঠাকুৰেও যোৱা ১৮ জুলাইত তিনিচুকীয়া উকীল সন্থাৰ কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য পদৰ পৰা তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ পদত্যাগ কৰিছে। তেওঁৰ মতে তিনিচুকীয়া উকীল সন্থাৰ বৰ্তমানৰ কাৰ্যনিৰ্বাহক সমিতিখনে অব্যাহত ৰখা বিশৃংখলতা আৰু অৰাজকতাই তেওঁক যথেষ্ট ক্ষুণ্ণ আৰু ক্ষতিগ্ৰস্ত কৰিছে। তেওঁ সন্থাৰ স্বেচ্ছাচাৰিতা আৰু বৈষম্যমূলক আচৰণৰ বিৰুদ্ধে তীব্ৰ আপত্তি জনাই আহিছে যদিও সচিবে কোনোকালেই গুৰুত্ব প্ৰদান কৰা নাই। সদ্যপদত্যাগী জ্যেষ্ঠ অধিবক্তা ৰঞ্জিত কুমাৰ বৰঠাকুৰে দাখিল কৰা ১৭ জুলাইৰ পদত্যাগ পত্ৰখনত উল্লিখিত সিদ্ধান্তসমূহক সমৰ্থন কৰি তেওঁ কয় যে 'বাৰ উইক'ত খৰচ কৰা ধনৰাশি পৰিশোধ কৰিবলৈকো কাৰ্পণ্য কৰা এখন সমিতিত থকাতকৈ নথকাই ভাল। তেওঁৰ মতে সচিবৰ নিষ্ক্ৰিয়তাৰ বাবেই কাৰ্যনিৰ্বাহক সমিতিৰ কাৰ্যকলাপসমূহ আগবঢ়াই নিয়াৰ ক্ষেত্ৰত ব্যৰ্থ হ'বলগা হৈছে। তেওঁৰ মতে নিৰ্ণায়ক, নিস্বাৰ্থ আৰু শক্তিশালী নেতৃত্বৰ অবিহনে এটা সংগঠনৰ সক্ৰিয়তা আশা কৰা নাযায়। সমিতিৰ স্থিতিক প্ৰত্যাহ্বান জনাই দুগৰাকীকৈ জ্যেষ্ঠ অধিবক্তা, বিষয়ববীয়া তথা কাৰ্যনিৰ্বাহক সদস্যই তিনিচুকীয়া উকীল সন্থাৰ পৰা পদত্যাগ কৰা ঘটনাই সচেতন মহলকো ভৰাই তুলিছে যে স্বয়ং আইনৰ যুক্তি আৰু উক্তিৰে সেৱা আগবঢ়োৱা উকীল সকলেই যদি অন্যায়-অনীতিৰ আশ্ৰয় লয়, উপবিধি (সংবিধান) অৱমাননা কৰে, তেন্তে কব লগা নাই!

# ডিব্ৰুগড়ত জিলা পৰ্যায়ৰ আন্তঃ ক্লাব কাৰাটে প্ৰতিযোগিতা




**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২১ জুলাই ঃ** সদৌ অসম কাৰাটে সন্থাৰ নীতি-নিৰ্দেশনা অনুসৰি ডিব্ৰুগড় জিলা কাৰাটে সন্থাৰ উদ্যোগত ডিব্ৰুগড়ৰ মিলননগৰস্থিত ইনড'ৰ ষ্টেডিয়ামত দিনজোৰা কাৰ্যসূচীৰে জিলা পৰ্যায়ৰ আন্তঃ ক্লাব কাৰাটে প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাত ডিব্ৰুগড় জিলাৰ বিভিন্ন প্ৰান্তৰ ১৭খন আগশাৰীৰ কাৰাটে একাডেমীৰ প্ৰায় ৩০০ৰো অধিক নবীন আৰু প্ৰতিভাৱান খেলুৱৈয়ে অংশগ্ৰহণ কৰি নিজৰ দক্ষতা প্ৰদৰ্শন কৰে। উৎসাহ-উদ্দীপনাৰে উদ্বোধনী অনুষ্ঠানৰ জৰিয়তে প্ৰতিযোগিতাৰ শুভাৰম্ভ কৰা হয়। প্ৰতিযোগিতাখন খেলুৱৈসকলৰ বাবে বিশেষ তাৎপৰ্যপূৰ্ণ। কাৰণ, ইয়াত পদক অৰ্জন কৰা খেলুৱৈসকলে পৰৱৰ্তী সময়ত ডিব্ৰুগড়তে অনুষ্ঠিত হ'বলগীয়া জ'নেল কাৰাটে চেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰিব। লগতে জ'নেল প্ৰতিযোগিতাত সফলতা অৰ্জন কৰা খেলুৱৈসকলে ৰাজ্যিক পৰ্যায়ৰ কাৰাটে প্ৰতিযোগিতাত ডিব্ৰুগড় জিলাক প্ৰতিনিধিত্ব কৰাৰ সুযোগ লাভ কৰিব বুলি জিলা কাৰাটে সন্থাৰ সম্পাদক অঞ্জন চেতিয়াই জানিবলৈ দিয়ে। অনুষ্ঠানৰ এক বিশেষ মুহূৰ্তত ডিব্ৰুগড় জিলাৰ ক্ৰীড়া বিষয়া ছেমী শইকীয়াক ক্ৰীড়া ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ স্বীকৃতি স্বৰূপে ডিব্ৰুগড় জিলা কাৰাটে সন্থাৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। জিলাখনত বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতা আৰু কাৰ্যসূচীৰ সফল আয়োজনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক ক্ৰীড়াৰ প্ৰতি অধিক আগ্ৰহী কৰি তোলাত তেওঁৰ ভূমিকাৰ শলাগ লয়। ইয়াৰোপৰি সদৌ অসম কাৰাটে সন্থাৰ প্ৰধান সম্পাদক আদৰ্শ চৌধুৰীকো তেওঁৰ দূৰদৰ্শী নেতৃত্ব আৰু সংগঠন শক্তিৰ বাবে ধন্যবাদ জ্ঞাপন কৰা হয়। তেওঁৰ নেতৃত্বত অসমৰ কাৰাটে জগতখনে ৰাষ্ট্ৰীয় পৰ্যায়ত সুনাম আৰু বিশেষ মৰ্যাদা অৰ্জন কৰিবলৈ সক্ষম হৈছে বুলি সন্থাৰ বিষয়ববীয়াসকলে মন্তব্য কৰে। অনুষ্ঠানত ডিব্ৰুগড়ৰ মেয়ৰ ডাঃ সৈকত পাত্ৰ, লায়ন্স ক্লাবৰ ডাঃ শান্তনু লহকৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° পৰমানন্দ সোণোৱাল, অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয় পঞ্জীয়ক ড° পংকজ বৰঠাকুৰ, অধ্যাপিকা নমী বৰুৱা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ক্ৰীড়া বিষয়া ড° মণ্টু বড়ো, ড° দ্বীপজ্যোতি গগৈৰ লগতে ডিব্ৰুগড় জিলা কাৰাটে সন্থাৰ সভাপতি নিৰেণ ফুকন, কেন্দ্ৰীয় আৰু জিলা পৰ্যায়ৰ বিষয়ববীয়াসকল, বিভিন্ন একাডেমীৰ প্ৰশিক্ষক, প্ৰতিযোগী খেলুৱৈ, অভিভাৱক-অভিভাৱিকাৰ লগতে বহুসংখ্যক ক্ৰীড়াপ্ৰেমী ৰাইজ উপস্থিত থাকে।

# শাওনৰ প্ৰথম সোমবাৰত কুলবিলঘাট ৰাজহুৱা শিৱালয়ত ভক্তৰ ভিৰ

**অসম বাৰ্তা, চামতা, ২১ জুলাই ঃ** পবিত্ৰ শাওন মহাৰ প্ৰথমটো সোমবাৰ উপলক্ষে পশ্চিম নলবাৰীৰ চামতাৰ কুলবিলঘাট ৰাজহুৱা শিৱালয়ত পুৱাৰ পৰাই ভক্তৰ ব্যাপক সমাগম ঘটে। শিৱভক্তসকলে মহাদেৱক জলাভিষেক, বেলপাত আৰু ধূপ-দীপ আগবঢ়াই পূজা-অৰ্চনা কৰে। ভক্তসকলে পৰিয়ালৰ সুখ-শান্তি আৰু বিশ্বকল্যাণৰ কামনা কৰি প্ৰাৰ্থনা জনায়। শৃংখলাবদ্ধভাৱে দৰ্শন আৰু পূজাৰ বাবে মন্দিৰ পৰিচালনা সমিতিয়ে বিশেষ ব্যৱস্থা গ্ৰহণ কৰে। স্থানীয় স্বেচ্ছাসেৱকসকলেও ভক্তসকলক সহায়-সহযোগিতা আগবঢ়ায়। ধৰ্মীয় ভক্তি আৰু আধ্যাত্মিক পৰিৱেশে সমগ্ৰ এলেকাটো মুখৰিত কৰি তোলে।

### বন্যাৰ্তৰ মাজত হাহাকাৰ পৰিস্থিতি

# মন্দিয়াৰ বাঘবৰত বহু গাঁও প্লাৱিত

**অসম বাৰ্তা, মন্দিয়া, ২১ জুলাই ঃ** বৰপেটা জিলাৰ বিভিন্ন প্ৰান্তত বানৰ সংহাৰী ৰূপ ধাৰণ কৰাত বহু পৰিয়ালৰ আবাসগৃহ পানীত জলমগ্ন হৈছে। কেইবা দিনৰ পৰা মুষলধাৰে হোৱা বৰষুণৰ ফলত নদী উপনদী সুমূহ ফেনে ফুটুকাৰে উপচি পৰা পৰিলক্ষিত হৈছে। ব্ৰহ্মপুত্ৰ আৰু বেঁকী নদীৰ বাঢ়নী পানীয়ে মন্দিয়াৰ বাঘবৰ অঞ্চলৰত কেইবাখনো গাঁও প্লাৱিত হৈছে। বানৰ কবলত পৰা গঞা ৰাইজৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। বাঘবৰ ৰাজহ চক্ৰৰ অন্তৰ্গত মৰাভাজ, সেউৰাৰভিটা, শিলোচী, বাঘবৰ পাথাৰ, সত্ৰকনৰা ১২, ১৩ আৰু ১৪ নম্বৰ ছিটৰ সৈতে তিনিখন গাঁও এলেকাৰ বিস্তীৰ্ণ অঞ্চল বান পানীয়ে বুৰাই পেলাইছে। অঞ্চলটোৰ লোকৰ আবাস গৃহ সমূহ পানীৰ তলত ডুব যোৱাৰ ফলত মানুহৰ লগতে পোহনীয়া গৰু, ছাগলী, আৰু হাঁহ-কুকুৰা বানত ক্ষতিগ্ৰস্ত হোৱা পৰিলক্ষিত হৈছে। ব্ৰহ্মপুত্ৰ আৰু বেঁকী নৈৰ বাঢ়নী পানীয়ে সত্ৰকনৰা ১৪ নং ছিটৰ পৰা সেউৰাৰভিটা চাৰিআলি চ'ক বজাৰ আৰু সেউৰাৰভিটাৰ পৰা সেউৰাচৰা-বাঘবৰ সংযোগী পথৰ ওপৰেদি পানী বাগৰাৰ ফলত যাতায়ত ব্যৱস্থা বিঘ্নিত হৈ পৰিছে। পথটোৰে যান-বাহনৰ চলাচল বন্ধ হৈ পৰিছে। বহু কৃষি ভূমি বানৰ কবলত পৰি নষ্ট হৈছে। যোৱা নিশা ঘৰৰ ভিতৰত পানী সোমাৱাৰ ফলত বহু পৰিয়ালৰ শিশু-বৃদ্ধ, বানাক্ৰান্ত পৰিয়াল অনাহাৰে দিন পাৰ কৰা বুলি জানিব দিয়ে। খোৱাপানী তথা পশু খাদ্যৰ প্ৰয়োজন হোৱা বুলিও একাংশ ৰাইজে জানিব দিয়ে। এই ক্ষেত্ৰত বৰপেটা জিলা প্ৰশাসনৰ দৃষ্টি আকৰ্ষণ কৰিছে বৃহত্তৰ অঞ্চলৰ ৰাইজে।

## স্পষ্টীকৰণ

মই, শ্ৰী সঞ্জয় কুমাৰ শীল, ইয়াৰ দ্বাৰা স্পষ্টভাৱে জনাইছোঁ যে মই এজন চৰকাৰী চাকৰিয়াল তথা স্বাস্থ্য বিভাগত কৰ্মৰত। কিছুদিন পূৰ্বে সামাজিক মাধ্যম ফেচবুকত Nation NE নামৰ এটা পৰ্টেল চেনেলে মোৰ বিৰুদ্ধে মই চিণ্ডিকেটৰ সৈতে জড়িত বুলি এক ভিডিঅ' বাতৰি প্ৰচাৰ কৰিছিল। উক্ত বাতৰিটো সম্পূৰ্ণ ভিত্তিহীন, অসত্য আৰু বিভ্ৰান্তিকৰ। এই বাতৰিয়ে মোৰ সামাজিক মৰ্যাদা, ব্যক্তিগত সুনাম আৰু আত্মসম্মানত গুৰুতৰ আঘাত হানিছে। মই স্পষ্টকৈ জনাইছোঁ যে মই কোনো ধৰণৰ ব্যৱসায়, চিণ্ডিকেট বা কোনো অবৈধ কাৰ্যকলাপৰ সৈতে জড়িত নহয়। গতিকে, ভৱিষ্যতে মোৰ বিৰুদ্ধে কোনো ধৰণৰ তথ্য-প্ৰমাণ অবিহনে মিছা, ভিত্তিহীন আৰু মানহানিকৰ বাতৰি প্ৰচাৰ কৰা হ'লে, মই আইনগত ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য হ'ম।

AB-106/2026

# মাজুলী বিজেপিৰ সংবাদমেল; ২০২৬-২৭ অসম বাজেটক জনমুখী আৰু উন্নয়নমুখী আখ্যা

**অসম বাৰ্তা, উজনী মাজুলী, ২১ জুলাই ঃ** ভাৰতীয় জনতা পাৰ্টি, মাজুলী জিলাৰ মুখ্য কাৰ্যালয় 'অটল বিহাৰী বাজপেয়ী ভৱন'ত আজি ২০২৬-২৭ বিত্তীয় বৰ্ষৰ অসম বাজেট সন্দৰ্ভত মাজুলীৰ বিধায়ক ভুৱন গামে এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেলত তেওঁ কয় যে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত বিত্তমন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই উত্থাপন কৰা বাজেটখন সমগ্ৰ অসমবাসীৰ সৰ্বাংগীণ কল্যাণৰ লক্ষ্যৰে প্ৰস্তুত কৰা এখন জনমুখী, উন্নয়নমুখী আৰু দূৰদৰ্শী বাজেট। বাজেটখনত গ্ৰাম্য অৰ্থনীতি, শিক্ষা, স্বাস্থ্য, কৃষি, যুৱ প্ৰজন্মৰ আত্মসংস্থাপন, আন্তঃগাঁথনি উন্নয়ন আদি ক্ষেত্ৰত গ্ৰহণ কৰা বিভিন্ন আঁচনি আৰু পদক্ষেপৰ বিষয়ে সংবাদ মাধ্যমত সবিস্তাৰে ব্যাখ্যা আগবঢ়ায়। সংবাদমেলত অসমবাসীৰ সামগ্ৰিক উন্নয়নক অগ্ৰাধিকাৰ দি এনে এখন বাজেট উপহাৰ দিয়াৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিত্তমন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ প্ৰতি আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। সংবাদমেলত ভাৰতীয় জনতা পাৰ্টি, মাজুলী জিলাৰ সভাপতি দীপক গোস্বামী, উপ-সভাপতি প্ৰতাপ বৰুৱা আৰু দেৱ মূদৈ, সংবাদ মাধ্যম কোষৰ জিলা আহ্বায়ক ৰমা হাজৰিকাৰ লগতে দলৰ আন বিষয়ববীয়াসকল উপস্থিত থাকে।

### নৃত্যকলা আৰু চিত্ৰকলাত নিজৰ প্ৰতিচ্ছবি অংকিত হয় ঃ ৰূপক বৈশ্য

# নলবাৰীৰ শিৱম কলা কেন্দ্ৰৰ গ্ৰীষ্মকালীন কৰ্মশালাৰ সফল সামৰণি

**অসম বাৰ্তা, চামতা, ২১ জুলাই ঃ** কালি নিশা ৯ বজাত নলবাৰীৰ দৌল গোবিন্দপুৰস্থিত শিৱম কলা কেন্দ্ৰৰ উদ্যোগত নৃত্যকলা আৰু চিত্ৰকলাৰ গ্ৰীষ্মকালীন কৰ্মশালাৰ সফল সামৰণি পৰে। জেইল ৰোডৰ মিলনপুৰত অৱস্থিত শ্ৰীশ্ৰীহনুমান মন্দিৰ প্ৰাংগণত ১৩ জুলাইৰ পৰা ১৯ জুলাইলৈ সাতদিনীয়াকৈ আয়োজন কৰা হৈছিল আধুনিক, সত্ৰীয়া নৃত্য আৰু চিত্ৰকলাৰ গ্ৰীষ্মকালীন কৰ্মশালা। এই কৰ্মশালাত পদ্মভূষণ, নৃত্যাচাৰ্য্য যতীন গোস্বামীক বিশেষভাৱে সন্মানিত কৰা হয়। পুৱা ১১ বজাৰ পৰা প্ৰথম তিনিদিনৰ বাবে আধুনিক আৰু পিচৰ চাৰিদিনৰ বাবে সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষণ দিয়া হয়। কালি নলবাৰী জিলা পুথিভঁৰালত সন্ধিয়া ৬ বজাৰ পৰা আয়োজিত তথা কৰ্মশালা সমন্বয়ক, নৃত্যগুৰু সনাতন বৈশ্যৰ্ই আঁতধৰা সুন্দৰম আৰাধনা' ২০২৬ শীৰ্ষক আনন্দমুখৰ সামৰণি পৰ্বত শিৱম কলা কেন্দ্ৰৰ অধ্যক্ষ শক্তিপ্ৰসাদ ডেকাই আদৰণি বক্তব্য আৰু শলাইৰ শৰাই অগবঢ়ায়। উক্ত মনোগ্ৰাহী অনুষ্ঠানত প্ৰশিক্ষাৰ্থী সকলে বিভিন্ন গীত, নৃত্য, বাদ্যবাদনেৰে প্ৰেক্ষাগৃহত উপস্থিত সকলোকে মন্ত্ৰমুগ্ধ কৰি তোলে। অনুষ্ঠানটোত মুখ্য অতিথি সত্ৰীয়া নৃত্যগুৰু, প্ৰচাৰ ভাৰতী ডি.ডি.ৰ বি-হাই গ্ৰেড শিল্পী, সত্ৰীয়া নৃত্যৰ গৱেষক দ্বিজেন চন্দ্ৰ বৰ্মন, সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষক প্ৰভাকৰ গোস্বামী, আধুনিক নৃত্যৰ প্ৰশিক্ষক জাগীৰোডৰ বিকাশ বিকি ডেকা, শ্ৰীশ্ৰীহনুমান মন্দিৰ পৰিচালনা সমিতিৰ সম্পাদক, জ্যেষ্ঠ সাংস্কৃতিক কৰ্মী মনোজ কুমাৰ শৰ্মা, সমাজকৰ্মী ধীৰেন বৰ্মন, জনপ্ৰিয় কৌতুক অভিনেতা হৰিশ তালুকদাৰ, জ্যেষ্ঠ সাংস্কৃতিক কৰ্মী প্ৰতুল ৰাজবংশী, জ্যেষ্ঠ লোকশিল্পী পৰমানন্দ দাস, গৌতম গোস্বামী, দ্বীপেন শৰ্মা আৰু নলবাৰীৰ দক্ষিণ-পশ্চিম প্ৰান্তৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ তথা বনগাঁৱৰ জ্যোতি-কলা কেন্দ্ৰ (জেকেকে) শিক্ষা প্ৰতিষ্ঠানৰ কাৰ্যবাহী পৰিচালন সঞ্চালক ৰূপক বৈশ্য প্ৰমুখ্যে প্ৰতিগৰাকী কেন্দ্ৰটোৰ শিক্ষাগুৰুক একোখনি ফুলাম গামোছা আৰু একোটিকৈ স্মাৰকেৰে সম্বৰ্ধনা জনোৱা হয়। তাৰপিচত প্ৰশিক্ষাৰ্থীসকলক একোখনিকৈ মানপত্ৰ প্ৰদান কৰা হয়। উক্ত সময়ত বহুকেইগৰাকী সাংস্কৃতিক কৰ্মীৰ লগতে প্ৰায় দুই শতাধিক অভিভাৱক-অভিভাৱিকা উপস্থিত থাকে।

# শিক্ষাৰ স্বাৰ্থত একক শিক্ষক বিদ্যালয়, প্ৰধান শিক্ষক আৰু ৫৫ বছৰৰ ঊৰ্দ্ধৰ শিক্ষকক জনগণনা দায়িত্বৰ পৰা অব্যাহতিৰ দাবী



**অসম বাৰ্তা, শিলচৰ, ২১ জুলাই ঃ** শিক্ষাৰ স্বাৰ্থক সৰ্বোচ্চ অগ্ৰাধিকাৰ দি আগন্তুক জনগণনা (Census) কাৰ্যসূচীত একক শিক্ষক বিদ্যালয়ৰ শিক্ষক, প্ৰধান শিক্ষক আৰু ৫৫ বছৰৰ ঊৰ্দ্ধৰ শিক্ষকসকলক জনগণনাৰ দায়িত্বৰ পৰা অব্যাহতি দিয়াৰ অথবা বিকল্প ব্যৱস্থা গ্ৰহণৰ দাবীত সোমবাৰে কাটিগড়া খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ বিষয়ববীয়াসকলে কাটিগড়া এটাচ চাৰ্কল বিষয়া চম্পক শৰ্মাৰ হাতত এখন স্মাৰকলিপি প্ৰদান কৰে। স্মাৰকলিপিত উল্লেখ কৰা হয় যে, কাটিগড়া খণ্ডত বৰ্তমান প্ৰায় ৩৫খন একক শিক্ষক বিদ্যালয় আছে। এই বিদ্যালয়সমূহত এজন শিক্ষকেই পাঠদানৰ লগতে বিদ্যালয়ৰ প্ৰশাসনিক, দাপ্তৰিক আৰু দৈনন্দিন সকলো দায়িত্ব এককভাৱে পালন কৰি আহিছে। এনে পৰিস্থিতিত সংশ্লিষ্ট শিক্ষকসকলক দীৰ্ঘ সময়ৰ বাবে জনগণনাৰ কামত নিয়োজিত কৰিলে বিদ্যালয়সমূহৰ পাঠদান কাৰ্য প্ৰায় সম্পূৰ্ণৰূপে ব্যাহত হোৱাৰ আশংকা আছে, যাৰ প্ৰত্যক্ষ প্ৰভাৱ কোমলমতীয়া শিক্ষাৰ্থীৰ শিক্ষাজীৱনত পৰিব। ইয়াৰ উপৰিও, ৫৫ বছৰৰ ঊৰ্দ্ধৰ বহু শিক্ষক বৰ্তমানৰ ডিজিটেলভিত্তিক জনগণনা ব্যৱস্থা পৰিচালনাত বাস্তৱিক অসুবিধাৰ সন্মুখীন হ'ব পাৰে বুলিও স্মাৰকলিপিত উল্লেখ কৰা হয়। শিক্ষক সন্মিলনীৰ মতে, এই প্ৰযুক্তিনিৰ্ভৰ কাৰ্যসূচীত তেওঁলোকক নিয়োজিত কৰিলে কামৰ গতি মন্থৰ হোৱাৰ লগতে অপ্ৰয়োজনীয় জটিলতাৰো সৃষ্টি হ'ব পাৰে। শিক্ষক নেতাসকলে কয় যে, প্ৰধান শিক্ষকসকলক জনগণনাৰ দায়িত্বত নিয়োজিত কৰিলে কেৱল পাঠদানেই নহয়, বিদ্যালয়ৰ সামগ্ৰিক প্ৰশাসনিক ব্যৱস্থাও ব্যাহত হ'ব। বিদ্যালয়ৰ কাৰ্যালয় পৰিচালনা, চৰকাৰী নথি-পত্ৰ সংৰক্ষণ, বিভিন্ন অনলাইন পৰ্টেলত তথ্য আপলোড, আৰ্থিক লেনদেন, মিড-ডে মিল আঁচনিৰ তদাৰক, শিক্ষাৰ্থীৰ নথি সংৰক্ষণ আৰু চৰকাৰী নিৰ্দেশনা ৰূপায়ণৰ দৰে গুৰুত্বপূৰ্ণ দায়িত্ব প্ৰধান শিক্ষকসকলৰ ওপৰতেই ন্যস্ত হৈ থাকে। ফলত তেওঁলোক দীৰ্ঘদিন বিদ্যালয়ৰ বাহিৰত থাকিলে শিক্ষা আৰু প্ৰশাসন- উভয় ক্ষেত্ৰতেই অচলাৱস্থাৰ সৃষ্টি হোৱাৰ আশংকা আছে। সেয়ে শিক্ষাৰ্থীৰ পাঠদান যাতে কোনো পৰিস্থিতিত ব্যাহত নহয় আৰু বিদ্যালয়ৰ স্বাভাৱিক শৈক্ষিক তথা প্ৰশাসনিক কাৰ্যসূচী অব্যাহত থাকে, সেই উদ্দেশ্যে একক শিক্ষক বিদ্যালয়ৰ শিক্ষক, প্ৰধান শিক্ষক আৰু ৫৫ বছৰৰ ঊৰ্দ্ধৰ শিক্ষকসকলক জনগণনাৰ দায়িত্বৰ পৰা অব্যাহতি দি তেওঁলোকৰ পৰিবৰ্তে উপযুক্ত বিকল্প জনবল নিয়োগ কৰাৰ দাবী জনোৱা হয়। স্মাৰকলিপি প্ৰদানৰ সময়ত উপস্থিত আছিল কাটিগড়া খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি মকলিছুৰ ৰহমান বড়ভুঞা, সম্পাদক দিলীপ চৌধুৰী, সহ-সম্পাদক দিদাৰুল ইছলাম সদিয়াল, প্ৰশান্ত কুমাৰ নাথ, কোষাধ্যক্ষ বিমলেন্দু গোস্বামীকে ধৰি আন বিষয়ববীয়াসকল। শিক্ষক সন্মিলনীৰ নেতাসকলে আশা প্ৰকাশ কৰে যে, জিলা প্ৰশাসনে শিক্ষাৰ্থীৰ ভৱিষ্যৎ, বিদ্যালয়ৰ নিয়মীয়া পাঠদান ব্যৱস্থা আৰু শিক্ষা প্ৰতিষ্ঠানসমূহৰ প্ৰশাসনিক কাৰ্যকলাপৰ গুৰুত্ব বিবেচনা কৰি বিষয়টো মানৱীয় দৃষ্টিভংগীৰে পৰ্যালোচনা কৰিব। লগতে এনে এক সিদ্ধান্ত গ্ৰহণ কৰিব, যাতে এফালে জাতীয় গুৰুত্বপূৰ্ণ জনগণনা কাৰ্যসূচী সফলভাৱে সম্পন্ন হয় আৰু আনফালে শিক্ষাৰ্থীৰ শিক্ষা তথা বিদ্যালয়ৰ স্বাভাৱিক কাৰ্যকলাপ কোনো ধৰণে ব্যাহত নহয়।

# সৰ্বভাৰতীয় নীট পৰীক্ষাত উজ্জ্বলিল মন্দিয়াৰ কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰী

**অসম বাৰ্তা, মন্দিয়া, ২১ জুলাই ঃ** অলপতে ঘোষিত সৰ্বভাৰতীয় নীট পৰীক্ষাত উৰ্ত্তীৰ্ণ হৈ বৃহত্তৰ মন্দিয়া অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হ'ল কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীয়ে। বৃহত্তৰ অঞ্চলটোৰ পাতলিকুছি গাৱঁৰ দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰ মোনছেৰ আলীয়ে নীট পৰীক্ষাত ৫৭২নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। একেদৰে উক্ত পাতলিকুছিগাঁৱৰে, মন্দিয়া আঞ্চলিক মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, প্ৰতিদিন কাকতৰ মন্দিয়াস্থিত সংবাদ দাতা তথা নতুন সাহিত্য পৰিষদৰ ৰাজ্যিক সম্পাদক ছোহ্ৰাব আহমেদৰ সুযোগ্য সন্তান শ্বাহিন আখতাৰ আহমেদেও ৫৪১ নম্বৰ লাভ কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। বৃহত্তৰ অঞ্চলটোৰ শিতুলী গাৱঁৰ অধ্যাপক হাবিল উদ্দিন আহমেদ আৰু শিক্ষয়িত্ৰী মাতৃ আবিদা বেগমৰ পুত্ৰ আচিব উদ্দিন আহমেদে ৫৬৯, মৌৰীগাঁৱৰ ৰাকিবুল হাচানে ৫৬৮, গোবিন্দপুৰৰ নাৰ্জিনা আহমেদে ৫৩০, সালেকুৰা গাৱঁৰ আৰিফুল ইছলামে ৫৩০ আৰু ভোগৰান্ধা গাৱঁৰ শ্বাহিল আৱাছে (বিশেষভাৱে সক্ষম) ৫২২নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। উক্ত মেধা সম্পন্ন ছাত্ৰ-ছাত্ৰীৰ সফলতাত শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক ৰাইজ, পৰিয়ালৰ সকলো আনন্দিত হোৱাটো পৰিলক্ষিত হৈছে পিতৃ-মাতৃ, অভিভাৱক, ছাত্ৰ-ছাত্ৰীয়ে কষ্টৰ ফল লাভ কৰাত অঞ্চলটোৰ সকলোৱে ছাত্ৰ-ছাত্ৰী কেইগৰাকীক হিয়া উজাৰি আশীৰ্বাদ কৰিছে।

# পানীতোলাত ২৫ জুলাইত 'কুঁহি' শিশু প্ৰতিভা বিকাশমূলক অনুষ্ঠানৰ আয়োজন

**অসম বাৰ্তা, তিনিচুকীয়া বিশেষ, ২১ জুলাই ঃ** কণ-কণ শিশুৰ সুপ্ত প্ৰতিভাৰ বিকাশ, সৃজনশীল মনোভাৱৰ উৎকৰ্ষ সাধন আৰু অসমীয়া ভাষা-সাহিত্য, কৃষ্টি-সংস্কৃতিৰ প্ৰতি নতুন প্ৰজন্মৰ মাজত আগ্ৰহ, অনুৰাগ তথা মূল্যবোধ গঢ়ি তোলাৰ লক্ষ্যৰে পানীতোলা স্বৰ্ণ শাখা সাহিত্য সভাৰ 'কুঁহি' উপ-সমিতিৰ উদ্যোগত আৰু লোণপুৰীয়া প্ৰাথমিক বিদ্যালয়ৰ আতিথ্যত অহা ২৫ জুলাইত 'কুঁহি' শিশু প্ৰতিভা বিকাশমূলক অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ লৈছে। অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি পুৱা ৯ বজাত পানীতোলা স্বৰ্ণ শাখা সাহিত্য সভাৰ সভাপতি প্ৰবীন দাসে পতাকা উত্তোলন কৰিব। পুৱা ৯: ৩০ বজাত 'কুঁহি' উপ-সমিতিৰ কাৰ্যকৰী সভাপতি হীৰাৱতী গোহাঁই আৰু লোণপুৰীয়া প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক হিৰেশ্বৰ দাসে স্মৃতি-তৰ্পণ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ১০ বজাত অসম সাহিত্য সভাৰ আদৰণি গীত "চিৰ চেনেহী মোৰ ভাষা জননী" শীৰ্ষক সমবেত সংগীত পৰিৱেশন কৰা হ'ব। ইয়াৰ পিছতে বিশিষ্ট সত্ৰীয়া নৃত্যশিল্পী তথা প্ৰশিক্ষক মাণিক শইকীয়াই অনুষ্ঠানৰ আনুষ্ঠানিক শুভ উদ্বোধন কৰিব। উল্লেখ্য, পুৱা ১০: ৩০ ৰ পৰা আবৃত্তি, বক্তৃতা, গীত, নৃত্য, সাধু কোৱা, অভিনয়, সংলাপ প্ৰক্ষেপণ আদি বিভিন্ন অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব। একে অনুষ্ঠানতে অসম সাহিত্য সভাৰ নতুনকৈ আজীৱন সভ্যপদ গ্ৰহণ কৰা সদস্যসকলক আনুষ্ঠানিকভাৱে মানপত্ৰ প্ৰদান কৰিব বুলি উদ্যোক্তাই জানিবলৈ দিছে। পানীতোলা স্বৰ্ণ শাখা সাহিত্য সভাৰ সম্পাদক দুৰ্জয় লোচন চেতিয়া আৰু 'কুঁহি' উপ-সমিতিৰ আহ্বায়িকা লিপিকা চেতিয়াই অঞ্চলটোৰ বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰী, সাহিত্যপ্ৰেমী তথা সৰ্বসাধাৰণ ৰাইজক অনুষ্ঠানত উপস্থিত থাকি ইয়াক সৰ্বাংগীণভাৱে সফল কৰি তুলিবলৈ আন্তৰিক আহ্বান জনাইছে।

# ধুবুৰীৰ অৰ্পণ ৰায় বজৰং দলৰ অসম প্ৰদেশৰ ৰাজ্যিক সভাপতিৰ দায়িত্ব গ্ৰহণ

**অসম বাৰ্তা, গোলকগঞ্জ, ২১ জুলাই ঃ** ধুবুৰী জিলাৰ অৰ্পণ ৰায়ে ভাৰতীয় বজৰং দলৰ অসম প্ৰদেশৰ ৰাজ্যিক সভাপতি হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিছে। তেওঁৰ এই নিযুক্তিক কেন্দ্ৰ কৰি ধুবুৰী জিলাজুৰি শুভেচ্ছা আৰু অভিনন্দনৰ জোৱাৰ দেখা গৈছে। জিলাবাসী তথা শুভাকাংক্ষীসকলে আশা প্ৰকাশ কৰিছে যে নতুন দায়িত্বত অধিষ্ঠিত হৈ অৰ্পণ ৰায়ে সংগঠনটোৰ আদৰ্শ আৰু লক্ষ্য-উদ্দেশ্য আগুৱাই নিয়াৰ লগতে সমাজসেৱামূলক বিভিন্ন কাৰ্যসূচীত সক্ৰিয় ভূমিকা পালন কৰিব। তেওঁ সমাজৰ কল্যাণ আৰু উন্নয়নমূলক কাম-কাজত অধিক গুৰুত্ব আৰোপ কৰাৰ লগতে সংগঠনৰ কাৰ্যকলাপ অধিক শক্তিশালী কৰি তুলিব বুলিও আশা ব্যক্ত কৰা হৈছে। উল্লেখ্য, এই দায়িত্ব গ্ৰহণৰ পাছতে ধুবুৰী জিলাৰ বিভিন্ন মহলৰ লোকসকলে অৰ্পণ ৰায়লৈ আন্তৰিক শুভেচ্ছা আৰু সফল কাৰ্যকালৰ শুভকামনা জ্ঞাপন কৰিছে।

## বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠনৰ শোক প্ৰকাশ

# গহপুৰৰ বিশিষ্ট কবি, লেখিকা যশোদা কোঁৱৰৰ পৰলোকপ্ৰাপ্তি

**অসম বাৰ্তা, গহপুৰ, ২১ জুলাই ঃ** গহপুৰৰ বিশিষ্ট কবি, সুলেখিকা, ছয়দুৱাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কাৰ্যালয় অধীক্ষক তথা গহপুৰ পৌৰসভাৰ ৩ ৱাৰ্ডৰ অন্তৰ্গত চতিয়াচুকৰ নিবাসী যশোদা কোঁৱৰৰ (৮৫)আজি পুৱা ৮-৩০ বজাত নিজ বাসগৃহত বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ পৰলোকপ্ৰাপ্তি ঘটাত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। এগৰাকী কবি আৰু সুলেখিকা হিচাপে সুপৰিচিত যশোদা কোঁৱৰে আজীৱন সাহিত্য সাধনা কৰি গহপুৰৰ সাহিত্যৰ ক্ষেত্ৰ খনলৈ বিপুল বৰঙণি আগবঢ়াই গৈছে। সাহিত্যৰ ক্ষেত্ৰখনত একাধিক সন্মান আৰু বঁটাৰে সন্মানিত লেখিকা গৰাকীৰ একাধিক গ্ৰন্থ প্ৰকাশ পাইছে। গহপুৰ শাখা লেখিকা সমাৰোহ সমিতি, গহপুৰ কবি কানন, গহপুৰ শাখা সাহিত্য সভাসহ একাধিক সাহিত্যানুষ্ঠানৰ লগত সুদীৰ্ঘ বছৰ ধৰি জড়িত হৈ যশোদা কোঁৱৰে নিৰালস্যভাৱে সেৱা আগবঢ়াই গৈছে। এগৰাকী সৰবৰহী মহিলা হিচাপেও সুপৰিচিত লেখিকা গৰাকীৰ মৃত্যুৰ খবৰ পোৱাৰ পিছতে বহু সংখ্যক অনুষ্ঠান- প্ৰতিষ্ঠান আৰু দল-সংগঠনৰ প্ৰতিনিধিৰ লগতে বহু গুণমুগ্ধই লেখিকা গৰাকীৰ বাসগৃহত উপস্থিত হৈ তেখেতৰ নশ্বৰ দেহত শেষ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। জনপ্ৰিয় কবি গৰাকীৰ মৃত্যুত ছয়দুৱাৰ মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী গোট, গহপুৰ কবি কানন, গহপুৰ শাখা লেখিকা সমাৰোহ সমিতি, গহপুৰ শাখা সাহিত্য সভা, গহপুৰ শাখা নাট্য সন্মিলন, ছয়দুৱাৰ আঞ্চলিক মহিলা পৰিষদ, বিশ্বনাথ জিলা কবি সন্মিলন, বিশ্বনাথ জিলা লেখিকা সমাৰোহ সমিতি, গহপুৰ মহকুমা ছাত্ৰ সন্থা, গহপুৰ শাখা নতুন সাহিত্য পৰিষদ, চতিয়াচুক গাঁও উন্নয়ন সমিতি, গহপুৰ মহকুমা সাংবাদিক সন্থাসহ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠন আৰু ব্যক্তিয়ে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। মৃত্যুৰ সময়ত যশোদা কোঁৱৰে ভাতৃ তথা বিশিষ্ট লেখক, সাংবাদিক নগেন কোঁৱৰ আৰু দুগৰাকী ভগ্নী তথা বিশিষ্ট লেখিকা সবিতা কোঁৱৰ, চন্দিকা দত্ত কোঁৱৰসহ বহু আত্মীয়-স্বজনক ইহ সংসাৰত এৰি থৈ গৈছে।

# হাউলীত আৰক্ষীৰ অভিযান; ছালমা হোটেলৰ পৰা তিনি চাইবাৰ অপৰাধীক আটক

**অসম বাৰ্তা, কুমুল্লীপৰা, ২২ জুলাই ঃ** বৰপেটা জিলাৰ হাউলীৰ সমীপৱতী ইটাৰভিটাস্থিত ছালমা হোটেলত চলোৱা এক বিশেষ অভিযানত হাউলী আৰক্ষীয়ে তিনিজন কথিত চাইবাৰ অপৰাধীক আটক কৰিবলৈ সক্ষম হৈছে। আৰক্ষীৰ সূত্ৰ অনুসৰি, ২১ জুলাই সন্ধিয়া গোপন তথ্যৰ ভিত্তিত চলোৱা এই অভিযানত আটক কৰা লোককেইজন হৈছে পূৰ্ব লোৱাশুৰ গাঁৱৰ আবু জাফৰ মণ্ডল, আলামিন তালুকদাৰ আৰু কাবিল উদ্দিন। আটকাধীন লোককেইজনৰ পৰা আৰক্ষীয়ে কেইবাখনো এটিএম কাৰ্ড, ডেবিট কাৰ্ড, মোবাইল ফোন আৰু তদন্তৰ বাবে প্ৰয়োজনীয় বুলি সন্দেহ কৰা আন কিছু সামগ্ৰী জব্দ কৰিছে। আৰক্ষীয়ে ধৃত লোককেইজনক সোধ-পোছ অব্যাহত ৰাখিছে। প্ৰাথমিক তদন্তত চাইবাৰ অপৰাধৰ সৈতে জড়িত থকাৰ সন্দেহ প্ৰকাশ কৰা হৈছে যদিও, তদন্ত সম্পূৰ্ণ নোহোৱালৈকে অভিযোগসমূহৰ সত্যতা নিশ্চিত হোৱা নাই। এই ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে। আৰক্ষীয়ে জনসাধাৰণক অনলাইন লেনদেনৰ ক্ষেত্ৰত সাৱধানতা অৱলম্বন কৰাৰ আহ্বান জনোৱাৰ লগতে চাইবাৰ অপৰাধৰ বিৰুদ্ধে অভিযান আগলৈও অব্যাহত থাকিব বুলি জানিবলৈ দিছে।

# ভূৰাগাঁৱৰ গেৰুৱাত ব্ৰজপাত পৰি এটি কিশোৰ নিহত

**অসম বাৰ্তা, ভূৰাগাঁও, ২২ জুলাই ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁও থানাৰ অন্তৰ্গত নিজগেৰুৱা আজি আবেলি ব্ৰজ পৰি এটি কিশোৰৰ মৃত্যু হয়। মৃত কিশোৰ টি নিজ গেৰুৱাৰ ৰবিন চৌহানৰ পুত্ৰ সুৰয চৌহান (১৪) বুলি জানিব পৰা গৈছে। পৰিয়ালৰ লোকৰ পৰা জানিব পৰা মতে বুধ বাৰে আবেলি ৪ মান বজাত কিশোৰ টিয়ে ওচৰৰ পথাৰত মাছ মাৰিবলৈ গৈছিল। সেই সময়তে অহা দোপালপিটা বৰষুণৰ মাজতে ব্ৰজ পৰি পথাৰতে ঢলি পৰে কিশোৰটি। পৰিয়ালৰ লোকে অচেতন অৱস্থাত কিশোৰটিক উদ্ধাৰ কৰি মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে কিশোৰ টিক মৃত ঘোষণা কৰে।

# অসম চৰকাৰৰ গ্ৰীষ্মকালীন সাংস্কৃতিক কৰ্মশালাই জগাই তুলিছে নতুন প্ৰজন্মৰ মাজত সংস্কৃতিৰ প্ৰতি আগ্ৰহ



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ২১ জুলাই ঃ** অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু মৰিগাঁও জিলা প্ৰশাসনৰ সহযোগত ১০ জুলাইৰ পৰা জিলাখনৰ বিভিন্ন বিধানসভা সমষ্টিত অনুষ্ঠিত হৈ থকা ১৫ দিনীয়া গ্ৰীষ্মকালীন সাংস্কৃতিক কৰ্মশালাসমূহ সফলতাৰে আৰু সুচাৰুৰূপে অব্যাহত আছে। আজি মৰিগাঁও জিলাৰ অতিৰিক্ত জিলা উপায়ুক্ত নীতিশা বৰা আৰু জিলা সাংস্কৃতিক উন্নয়ন বিষয়া অনুপ জ্যোতি ডেকাই মৰিগাঁও বিধানসভা সমষ্টিত অনুষ্ঠিত সত্ৰীয়া নৃত্য বিষয়ক কৰ্মশালা আৰু জাগীৰোড বিধানসভা সমষ্টিত অনুষ্ঠিত তিৱা লোকনৃত্য বিষয়ক কৰ্মশালাত উপস্থিত থাকি প্ৰশিক্ষণ কাৰ্যসূচী পৰ্যবেক্ষণ কৰে। তেওঁলোকে অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত-বিনিময় কৰাৰ লগতে তেওঁলোকক নিজস্ব সংস্কৃতি, পৰম্পৰা আৰু ঐতিহ্যৰ প্ৰতি অধিক আগ্ৰহী হ'বলৈ উৎসাহিত কৰে। উপস্থিত বিষয়াসকলে অংশগ্ৰহণকাৰী সকলক নিষ্ঠা, শৃংখলা আৰু আত্মবিশ্বাসেৰে নিজৰ প্ৰতিভা বিকাশ কৰিবলৈ অনুপ্ৰাণিত কৰাৰ লগতে ভৱিষ্যতেও সাংস্কৃতিক জগতৰ সৈতে জড়িত থাকি ৰাজ্য তথা জাতিৰ গৌৰৱ বৃদ্ধি কৰাৰ আহ্বান জনায়। লগতে তেওঁলোকে অংশগ্ৰহণকাৰী সকলক আশ্বাস দিয়ে যে, ভৱিষ্যততো এনে ইতিবাচক সাংস্কৃতিক পদক্ষেপ আৰু অনুষ্ঠানৰ জৰিয়তে তেওঁলোকৰ সৈতে সহযোগিতা আৰু সম্পৰ্ক অব্যাহত ৰাখিবলৈ চেষ্টা কৰা হ'ব। উল্লেখ্য যে, শিশু আৰু কিশোৰ-কিশোৰীসকলৰ সৃজনশীলতা, মানসিক উৎকৰ্ষ, সাংস্কৃতিক চেতনাৰ বিকাশ আৰু নিজস্ব ঐতিহ্যৰ সৈতে গভীৰ পৰিচয় গঢ়ি তোলাৰ লক্ষ্যৰে গ্ৰীষ্মকালীন বন্ধৰ সময়ত অসম চৰকাৰে এই বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। চৰকাৰৰ এই প্ৰশংসনীয় উদ্যোগলৈ ব্যাপক সঁহাৰি জনাই মৰিগাঁও জিলাৰ প্ৰতিখন কৰ্মশালাত বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে উৎসাহ আৰু উদ্যমেৰে অংশগ্ৰহণ কৰি থকাৰ দৃশ্য পৰিলক্ষিত হৈছে। এই অংশগ্ৰহণে ৰাজ্যৰ সমৃদ্ধ সংস্কৃতিৰ ধাৰাবাহিক সংৰক্ষণ আৰু নতুন প্ৰজন্মৰ মাজত সাংস্কৃতিক মূল্যবোধ গঢ়ি তোলাৰ ক্ষেত্ৰত এক আশাব্যঞ্জক ছবি দাঙি ধৰিছে।

## নৱেম্বৰ মাহত বিবাহ হোৱাৰ কথা আছিল যুৱকজনৰ; হত্যাৰ সন্দেহ সতীৰ্থ ব্যৱসায়ীৰ

# নগাঁৱৰ ডিমৰুগুৰিত যুৱকৰ মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা, পুৰণিগুদাম, ২১ জুলাই ঃ** নগাঁও চহৰৰ সমীপৰ ডিমৰুগুৰিত যোৱানিশা পুৰণি ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত এজন যুৱকক অতি সংকটজনক অৱস্থাত উদ্ধাৰ কৰাৰ পিছত একাংশ লোকে নগাঁও মেডিকেল কলেজ হস্পিতাললৈ নিয়ে যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। উদ্ধাৰ হোৱা যুৱকজন নগাঁৱৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত ভেৰভেৰী গাঁৱৰ পুতলা নাচৰ প্ৰখ্যাত শিল্পী উপেন বৰাৰ পুত্ৰ হিৰণ্য শৰ্মা (৩৭) বুলি জানিব পৰা গৈছে। যুৱকজনৰ এনে কৰুণ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে বৃহত্তৰ বঢ়মপুৰ অঞ্চলত চাঞ্চল্যৰ সৃষ্টি হোৱাৰ লগতে প্ৰতিক্ৰিয়াৰো সৃষ্টি হৈছে। ভেৰভেৰীৰ মহামৃত্যুঞ্জয় মন্দিৰৰ কাষত সাধাৰণ এখন দোকান দি জীৱিকা নিৰ্বাহ কৰি আছিল যুৱকজন। কালি সন্ধিয়া দোকান সামৰি নগাঁও চহৰত বজাৰ কৰিবলৈ আহিছিল হিৰণ্য শৰ্মা। ইয়াৰ কিছু সময়ৰ পিছতে এই মৰ্মান্তিক ঘটনাটো সংঘটিত হয়। হিৰণ্য শৰ্মাৰ দেহত আঘাতৰ চিন প্ৰত্যক্ষ কৰি তেওঁৰ সতীৰ্থ ব্যৱসায়ীসকলে এয়া এক হত্যাৰ ঘটনা বুলি সন্দেহ প্ৰকাশ কৰিছে। সেয়ে এই ঘটনাৰ উচিত তদন্ত বিচৰাৰ লগতে ঘটনাটোৰ লগত জড়িত সকলক কঠোৰ শাস্তি বিহিবলৈ মহামৃত্যুঞ্জয় মন্দিৰৰ সমীপৰ ব্যৱসায়ীসকলৰ লগতে ভেৰভেৰী অঞ্চলৰ ৰাইজে আৰক্ষী প্ৰশাসনক দাবী জনাইছে। উল্লেখ্য যে, নম্ৰ, সৰবৰহী যুৱকজনৰ অহা নৱেম্বৰ মাহত বিয়া হোৱাৰ কথা আছিল। মাহ-হালধি সানিবলৈ নৌপাওঁতেই যুৱকজন অকালতে অজান মুলুকলৈ গুচি গ'ল। যুৱকজনৰ এনে অকাল মৃত্যুত ভেৰভেৰী গাঁৱত শোকৰ ছাঁ পৰিছে। হিৰণ্য শৰ্মাৰ পৰিয়ালত এতিয়া হাহাকাৰ সদৃশ পৰিস্থিতি। একে অৱস্থা সৃষ্টি হৈছে বিয়াৰ কন্যা ঠিক হৈ থকা পৰিয়ালতো। মৰণোত্তৰ পৰীক্ষাৰ পিছত যুৱকজনৰ মৃতদেহ পৰিয়ালক চমজাই দিয়া হয়।

# ৰাজ্যত বান বিভিষীকাৰ মাজতেই ছৈখোৱাত হাতী-মানুহৰ সংঘাত; এজনৰ মৃত্যু

**অসম বাৰ্তা, ছৈখোৱা, ২২ জুলাই ঃ** তিনিচুকীয়া জিলাৰ ছৈখোৱা খণ্ড বন বিষয়াৰ কাৰ্য্যালয়ৰ অন্তৰ্গত বৰমূৰা মিৰিপথাৰ গাঁৱত আজি বনৰীয়া বন্যহস্তীৰ আক্ৰমণত এগৰাকী মহিলাই কৰুণ মৃত্যুক আকোৱালি লয়। প্ৰাপ্ত তথ্যমতে বৰমূৰা মিৰি পথাৰ গাঁৱৰ নিবাসী স্বামীহাৰা চাঞ্জ ওৰাং নামৰ এগৰাকী ৬০ উদ্ধৰ এগৰাকী মহিলাক পুৱা প্ৰায় ৪ বজাত বনৰীয়া হাতীয়ে হত্যা কৰে। ঘটনাৰ খবৰ পোৱা পিছতে ঘটনাস্থলীত আৰক্ষী তথা বনবিভাগৰ দ'ল উপস্থিত হৈ যাৱতীয় কাম-কাজ অভ্যাহত ৰখাৰ লগতে মৰনোত্তৰ পৰীক্ষাৰ বাবে তিনিচুকীয়ালৈ মৃতদেহটো পেৰণ কৰিছে। ডিব্ৰু ছৈখোৱাৰ পৰা পানীৰ প্ৰকোপত ওলাই অহা বনৰীয়া হাতীটোৱে ছৈখোৱাৰ বিভিন্ন স্থানত ঘূৰি ফুৰাটোৱেই এতিয়া সকলোৰে বাবে চিন্তনীয় বিষয় হৈ পৰিছে।

## বিপদসীমাৰ ওপৰেৰে ব্ৰহ্মপুত্ৰ; অফলামুখত সম্পূৰ্ণ বন্ধ ফেৰী সেৱা, কমলাবাৰীত সীমিত চলাচল

**অসম বাৰ্তা, উজনী মাজুলী, ২১ জুলাই ঃ** ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ বৃদ্ধি পাই বিপদসীমা অতিক্ৰম কৰাত যোৰহাট-মাজুলী জলপথৰ ফেৰী সেৱা অব্যাহত ৰখাত জটিলতা আহি পৰিছে। কালি জলপৃষ্ঠ বৃদ্ধি পোৱাৰ ফলত কমলাবাৰী আৰু অফলামুখ ঘাটৰ ফেৰী ৰেম্পসমূহ পানীত বুৰ যোৱাত দুয়োটা ঘাটেৰে ফেৰী চলাচল সীমিত কৰা হৈছিল। কিন্তু নিশাৰ ভিতৰতে ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ বিপদসীমা অতিক্ৰম কৰাত আজি আভ্যন্তৰীণ জল পৰিবহণ বিভাগে নিমাতি-অফলামুখ ঘাটৰ সকলো ধৰণৰ ফেৰী চলাচল সাময়িকভাৱে বন্ধ ৰাখে। আনহাতে, নিমাতি-কমলাবাৰী ঘাটতো আজি পুৱাৰ ভাগত যোৰহাট আৰু মাজুলী-দুয়োটা পাৰৰ সকলো নিয়মীয়া ফেৰী চলাচল বাতিল কৰা হয়। পিছত পৰিস্থিতিৰ কিছু উন্নতি ঘটাত বিভাগে দুপৰীয়া ১২ বজাৰ পৰা বিয়লি ৩.৪৫ বজাৰ ভিতৰত দুয়োটা পাৰৰ পৰা চাৰিখনকৈ চিংগল ইঞ্জিনৰ ফেৰী চলাচলৰ ব্যৱস্থা কৰে। এই ফেৰীসমূহত কেৱল যাত্ৰী আৰু দুচকীয়া বাহন পাৰাপাৰৰ অনুমতি দিয়া হয়। ইফালে, আজি বিয়লিৰ পৰা ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ সামান্য হ্ৰাস পোৱাৰ লক্ষণ দেখা গৈছে যদিও নদীখন এতিয়াও বিপদসীমাৰ ওপৰেদিয়েই বৈ আছে। বিভাগীয় সূত্ৰই জানিবলৈ দিয়া মতে, পৰিস্থিতি আৰু অধিক স্বাভাৱিক হ'লে কাইলৈ পুৱাৰ পৰাই কমলাবাৰী ঘাটেৰে কেৱল যাত্ৰী আৰু দুচকীয়া বাহনসহ চিংগল ইঞ্জিনৰ ফেৰী নিয়মীয়াকৈ চলাচল কৰোৱাৰ বাবে বিভাগ সাজু হৈ আছে। অৱশ্যে পৰৱৰ্তী সিদ্ধান্ত ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠৰ ওপৰত নিৰ্ভৰশীল হ'ব বুলিও বিভাগে স্পষ্ট কৰিছে।

# আমনিত ছাত্ৰ সন্থাৰ উদ্যোগত ছাত্ৰ সন্থাৰ সদস্য সদ্য প্ৰয়াত নয়নমণি বৰ্মন; ৰূপম বৰ্মনৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি সম্পন্ন

**অসম বাৰ্তা, চামতা, ২১ জুলাই ঃ** পশ্চিম নলবাৰীৰ চামতা অঞ্চলৰ আমনি গাঁৱৰ মাজৰ চুবুৰীৰ ৰাজহুৱা জগন্নাথ মন্দিৰ প্ৰাংগনত ৰবিবাৰে সন্ধিয়া পশ্চিম নলবাৰী অঞ্চলিক ছাত্ৰ সন্থা; আমনি শাখা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত সদ্য প্ৰয়াত শাখা ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সদস্য নয়নমণি বৰ্মন আৰু ৰূপম বৰ্মনৰ আত্মাৰ সদগতিৰ অৰ্থে ৰাজহুৱা স্মৃতিচাৰণ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। এই উপলক্ষে আবেলি প্ৰায় ৫ বজাত; যোৱা ৯ জুলাইত বুঢ়াদিয়া নৈত গা ধুবলৈগৈ অকালতে বিয়োগঘটা নয়নমণি বৰ্মন আৰু ৰূপম বৰ্মনৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে ক্ৰমে নয়নমণিৰ পিতৃ-মাতৃ উপেন বৰ্মন, ক্ষীৰোদা বৰ্মন, ৰূপমৰ পিতৃ-মাতৃ লৱ বৰ্মন, চন্দনা বৰ্মনে। এই অনুষ্ঠান উপস্থিত থাকে সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি নিৰুজউদ্দিন আহমদ, উপ সভাপতি দিগন্ত ভৰালী, সহকাৰী সাধাৰণ সম্পাদক পৰীক্ষিত কুমাৰ, বিশ্বজিত মল্ল বুজবৰুৱা, তথ্য সম্পাদক তন্ময় শৰ্মা, প্ৰচাৰ সম্পাদক কল্পমনি কাকতি। অৱসাৰী শিক্ষক ৰামচৰণ বৰ্মন, কামিনী কুমাৰ বৰ্মন, ভৰেন বৰ্মন, হৰিচৰণ শৰ্মা, পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ উপদেষ্টা ৰাজেন বৈশ্য, তপন কুমাৰ শৰ্মা, নলবাৰী জিলা বৰ্তাজিৱী সংঘৰ সম্পাদক ৰূপ কুমাৰ শৰ্মা। অনুষ্ঠানৰ আত ধৰে পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নয়ন জ্যোতি বৰ্মন, উপস্থিত থাকে পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক চহিদুল আলম আৰু পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়া সকল। অনুষ্ঠানত তিনিটা আয়তীৰ নাম দলে নাম পৰিৱেশন কৰে। সন্ধিয়া সমূহীয়া বন্তি প্ৰজ্বলন কাৰ্যসূচী মুকলি কৰে নলবাৰী জিলা সাংবাদিক সন্থাৰ কাৰ্যকৰী সভাপতি ৰাজেন বৈশ্যই। নিশা নাগাৰা নাম পৰিৱেশন কৰে চামতাৰে পাঠক কুশল দাসৰ দলে।

# শিপা, THE ROOTS ৰহাৰ উদ্যোগত মিষ্টাৰ ৰহিয়াল, মিচ্‌যমিচেছ ৰহিয়াল আৰু ডেনচিং ষ্টাৰ অফ অসম ২০২৬ অনুষ্ঠান অনুষ্ঠিত

## তিনি গৰাকী বিশিষ্ট ব্যক্তিক উওৰ পুৰুষৰ পথ পদৰ্শক বঁটা ২০২৬প্ৰদান

**অসম বাৰ্তা, ৰহা, ২১ জুলাই ঃ শিপা**, THE ROOTS, ৰহাৰ উদ্যোগত দেওবাৰে মহেন্দ্ৰ নাথ হাজৰিকা প্ৰেক্ষাগৃহত অনুষ্ঠিত মিষ্টাৰ ৰহিয়াল, মিচ/মিচেছ ৰহিয়াল আৰু ডেনচিং ষ্টাৰ অফ অসম২০২৬ আৰু নৃত্য প্ৰতিযোগিতাত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ডেৰ শতাধিক যুৱক যুৱতী আৰু শিশুসকলে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ লগতে সমস্ত ক্ষেত্ৰ গীত নৃত্যৰে মুখৰিত হৈ পৰে। উক্ত প্ৰতিযোগিতাখনিৰ বিচাৰকৰ আসন অলংকৃত কৰে জাগিৰোড মহাবিদ্যালয় সহ অধ্যাপক পাৰ্থপ্ৰতীম ডেকা আৰু নৃত্য সৰোজা২০২৬ বঁটা প্ৰাপক ৰাজশ্ৰী দাসে। বিচাৰকৰ ঘোষনাৰ পাছত বিজয়ী প্ৰতিযোগী সকলক নগধ ধন স্মাৰক আদিৰে খিতাপ প্ৰদান কৰা হয়। ৰহাৰ তিনিজন কৰ্মপ্ৰাণ যুৱক ক্ৰমে সঞ্জয় বৰা, অমৰজ্যোতি বৰা আৰু সঞ্জয় কুমাৰ মেধিৰ প্ৰচেষ্টাত গঢ় লৈ উঠা এই গাম্ভীৰ্যপূৰ্ণ শিপা অনুষ্ঠান টিয়ে ব্যক্তিক্ৰম ধৰ্মী শিশু অনুষ্ঠান অকণিৰ কবিতা ঘৰ, অসম কেন্দ্ৰীয় সমিতি, ৰহাৰ প্ৰধান পৰিচালক, শিশু প্ৰিয়, ৰাজ্য চৰকাৰৰ শিল্পী পেঞ্চন প্ৰাপক, সু-লেখক, প্ৰকৃতি প্ৰেমী অৱনী কুমাৰ শইকীয়া, যুৱ ব্যৱসায়ী, সমাজ সেৱক লগতে কেঁচা সোণৰ গহণা এজন উদ্যোগী ব্যক্তি উৎপল বনিয়া আৰু সংগীত শিল্পী, সাংস্কৃতিক কৰ্মী বিমান গাঁওখোৱাক উওৰ পুৰুষৰ পথ পদৰ্শক বঁটা ২০২৬ প্ৰদান কৰা উপৰিও ২০গৰাকী শিল্পীক নৃত্য সাধনা বঁটা২০২৬ প্ৰদান কৰি মহান চিন্তাৰ নিৰ্দশন দাঙি ধৰিলে। লগতে প্ৰায় ৫০ গৰাকী অতিথিক সম্বৰ্ধনা জনায়। ৰহাৰ সু ঘোষক ৰুবুল কুমাৰ দাসে আত ধৰা অনুষ্ঠান টি প্ৰথমে হিয়াৰ আমঠু জুবিন গাৰ্গ প্ৰতি ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি অনুষ্ঠান সমূহ আৰম্ভ কৰে। অনুষ্ঠানত শিপা, THE ROOTS ৰহাৰ সদস্য, সদস্যা সহ প্ৰতিযোগী আৰু তিনি শতাধিক দৰ্শক উপস্থিতত অনুষ্ঠান টি সফল সামৰণি পৰে আৰু শিপা THE ROOTS ৰহাৰ কৰ্ম সকলোৱে শলাগ জ্ঞাপন কৰে।

## জিলা প্ৰশাসন আৰু বিভাগীয় বিষয়াসকলৰ সৈতে বান পৰিস্থিতি সন্দৰ্ভত আয়োজিত পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ

# বান পৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যে শিৱসাগৰ জিলা পৰিদৰ্শন ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্তৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ২১ জুলাই ঃ** শিৱসাগৰ জিলাত সাম্প্ৰতিক বান পৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যে জিলাখনত উপস্থিত হোৱা অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু জলবায়ু পৰিৱৰ্তন আৰু সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই আজি বিয়লি শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ চুকাফা সভাকক্ষত জিলা প্ৰশাসন আৰু জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ বিষয়াবৰ্গৰ সৈতে এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। মন্ত্ৰী গৰাকীয়ে অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী তথা শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী বিমল বড়া, অসম চৰকাৰৰ জলসম্পদ আৰু ন্যায় বিভাগৰ মন্ত্ৰী সুশান্ত বৰগোহাঁই, শিৱসাগৰৰ জিলা আয়ুক্ত মৃদুল য়াদৱ, জিলা প্ৰশাসনৰ জ্যেষ্ঠ বিষয়াসকল আৰু জিলাখনৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলে অংশগ্ৰহণ কৰা এই বৈঠকত নাজিৰা, ডিমৌ আৰু শিৱসাগৰ বিধানসভা সমষ্টিসহ সমগ্ৰ জিলাখনতে কালিৰে পৰা উদ্ভৱ হোৱা বান পৰিস্থিতিৰ সামগ্ৰিক পৰ্যালোচনা কৰে। বৈঠকত বানাক্ৰান্ত সকলৰ উদ্ধাৰ অভিযান, আশ্ৰয় শিবিৰসমূহৰ ব্যৱস্থাপনা, বানাক্ৰান্ত ৰাইজৰ মাজত সাহায্য বিতৰণ, জৰুৰী চিকিৎসা সেৱা প্ৰদান আদি বিষয়সমূহ বিতংভাৱে আলোচনা কৰা হয়। বানাক্ৰান্ত প্ৰতিগৰাকী লোকৰ ওচৰলৈ যাতে সময়মতে খাদ্য, বিশুদ্ধ খোৱা পানী, চিকিৎসা সেৱা আৰু অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰী নিশ্চিতভাৱে উপলব্ধ হয়, সেই দিশত কোনোধৰণৰ ত্ৰুটি নাৰাখিবলৈ সংশি-ষ্ট বিভাগসমূহক মন্ত্ৰী গৰাকীয়ে দিহা- নিৰ্দেশনা প্ৰদান কৰে। বৈঠকত অতিৰিক্ত জিলা আয়ুক্তসকল ক্ৰমে মীনাক্ষী পেৰ্মে, লুকুমণি বড়া, সোণতৃষ্ণা ঘৰফলীয়া আৰু গৌৰীপ্ৰিয়া দেউৰী, সহকাৰী আয়ুক্তত্ৰয় নীলাক্ষী ভূঞা, অন্বেষা ঠাকুৰ আৰু গণেশ চন্দ্ৰ বড়ো, বিশিষ্ট সমাজকৰ্মী বিতোপন ৰাইদঙীয়া প্ৰমুখ্যে আৰক্ষী, অসামৰিক প্ৰতিৰক্ষা, এছডিআৰএফৰ লগতে সংশি-ষ্ট চৰকাৰী বিভাগসমূহৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

# নীট প্ৰশ্নকাকত ফাদিল প্ৰতিবাদৰ

বৰ্বৰতাৰ অভিযোগ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ত দাখিল কৰা আবেদন খাৰিজ হৈছে। মুখ্য ন্যায়াধীশ সূৰ্য কান্তই এই আবেদনৰ জৰুৰী শুনানি গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে আৰু অধিবক্তাক কটু ভাষাত উপদেশ দিয়ে যে সময় নষ্ট নকৰিব আৰু ভিডিঅ' চাবলৈ তেওঁলোকৰ আগ্ৰহ নাই। ক'কৰোচ্ছ জনতা পাৰ্টীৰ নেতৃত্বত প্ৰতিবাদৰ সময়ত আৰক্ষীয়ে প্ৰতিবাদকাৰীৰ ওপৰত কৰা আক্ৰমণৰ অভিযোগ উত্থাপন কৰি এজন অধিবক্তাই মুখ্য ন্যায়াধীশৰ নেতৃত্বত গঠিত বিচাৰপীঠৰ পৰ্যবেক্ষণ বিচাৰি আবেদন দাখিল কৰিছিল। ন্যায়াধীশ জয়মাল্য বাগচী আৰু ভি মোহনাৰে গঠিত বিচাৰপীঠখনৰ সন্মুখত অধিবক্তাই প্ৰতিবাদকাৰীৰ বিৰুদ্ধে কন্দুৱা গেছ আৰু অন্যান্য ব্যৱস্থা গ্ৰহণ কৰা বুলি দাবী কৰি আদালতৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ প্ৰয়াস কৰে। কিন্তু মুখ্য ন্যায়াধীশে অধিবক্তাজনক উদ্দেশ্যি কয়, "আমাৰ আৰু আপোনাৰ সময় নষ্ট নকৰিব। আপোনাৰ সময় আমাৰ তুলনাত অধিক মূল্যৱান।" অধিবক্তাই নীট পৰীক্ষা বিনামূলীয়া আৰু ন্যায্য কৰাৰ লগতে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা ভংগ কৰাৰ দাবী উত্থাপন কৰি ছাত্ৰ-ছাত্ৰীসকলৰ কাতৰ আবেদন আদালতলৈ উত্থাপন কৰে। অৱশ্যে মুখ্য ন্যায়াধীশে স্পষ্ট কৰি দিয়ে যে বিচাৰপীঠে তেওঁ দাখিল কৰা তথ্যসমূহ বিবেচনা কৰিবলৈ আগ্ৰহী নহয়। অধিবক্তাই প্ৰতিবাদকাৰীক নিৰ্মমভাৱে প্ৰহাৰ কৰাৰ লগতে তেওঁলোকৰ বিৰুদ্ধে বেআইনী ব্যৱস্থা গ্ৰহণ কৰাৰ অভিযোগ উত্থাপন কৰি কয়, "মোৰ হাতত (প্ৰতিবাদ সন্দৰ্ভত) ভিডিঅ' আছে।" প্ৰত্যুত্তৰত মুখ্য ন্যায়াধীশে কয়, "আমি ভিডিঅ'ৰ প্ৰতি আগ্ৰহী নহয় আৰু চাবলৈও সময় নাই।" ইফালে, এই ঘটনাক লৈ উচ্চতম ন্যায়ালয়ৰ বাৰ এছ'চিয়েশ্বনে এক প্ৰস্তাৱযোগে ছাত্ৰ-ছাত্ৰীৰ ওপৰত লাঠীচালনাৰ তীব্ৰ গৰিহণা জনায়। প্ৰস্তাৱত কোৱা হয়, "এই ঘটনাৰ সময়ত এছ'চিয়েশ্বনৰ সদস্যসকলো আহত হয়। ছাত্ৰ-ছাত্ৰী আৰু বাৰৰ সদস্যৰ বিৰুদ্ধে অত্যধিক আৰু অসমতাপূৰ্ণ শক্তিৰ ব্যৱহাৰ গভীৰভাৱে বিৰক্তিকৰ আৰু গণতান্ত্ৰিক সমাজত সম্পূৰ্ণৰূপে অগ্ৰহণযোগ্য।" বাৰ এছ'চিয়েশ্বনে সংশ্লিষ্ট কৰ্তৃপক্ষক এই ঘটনাৰ তাৎক্ষণিক আৰু নিৰপেক্ষ তদন্ত কৰি, অত্যধিক বল প্ৰয়োগৰ বাবে দোষীসকলক চিনাক্ত কৰি আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। লগতে সকলো আহত ছাত্ৰ-ছাত্ৰী আৰু আইনী সেৱাৰ সদস্যৰ বাবে উপযুক্ত চিকিৎসা আৰু সাহায্য নিশ্চিত কৰিবলৈ দাবী জনাইছে, আৰু এনেধৰণৰ কাণ্ডৰ পুনৰাবৃত্তি ৰোধৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈও অনুৰোধ জনাইছে।

## নগাঁৱত বাল্য বিবাহ কৰি পদ হেৰুৱালে নিৰ্বাচিত ৱাৰ্ড মেম্বাৰে

**অসম বাৰ্তা, পুৰণিগুদাম, ২২ জুলাই ঃ** বাল্য বিবাহত জড়িত হৈ গাঁও পঞ্চায়তৰ ৱাৰ্ড সদস্য পদ হেৰুৱালে নগাঁও জিলাৰ মহেৰিপাৰ গাঁও পঞ্চায়তৰ সদস্য আজিজুৰ ৰহমানে। জিলাখনৰ বগৰিগুৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত উক্ত গাঁও পঞ্চায়তৰ ৪ নং ৱাৰ্ডৰ নিৰ্বাচিত সদস্যজনে নিৰ্বাচনৰ সময়ত নথি জালিয়াতি কৰাৰ অভিযোগ উত্থাপন হোৱাত জিলা আয়ুক্তৰ নিৰ্দেশক্ৰমে কৰা তদন্তত এই কথা স্পষ্ট হয় যে, তেওঁ নাবালক অৱস্থাতে এটি সন্তানৰ পিতৃ হৈছিল। নথি পৰীক্ষাত দেখা গ'ল যে, তেওঁৰ জন্ম হৈছিল ১৯৯৯ চনৰ ৩১ জানুৱাৰীত আৰু তেওঁৰ প্ৰথম সন্তানৰ জন্ম হৈছিল ২০১৬ চনৰ ৭ আগষ্টত। জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, খণ্ড উন্নয়ন বিষয়াৰ প্ৰতিবেদনৰ উপৰি সহকাৰী আয়ুক্তৰ তদন্তত এই কথা স্পষ্ট হৈ পৰাত জিলা আয়ুক্ত দেৱাশিস শৰ্মাই জাৰী কৰা এক আদেশ মৰ্মে তেওঁৰ সদস্যপদ খাৰিজ কৰে। বৰ্তমান উক্ত ৱাৰ্ডটো খালী হৈ থকা বুলি ঘোষণা কৰা হৈছে।

# মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান, নিযুত মইনা আৰু অৰুণোদয় আঁচনিয়ে আৰ্থিক সুৰক্ষা আৰু অৰ্থনৈতিক সৱলীকৰণৰ জৰিয়তে মহিলাসকলৰ মৰ্যাদাপূৰ্ণ জীৱন নিশ্চিত কৰিছেঃ মন্ত্ৰী পীয়ূষ হাজৰিকা




মহিলাৰ অধিক অংশগ্ৰহণৰ উদাহৰণ দাঙি ধৰি মন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ মহিলাসকলক অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ'বলৈ আৰু অসমৰ অৰ্থনীতিত অধিক অৱদান আগবঢ়াবলৈ এই চৰকাৰী পদক্ষেপসমূহৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। নগাঁও সংসদীয় সমষ্টিৰ উন্নয়ন ত্বৰান্বিত কৰাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি মন্ত্ৰী হাজৰিকাই ৰাইজক বৰ্তমানৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক সমৰ্থন জনাবলৈ আহ্বান জনায় যাতে আন্তঃগাঁথনি, শিক্ষা, স্বাস্থ্য আৰু মহিলা সৱলীকৰণৰ ক্ষেত্ৰত দ্ৰুতগতিত সৰ্বাংগীণ উন্নয়ন সাধন কৰিব পৰা যায়। চৰকাৰী পদক্ষেপসমূহৰ পৰা ৰাইজে যাতে সৰ্বাধিক লাভালাভ আদায় কৰিব পাৰে তাৰ বাবে জনপ্ৰতিনিধি নিৰ্বাচনৰ ক্ষেত্ৰত অধিক সজাগ হ'বলৈকো তেওঁ নাগৰিকসকলক আহ্বান জনায়। আজিৰ দুয়োখন সভাতে বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী, নগাঁৱৰ জিলা আয়ুক্ত দেৱাশিস শৰ্মাকে ধৰি আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## সম্পাদকীয়

# শিক্ষা ব্যৱস্থা আৰু যন্তৰ মন্তৰৰ প্ৰতিবাদ

দিল্লীৰ ঐতিহাসিক যন্তৰ মন্তৰ প্ৰাঙ্গণ। য'ত এসময়ত জ্যোতিৰ্বিজ্ঞানৰ যন্ত্ৰসমূহে সময় আৰু ঋতুৰ গতি নিৰ্ণয় কৰিছিল, আজি সেই একেই স্থান হৈ পৰিছে দেশৰ শিক্ষাব্যৱস্থাৰ ভৱিষ্যৎ নিৰ্ণয়ৰ এক কৰুণ প্ৰতিচ্ছবি। 'ক'কৰোচ জনতা পাৰ্টি' (CJP)ৰ প্ৰতিষ্ঠাপক অভিজিৎ দীপকেৰ নেতৃত্বত আৰু পৰিৱেশ কৰ্মী সোণম ৱাংচুকৰ সমৰ্থনত আৰম্ভ হোৱা এই অনশন আন্দোলনে আজি দেশৰ শিক্ষা ব্যৱস্থাৰ গভীৰ সংকটৰ স্পষ্ট ইংগিত দিছে। এই আন্দোলন কোনো ক্ৰীড়ামূলক প্ৰতিবাদ নহয়- ই হৈছে হতাশাৰ চৰম অভিব্যক্তি।

এই প্ৰতিবাদৰ মূল দাবী দুটা স্পষ্ট আৰু যুক্তিসংগত- কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগ আৰু দুৰ্নীতি মুক্ত শিক্ষা ব্যৱস্থা গঢ়ি তোলা। দাবী দুটা ইমানেই মৌলিক যে ইয়াক অমূলক বুলি উৰাই দিয়াৰ কোনো সুযোগ নাই। শিক্ষা ব্যৱস্থা যেতিয়া দুৰ্নীতিৰ বলি হয়, তেতিয়া সেইটো কেৱল এখন বিভাগৰ সমস্যা নহয়, ই সৰ্বস্বান্ত হৈ পৰে। দেশৰ ভৱিষ্যৎ প্ৰজন্ম যেতিয়া সঠিক শিক্ষা লাভ কৰিবলৈ ৰাস্তালৈ নামি আহে, তেতিয়া বুজিব লাগিব যে ব্যৱস্থাটোত ক'ৰবাত গভীৰ ত্ৰুটি আছে। আন্দোলনে ইতিমধ্যে দিল্লীৰ সীমা অতিক্ৰম কৰি আগৰতলা, মেদিনীপুৰকেৰালাকে ধৰি দেশৰ বিভিন্ন প্ৰান্তলৈ বিস্তাৰ লাভ কৰিছে। বামপন্থী ছাত্ৰ-ছাত্ৰীসংগঠনসমূহেও এই আন্দোলনক সমৰ্থন জনাই অনশন আৰম্ভ কৰিছে। ইয়াৰ অৰ্থ হ'ল এইটো কেৱল কোনো এখন বিশেষ ৰাজনৈতিক দল বা সংগঠনৰ আন্দোলন নহয়; ই হৈছে দেশৰ শিক্ষাৰ্থী আৰু শিক্ষানুৰাগী সকলো মহলৰ যৌথ ক্ষোভৰ প্ৰতিফলন।

অৱশ্যে, এই আন্দোলনৰ কিছুমান দিশে উদ্বেগৰো সৃষ্টি কৰিছে। 'ক'কৰোচ জনতা পাৰ্টি'ৰ দৰে নতুন সংগঠনৰ হঠাৎ আবিৰ্ভাৱ আৰু ইয়াৰ পদ্ধতিসমূহ সম্পৰ্কে সন্দেহ থকাটো স্বাভাৱিক। কিন্তু এই সন্দেহই আন্দোলনৰ মূল দাবীবোৰক অগ্ৰাহ্য কৰাৰ যুক্তি হ'ব নোৱাৰে। চৰকাৰী মহলৰ নীৰৱতাই এই পৰিস্থিতিত অধিক উদ্বেগজনক। শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পৰা এতিয়ালৈকে কোনো স্পষ্টীকৰণ বা সমাধানমূলক পদক্ষেপ নাহিল। এনে নীৰৱতাক আন্দোলনকাৰীসকলে অগ্ৰাহ্যতাৰ চিন হিচাপে গণ্য কৰাটো স্বাভাৱিক। আৰক্ষীৰ দমন-পীড়নৰ অভিযোগে পৰিস্থিতিক অধিক জটিল কৰি তুলিছে। শান্তিপূৰ্ণ প্ৰতিবাদ দমন কৰাৰ পৰিৱৰ্তে চৰকাৰে আলোচনালৈ আহিব লাগে। ভাৰতৰ শিক্ষাব্যৱস্থা এটা যন্ত্ৰৰ দৰে জটিল। কিন্তু এই যন্ত্ৰৰ প্ৰতিটো স্প্ৰিং হৈছে এজন জীৱন্ত মানুহ-এজন শিক্ষাৰ্থী, এজন শিক্ষক, এজন অভিভাৱক। যেতিয়া এই মানুহবোৰে যন্ত্ৰটোৰ ত্ৰুটিৰ বাবে নিজৰ অস্তিত্ব সংকটত পৰে, তেতিয়া তেওঁলোকৰ প্ৰতিবাদক আমি কেৱল ৰাজনৈতিক অংশ বুলি নাভাবি গভীৰতাৰে বিচাৰ কৰা উচিত।

যন্তৰ মন্তৰৰ এই প্ৰতিবাদে আমাক সোঁৱৰাই দিয়ে যে শিক্ষা কেৱল পুথি-পাতিৰ মাজত সীমাবদ্ধ নহয়। শিক্ষা হ'ল জ্ঞানৰ পোহৰ, চিন্তাৰ স্বাধীনতা, আৰু ভৱিষ্যতৰ সম্ভাৱনা। এই পোহৰ নুমাই যোৱাৰ পূৰ্বেই, এই স্বাধীনতা খৰ্ব নোহোৱাৰ পূৰ্বেই, আমাক গভীৰভাৱে চিন্তা কৰিবলৈ সময় আহি পাইছে। শিক্ষামন্ত্ৰীৰ পদত্যাগ হওক বা নহওক, শিক্ষা ব্যৱস্থাটো সংস্কাৰৰ প্ৰয়োজন- এই কথাটো আজি প্ৰতিদিনৰ সত্য হৈ পৰিছে।



# কূটনীতিৰ নতুন দিগন্ত

*ভাৰতৰ সেউজ শক্তিৰ প্ৰসাৰ আৰু প্ৰযুক্তি গত বিকাশৰ বাবে ইণ্ডোনেছিয়াৰ সৈতে এই খনিজ পদাৰ্থসমূহৰ আদান-প্ৰদান এক যুগান্তকাৰী পদক্ষেপ হিচাপে পৰিগণিত হ'ব। ইয়াৰ উপৰিও, যোগকৰ্তাত থকা ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ প্ৰাম্বানান মন্দিৰ পৰিদৰ্শনে দুয়োখন দেশৰ মাজত থকা প্ৰাচীন কালৰ সাংস্কৃতিক আৰু ঐতিহাসিক সম্পৰ্কক পুনৰুজ্জীৱিত কৰি তুলিলে। ইণ্ডোনেছিয়াৰ পাছতে প্ৰধানমন্ত্ৰী মোদীয়ে অষ্ট্ৰেলিয়াৰ মেলবৰ্ণত উপস্থিত হৈ অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এন্থনি আলবানিজৰ সৈতে তৃতীয়খন বাৰ্ষিক শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰে। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত দীৰ্ঘদিন ধৰি এক মধুৰ সম্পৰ্ক বৰ্তি আছে, আৰু এই ভ্ৰমণে সেই সম্পৰ্কক প্ৰতিৰক্ষা, অৰ্থনীতি আৰু প্ৰযুক্তিৰ দিশত অধিক শক্তিশালী কৰি তুলিলে। দুয়োগৰাকী নেতাই সন্মিলনৰ অন্তত প্ৰতিৰক্ষা আৰু নিৰাপত্তা সহযোগিতাৰ ক্ষেত্ৰত এখন যুটীয়া ঘোষণাপত্ৰ প্ৰকাশ কৰে, যিয়ে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত দুয়োখন দেশৰ সামৰিক সহযোগিতা আৰু আন্তঃকাৰ্যক্ষমতা বৃদ্ধি কৰাত সহায় কৰিব।*



চন্দন কুমাৰ নাথ

সাম্প্ৰতিক বিশ্বৰ ভূ-ৰাজনৈতিক প্ৰেক্ষাপটত ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলটোৱে এক কেন্দ্ৰীয় ভূমিকা গ্ৰহণ কৰিছে। এই অঞ্চলৰ নিৰাপত্তা, অৰ্থনীতি আৰু সামুদ্ৰিক সুৰক্ষা সুনিশ্চিত কৰাৰ লক্ষ্যৰে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৬ চনৰ ৬ জুলাইৰ পৰা ১১ জুলাইলৈ ইণ্ডোনেছিয়া, অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডৰ যি ঐতিহাসিক ত্ৰি-দেশীয় ভ্ৰমণ সম্পন্ন কৰিলে, সেয়া ভাৰতৰ বৈদেশিক নীতিৰ এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে পৰিগণিত হৈছে। এই ভ্ৰমণৰ গভীৰতা আৰু প্ৰভাৱ মূল্যায়ন কৰিলে স্পষ্ট হৈ পৰে যে এয়া কেৱল এক গতানুগতিক আনুষ্ঠানিক ভ্ৰমণ নাছিল; বৰঞ্চ এয়া আছিল ভাৰতৰ 'এক্ট ইষ্ট পলিচি' আৰু 'মহাসাগৰ' দৃষ্টিভংগীক বাস্তৱায়িত কৰাৰ এক সুচিন্তিত ৰাজনৈতিক আৰু কৌশলগত পদক্ষেপ। 'বিকশিত ভাৰত ২০৪৭'ৰ যি লক্ষ্য ভাৰত চৰকাৰে নিৰ্ধাৰণ কৰিছে, সেই সপোনক বাস্তৱ ৰূপ দিয়াৰ ক্ষেত্ৰত এই ভ্ৰমণে এক সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব।

বৰ্তমান সময়ত বিশ্ব বাণিজ্যৰ এক বৃহৎ অংশ ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলেদি পৰিচালিত হয়। আনহাতে, এই অঞ্চলত চীনৰ বৰ্ধিত আগ্ৰাসন আৰু প্ৰভাৱ বিস্তাৰৰ প্ৰচেষ্টাই চুবুৰীয়া দেশসমূহৰ লগতে সমগ্ৰ বিশ্বৰ বাবেই এক নিৰাপত্তাজনিত প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। এনে এক স্পৰ্শকাতৰ পৰিস্থিতিত এখন মুক্ত, মুকলি আৰু সৰ্বোত্তম নিয়মাৱলীৰ ওপৰত আধাৰিত ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চল গঢ়ি তোলাটো ভাৰতৰ অন্যতম প্ৰধান লক্ষ্য। প্ৰধানমন্ত্ৰী মোদীৰ এই ভ্ৰমণে পূব আৰু দক্ষিণ ভাৰত মহাসাগৰৰ লগতে প্ৰশান্ত মহাসাগৰীয় অঞ্চলত ভাৰতৰ উপস্থিতি আৰু প্ৰভাৱ শক্তিশালী কৰি তুলিছে। নিৰাপত্তা, অৰ্থনৈতিক বিকাশ আৰু সামুদ্ৰিক বাণিজ্যৰ ক্ষেত্ৰত পাৰস্পৰিক সহযোগিতা বৃদ্ধি কৰাৰ যি বাৰ্তা ভাৰতে এই ভ্ৰমণৰ জৰিয়তে প্ৰেৰণ কৰিলে, সেয়া সমগ্ৰ এছিয়া মহাদেশৰ ভূ-ৰাজনীতিক প্ৰভাৱিত কৰিবলৈ সক্ষম। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদীয়ে ইণ্ডোনেছিয়া ভ্ৰমণ কৰে, যিখন দেশ আছিয়ান (ASEAN) ভুক্ত ৰাষ্ট্ৰসমূহৰ ভিতৰত ভাৰতৰ দ্বিতীয় সৰ্ববৃহৎ বাণিজ্যিক অংশীদাৰ। ২০১৮ চনত দুয়োখন দেশৰ মাজত গঢ়ি উঠা 'সৰ্বাত্মক কৌশলগত অংশীদাৰিত্ব'ৰ পাছত এয়া আছিল প্ৰধানমন্ত্ৰীৰ প্ৰথমখন দ্বিপাক্ষিক ভ্ৰমণ। ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰাবোও ছুবিয়ান্তোৰ সৈতে হোৱা বৈঠকত প্ৰতিৰক্ষা, সামুদ্ৰিক নিৰাপত্তা, খাদ্য সুৰক্ষা আৰু ডিজিটেল অৰ্থনীতিৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰত বিশদভাৱে আলোচনা কৰা হয়। প্ৰতিৰক্ষা খণ্ডত ভাৰত আৰু ইণ্ডোনেছিয়াৰ মাজত ক্ৰমান্বয়ে বৃদ্ধি পোৱা সহযোগিতাই এক নতুন মাত্ৰা লাভ কৰিছে। বিশেষকৈ ব্ৰহ্মোছ মিছাইলৰ দৰে অস্ত্ৰশস্ত্ৰ আৰু ইণ্ডিয়ান অ'চেন ৰিজিঅ'নৰ ইনফৰ্মেচন ফিউজন চেণ্টাৰত ইণ্ডোনেছিয়াৰ লিয়াজোঁ বিষয়াৰ নিযুক্তিৰ জৰিয়তে দুয়োখন দেশৰ সামুদ্ৰিক নিৰাপত্তা ব্যৱস্থা অধিক সুদৃঢ় হৈ পৰিছে। অৰ্থনৈতিক আৰু বাণিজ্যিক দিশৰ লগতে এই ভ্ৰমণে গুৰুত্বপূৰ্ণ খনিজ পদাৰ্থৰ যোগান শৃংখল সুৰক্ষিত কৰাৰ ক্ষেত্ৰতো বিশেষ গুৰুত্ব আৰোপ কৰিছে। বিশ্বৰ প্ৰায় একুৰি শতাংশ নিকেল মজুত থকা ইণ্ডোনেছিয়া বেটাৰী নিৰ্মাণ আৰু বৈদ্যুতিক বাহনৰ উদ্যোগৰ বাবে এক গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰ। ভাৰতৰ সেউজ শক্তিৰ প্ৰসাৰ আৰু প্ৰযুক্তিগত বিকাশৰ বাবে ইণ্ডোনেছিয়াৰ সৈতে এই খনিজ পদাৰ্থসমূহৰ আদান-প্ৰদান এক যুগান্তকাৰী পদক্ষেপ হিচাপে পৰিগণিত হ'ব। ইয়াৰ উপৰিও, যোগকৰ্তাত থকা ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ প্ৰাম্বানান মন্দিৰ পৰিদৰ্শনে দুয়োখন দেশৰ মাজত থকা প্ৰাচীন কালৰ সাংস্কৃতিক আৰু ঐতিহাসিক সম্পৰ্কক পুনৰুজ্জীৱিত কৰি তুলিলে। ইণ্ডোনেছিয়াৰ পাছতে প্ৰধানমন্ত্ৰী মোদীয়ে অষ্ট্ৰেলিয়াৰ মেলবৰ্ণত উপস্থিত হৈ অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এন্থনি আলবানিজৰ সৈতে তৃতীয়খন বাৰ্ষিক শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰে। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত দীৰ্ঘদিন ধৰি এক মধুৰ সম্পৰ্ক বৰ্তি আছে, আৰু এই ভ্ৰমণে সেই সম্পৰ্কক প্ৰতিৰক্ষা, অৰ্থনীতি আৰু প্ৰযুক্তিৰ দিশত অধিক শক্তিশালী কৰি তুলিলে। দুয়োগৰাকী নেতাই সন্মিলনৰ অন্তত প্ৰতিৰক্ষা আৰু নিৰাপত্তা সহযোগিতাৰ ক্ষেত্ৰত এখন যুটীয়া ঘোষণাপত্ৰ প্ৰকাশ কৰে, যিয়ে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত দুয়োখন দেশৰ সামৰিক সহযোগিতা আৰু আন্তঃকাৰ্যক্ষমতা বৃদ্ধি কৰাত সহায় কৰিব। ইয়াৰ লগতে অসামৰিক পাৰমাণৱিক শক্তি, সামুদ্ৰিক সুৰক্ষা আৰু গুৰুত্বপূৰ্ণ খনিজ পদাৰ্থৰ ক্ষেত্ৰত স্বাক্ষৰিত হোৱা চুক্তি সমূহে ভাৰতৰ অৰ্থনীতিক এক শক্তিশালী ভেটি প্ৰদান কৰিব। ভাৰত-অষ্ট্ৰেলিয়া মুখ্য কাৰ্যবাহী বিষয়াৰ ফ'ৰামত প্ৰধানমন্ত্ৰীৰ অংশগ্ৰহণ আৰু দুয়োখন দেশৰ আগশাৰীৰ ব্যৱসায়িক নেতাসকলৰ সৈতে হোৱা মত বিনিময়ৰ জৰিয়তে বিনিয়োগ আৰু বাণিজ্যৰ নতুন পথ মুকলি কৰা হৈছে। অষ্ট্ৰেলিয়াত বসবাস কৰা বৃহৎ সংখ্যক প্ৰবাসী ভাৰতীয়ৰ সৈতে হোৱা মতবিনিময়ে দুয়োখন দেশৰ মাজত মানৱীয় আৰু সামাজিক সম্পৰ্কৰ সেতুখন অধিক মজবুত কৰিলে।

প্ৰধানমন্ত্ৰী মোদীৰ এই ভ্ৰমণৰ আটাইতকৈ উল্লেখনীয় আৰু ঐতিহাসিক দিশটো আছিল নিউজিলেণ্ড ভ্ৰমণ। যোৱা প্ৰায় চল্লিছ বছৰৰ পাছত এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীয়ে নিউজিলেণ্ড ভ্ৰমণ কৰাটোৱে ভাৰতৰ প্ৰশস্ত বৈদেশিক নীতিৰ স্বাক্ষৰ বহন কৰিছে। অকলেণ্ডত নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্টোফাৰ লা'নৰ সৈতে হোৱা বৈঠকত দুয়োখন দেশৰ সম্পৰ্কক 'কৌশলগত অংশীদাৰিত্ব'লৈ উন্নীত কৰা হয়। ভাৰত আৰু নিউজিলেণ্ডৰ মাজত শেহতীয়াকৈ স্বাক্ষৰিত হোৱা মুক্ত বাণিজ্য চুক্তিৰ পটভূমিত এই ভ্ৰমণে বাণিজ্যিক লেনদেনৰ ক্ষেত্ৰত এক নতুন শক্তি প্ৰদান কৰিছে। এই চুক্তিৰ অধীনত নিউজিলেণ্ডৰ ৯৫ শতাংশ সামগ্ৰীৰ ওপৰত শুল্ক ৰেহাই আৰু ৰেলিংটনৰ পৰা ২০ বিলিয়ন ডলাৰৰ বিনিয়োগৰ প্ৰতিশ্ৰুতিয়ে ভাৰতৰ অৰ্থনীতিলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে। নিউজিলেণ্ড ভ্ৰমণৰ সময়ত প্ৰতিৰক্ষা, সামুদ্ৰিক নিৰাপত্তা, দুৰ্যোগ ব্যৱস্থাপনা, কৃষি, শিক্ষা, আৰু ক্ৰীড়াকে ধৰি ১৮টা গুৰুত্বপূৰ্ণ ক্ষেত্ৰত চুক্তি স্বাক্ষৰিত হয়। বিশেষকৈ কৃষি খণ্ডত উৎপাদনশীলতা বৃদ্ধিৰ বাবে গ্ৰহণ কৰা 'কিৱিফ্ৰুট একচন প্লেন' আৰু নাগালেণ্ড তথা উত্তৰাখণ্ডত স্থাপন হ'বলগীয়া দুটা উৎকৃষ্টতা কেন্দ্ৰই ভাৰতৰ কৃষিক্ষেত্ৰত প্ৰযুক্তিগত উদ্ভাৱন আৰু দক্ষতা বিকাশৰ পথ প্ৰশস্ত কৰিব। আনহাতে, নিউজিলেণ্ডে ইণ্ডো-পেচিফিক অ'চেনছ ইনিচিয়েটিভৰ সামুদ্ৰিক নিৰাপত্তা স্তম্ভত যোগদান কৰাটোৱে এই অঞ্চলত অবৈধ মাছমৰীয়া কাৰ্যকলাপ ৰোধ কৰা আৰু পাৰস্পৰিক তথ্য আদান-প্ৰদানৰ ক্ষেত্ৰত এক শক্তিশালী মিত্ৰতাৰ ইংগিত দিছে। পৰম্পৰাগত মাওৰী আদৰণিৰে আৰম্ভ হোৱা এই ভ্ৰমণে ভাৰত আৰু নিউজিলেণ্ডৰ সাংস্কৃতিক আৰু মানৱীয় সম্পৰ্ককো এক নতুন উচ্চতালৈ লৈ গৈছে। ভাৰতৰ একবিংশ শতিকাৰ দৃষ্টিভংগী কেৱল নিজৰ ভৌগোলিক সীমাৰ ভিতৰতে আৱদ্ধ নহয়। এখন আত্মনিৰ্ভৰশীল আৰু শক্তিশালী ভাৰত গঢ়িবলৈ হ'লে গোলকীয় মঞ্চত ভাৰতৰ অংশীদাৰিত্ব আৰু প্ৰভাৱ নিশ্চিত কৰাটো অপৰিহাৰ্য। এই ত্ৰি-দেশীয় ভ্ৰমণৰ জৰিয়তে ভাৰতে কেৱল বাণিজ্যিক আৰু প্ৰতিৰক্ষা সম্পৰ্কই সুদৃঢ় কৰা নাই, বৰঞ্চ এছিয়া-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ এক নিৰ্ভৰযোগ্য আৰু শক্তিশালী গণতান্ত্ৰিক মিত্ৰ হিচাপে নিজৰ স্থিতি স্পষ্ট কৰিছে। প্ৰথমতে, অৰ্থনৈতিক দৃষ্টিকোণৰ পৰা চালে দেখা যায় যে ইণ্ডোনেছিয়া আৰু অষ্ট্ৰেলিয়াৰ পৰা গুৰুত্বপূৰ্ণ খনিজ পদাৰ্থৰ নীৰৱচ্ছিন্ন যোগানে ভাৰতৰ মহত্ত্বাকাংক্ষী সেউজ শক্তি প্ৰকল্পসমূহক বাস্তৱ ৰূপ দিয়াত সহায় কৰিব। নিউজিলেণ্ডৰ সৈতে মুক্ত বাণিজ্য চুক্তিয়ে ভাৰতীয় ৰপ্তানিকাৰীসকলৰ বাবে এক উচ্চ আয়ৰ বজাৰ মুকলি কৰাৰ লগতে দেশৰ ভিতৰত বৃহৎ পৰিমাণৰ বিদেশী বিনিয়োগ আকৰ্ষণ কৰিব। দ্বিতীয়টো গুৰুত্বপূৰ্ণ দিশ হৈছে প্ৰতিৰক্ষা আৰু সামুদ্ৰিক নিৰাপত্তা। ভাৰত মহাসাগৰ আৰু প্ৰশান্ত মহাসাগৰত কোনো এখন দেশৰ একচেটিয়া প্ৰভাৱ ৰোধ কৰিবলৈ এই তিনিওখন দেশৰ সৈতে ভাৰতৰ নৌ-সেনা আৰু প্ৰতিৰক্ষা বাহিনীৰ সহযোগিতা অতিকৈ প্ৰয়োজনীয়। তথ্যৰ আদান-প্ৰদান, যুটীয়া সামৰিক অনুশীলন আৰু প্ৰযুক্তিৰ হস্তান্তৰে ভাৰতৰ প্ৰতিৰক্ষা ব্যৱস্থাক আধুনিক আৰু শক্তিশালী কৰি তুলিব। তৃতীয়তে, সাংস্কৃতিক কূটনীতি আৰু প্ৰবাসী ভাৰতীয়ৰ ভূমিকা। প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰতিখন দেশতেই প্ৰবাসী ভাৰতীয়সকলক সম্বোধন কৰি তেওঁলোকক ভাৰতৰ বিকাশৰ এক অবিচ্ছেদ্য অংগ হিচাপে স্বীকৃতি দিছে। বিদেশত থকা ভাৰতীয় মূলৰ লোকসকলে কেৱল অৰ্থনৈতিকভাৱেই নহয়, বৰঞ্চ ভাৰতৰ সাংস্কৃতিক ঐতিহ্যক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰতো এক বৃহৎ ভূমিকা পালন কৰে। প্ৰাম্বানান মন্দিৰৰ সংৰক্ষণ প্ৰকল্পত ভাৰতৰ অংশগ্ৰহণে প্ৰমাণ কৰে যে ভাৰত কেৱল অস্ত্ৰ আৰু বাণিজ্যৰে নহয়, বৰঞ্চ শান্তি, ঐতিহ্য আৰু সহনশীলতাৰ মাজেৰেও বিশ্বৰ সৈতে সম্পৰ্ক গঢ়ি তোলে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ইণ্ডোনেছিয়া, অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডৰ এই সফল ভ্ৰমণ এক শক্তিশালী আৰু 'বিকশিত ভাৰত' গঢ়াৰ যাত্ৰাত এক নিৰ্ণায়ক পদক্ষেপ। গোলকীয় ৰাজনীতিৰ দ্ৰুত পৰিৱৰ্তনশীল প্ৰেক্ষাপটত ভাৰতে নিজৰ 'এক্ট ইষ্ট পলিচি'ৰ জৰিয়তে যি দূৰদৰ্শিতা প্ৰদৰ্শন কৰিছে, সেয়া প্ৰকৃততেই প্ৰশংসনীয়। নিৰাপত্তা, অৰ্থনীতি, পৰিৱেশ আৰু প্ৰযুক্তিৰ দৰে প্ৰতিটো গুৰুত্বপূৰ্ণ ক্ষেত্ৰত পাৰস্পৰিক লাভালাভৰ ভিত্তিত গঢ়ি উঠা এই অংশীদাৰিত্বই কেৱল ভাৰতৰ উন্নয়নৰ পথকেই প্ৰশস্ত নকৰে, বৰঞ্চ সমগ্ৰ ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত এক শান্তিপূৰ্ণ আৰু ভাৰসাম্যপূৰ্ণ পৰিৱেশ সৃষ্টি কৰাত এক গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াব। আগন্তুক দিনবোৰত এই চুক্তি আৰু বুজাবুজিসমূহৰ সঠিক ৰূপায়ণৰ জৰিয়তে ভাৰতে বিশ্ব দৰবাৰত এক মহাশক্তি হিচাপে আত্মপ্ৰকাশ কৰাৰ পথ অধিক সুগম হৈ পৰিব।

# 'পাগল' নে মানসিকভাৱে বিকাৰগ্ৰস্ত?

**বিপ্লৱ শইকীয়া**

আমি প্ৰায়ে ৰাস্তাত কিছুমান মানুহ দেখোঁ, যিসকলক আমি সহজেই 'পাগল' বুলি কওঁ। তেওঁলোকক দেখি বহুতে ঘৃণা কৰে, কাৰণ তেওঁলোকক কেতিয়াবা ৰাস্তাত পৰি থকা লেতেৰা বস্তু খাই থকা বা পথৰ কাষতে শুই থকা দেখা যায়। আনকি বহুতে ভয়ো কৰে—"পাগল যে, কেতিয়া কি কৰি দিব ঠিক নাই!" কিন্তু এবাৰো ভাবিছোনে, আমি 'পাগল' শব্দটোৰ সলনি তেওঁলোকক 'মানসিকভাৱে বিকাৰগ্ৰস্ত ব্যক্তি' বুলি কোৱা কথাটো।



জন্মৰ সময়ত কোনো শিশু পাগল হৈ জন্ম নলয়। হয়তো তেওঁলোকো এদিন আপোনাৰ মোৰ দৰেই হাঁহিছিল, সপোন দেখিছিল, পৰিয়ালৰ মৰমত ডাঙৰ হৈছিল। কিন্তু জীৱনৰ কোনো এক কৰুণ অধ্যায়, অসহনীয় মানসিক আঘাত বা দীৰ্ঘদিনীয়া যন্ত্ৰণাই তেওঁলোকক এই অৱস্থালৈ ঠেলি আনিছে। সেয়ে প্ৰশ্ন জাগে- তেওঁলোকক 'পাগল' বুলি তুচ্ছ-তাচ্ছিল্য কৰাৰ অধিকাৰ সঁচাকৈয়ে আমাৰ আছেনে?

এগৰাকী নাৰী যেতিয়া ধৰ্ষণৰ বলি হয়, তেতিয়া কেৱল তাইৰ শৰীৰেই নহয়, মনটোও ভাঙি চূৰ্ণ-বিচূৰ্ণ হৈ যায়। কিন্তু দুৰ্ভাগ্যজনকভাৱে আমাৰ সমাজে তাইকেই অপৱিত্ৰ দৃষ্টিৰে চায়। ন্যায় বিচাৰি যুঁজ দি যেতিয়া তাই ক্লান্ত হৈ পৰে, তেতিয়া বহুতে মানসিকভাৱে সম্পূৰ্ণ ভাঙি পৰে। কোনোৱে মৃত্যুক বাছি লয়, কোনোৱে মানসিক ভাৰসাম্য হেৰুৱায়। অথচ সমাজৰ প্ৰতিবাদ তেতিয়াহে আৰম্ভ হয়, যেতিয়া এজনী ছোৱালীৰ মৃত্যু হয়।

ইয়াৰ এক জ্বলন্ত উদাহৰণ হৈছে ২০২৫ চনত উৰিষ্যাৰ বালেশ্বৰ জিলাৰ ২০ বছৰীয়া Soumayshree-ৰ ঘটনা। তাই এগৰাকী মেধাৱী ছাত্ৰী আছিল। সপোন আছিল ভৱিষ্যতে শিক্ষয়িত্ৰী হোৱাৰ। সেই উদ্দেশ্যৰে তাই B.Ed. পাঠ্যক্ৰমত নামভৰ্তি কৰিছিল। কিন্তু কলেজৰ এজন শিক্ষকে তাইক যৌন শিক্ষা দিবলৈ আৰম্ভ কৰে। তাইৰ ইয়াৰ প্ৰতিবাদৰ কৰে কিন্তু প্ৰতিবাদৰ প্ৰতিশোধ হিচাপে উপস্থিতি কমোৱা, পৰীক্ষাত কম নম্বৰ দি বিফল কৰোৱাৰ দৰে বিভিন্ন মানসিক নিৰ্যাতন চলোৱা হয় তাইৰ ওপৰত Soumayshree-য়ে সাহস হেৰুৱোৱা নাছিল। ৩০ জুনত কলেজ কৰ্তৃপক্ষৰ ওচৰত লিখিত অভিযোগ দাখিল কৰিছিল। বন্ধু-বান্ধৱীকো কথাটো কৈছিল। সামাজিক মাধ্যমতো ন্যায় বিচাৰি আবেদন কৰিছিল আৰু লিখিছিল- যদি ন্যায় নাপায়, তেন্তে মৃত্যুকেই শেষ ঠিকনা হিচাপে বাছি ল'ব। কিন্তু অভিযোগবোৰ গুৰুত্বসহকাৰে লোৱা নহ'ল।

অৱশেষত ১২ জুলাইত কলেজৰ অধ্যক্ষৰ কাৰ্যালয়ৰ সন্মুখত পেট্ৰ'ল ঢালি নিজৰ গাত জুই লগাই দিয়ে। শৰীৰৰ প্ৰায় ৯৫ শতাংশ দগ্ধ হয়। ভুবনেশ্বৰৰ এইমছত চিকিৎসাধীন অৱস্থাত ১৪ জুলাই নিশা তাই মৃত্যুক আঁকোৱালি লয়। তাইৰ মৃত্যুৰ পিছতহে প্ৰশাসন, চৰকাৰ, সংবাদ মাধ্যম আৰু সমাজ সজাগ হ'ল। অভিযুক্ত শিক্ষকক নিলম্বন কৰা হ'ল। কিন্তু তেতিয়ালৈ বহু দেৰি হৈ গৈছিল। এজনী মেধাৱী ছাত্ৰীৰ সপোন, জীৱন আৰু ভৱিষ্যৎ ইতিমধ্যে শেষ হৈ গৈছিল।

এনে উদাহৰণ আমাৰ সমাজত অসংখ্য। কোনোবাই সৰুতে মাক-দেউতাক হেৰুৱাই মানসিকভাৱে ভাঙি পৰে। কোনোবাই উচ্চশিক্ষা লাভ কৰাৰ পিছতো নিবনুৱা হৈ চাকৰি সন্ধানত ঘূৰি ফুৰি থাকে আৰু চাকৰি বাবে যেতিয়া পইচা কথা আহে তেতিয়াই আৰ্থিক সংকটত জৰ্জৰিত হৈ মানসিক ভাৰসাম্য হেৰুৱায়। কোনোবাই বিশ্বাসেৰে ভালপোৱা মানুহৰ প্ৰতাৰণাত জীৱনৰ ওপৰত আস্থা হেৰুৱায়। এই বোৰৰ ফলত বহুতে মানসিক ৰোগত আক্ৰান্ত হয়।

আচলতে ৰাস্তাত দেখা প্ৰতিজন তথাকথিত 'পাগল' মানুহৰো একোটা জীৱন আছিল, একোটা পৰিয়াল আছিল, অসংখ্য সপোন আছিল। জীৱনৰ নিষ্ঠুৰ বাস্তৱতাই তেওঁলোকক আজিৰ অৱস্থালৈ আনিছে। সেয়ে তেওঁলোকক ঘৃণাৰ চকুৰে চোৱাৰ পৰিৱৰ্তে সহানুভূতি, মৰম আৰু সন্মানৰ দৃষ্টিৰে চোৱা উচিত। সেয়ে ৰাস্তাত দেখা প্ৰতিজন মানসিকভাৱে অসুস্থ মানুহক "পাগল" বুলি কোৱাতকৈ তেওঁলোকক ঘৃণা নকৰি, সহানুভূতিৰ চকুৰে চাওঁ আমি আহক। কাৰণ আজিৰ তেওঁলোকৰ ঠাইত কাইলৈ হয়তো আমাৰ কোনো আপোনজন, আনকি আমিও নিজে থাকিব পাৰোঁ। এখন সভ্য সমাজৰ পৰিচয় এইটো নহয় যে সেই সমাজে কিমান উন্নত অট্টালিকা নিৰ্মাণ কৰিছে; বৰঞ্চ এইটো যে সেই সমাজে দুৰ্বল, অসহায় আৰু মানসিকভাৱে আঘাতপ্ৰাপ্ত মানুহক কিমান মৰ্যাদা আৰু সহমৰ্মিতাৰে আঁকোৱালি লৈছে। "পাগল" নহয় তেওঁলোকো আমাৰ দৰেই জীৱনৰ যুদ্ধত আঘাতপ্ৰাপ্ত মানুহ।

# শাওণৰ পথাৰ অসমীয়া চহা জীৱনৰ দাপোণ

**ললিত নাথ**

শাওণৰ পথাৰ অসমীয়া গ্ৰাম্য জীৱনৰ বুনিয়াদ। মৌচুমীৰ সজল বাটেৰে যেতিয়া আষাঢ়ে মেঘমেদুৰ শাওণক আদৰি আনে, তেতিয়াই অসমীয়া চহা জীৱনৰ প্ৰাণৱন্ত ঋতু বৰ্ষাই পূৰ্ণ যৌৱন লাভ কৰে। অসমীয়া বৰ্ষপঞ্জীৰ চতুৰ্থ মাহ এই শাওণ; শ্ৰৱণা নক্ষত্ৰত সূৰ্যৰ অৱস্থানক কেন্দ্ৰ কৰিয়েই যাৰ নামকৰণ কৰা হৈছে। প্ৰকৃতাৰ্থত, শাওণ কেৱল কেলেণ্ডাৰৰ এটা সংখ্যা বা পৃষ্ঠা নহয়- ই হ'ল অৰ্থনীতিৰ প্ৰাণস্পন্দন আৰু আমাৰ জাতীয় সংস্কৃতিৰ এক অনন্য আধাৰ।

শাওণৰ পথাৰখনৰ সৈতে আমাৰ কৃষকৰ সম্পৰ্কটো কেৱল জীৱিকাৰে নহয়, ই এক আত্মিক সম্পৰ্ক। শাওণৰ ৰিমঝিম বৰষুণৰ সুৰীয়া ছন্দই প্ৰকৃতিক এক অপূৰ্ব মাদকতা প্ৰদান কৰে। এই শাওণেই পথাৰৰ ধূসৰ বুকুলৈ নমাই আনে প্ৰতিশ্ৰুতিৰ সেউজ প্লাৱন। শাওণৰ লপথপীয়া, আঠালতীয়া মাটিত খেতিয়কৰ নাঙলৰ মধুময় কৰ্ষণত জী উঠে এবুকু আশা। এই উৰ্বৰা মাটিৰ সপোনকে সাৰথি কৰি মাটিৰ কবি ৰাম গগৈদেৱে ভাষাৰ নিপুণতাৰে শাওণক ব্যঞ্জিত কৰিছিল এইদৰে- "শাওণৰ মেঘযুক্ত নীলাকাশ/সূৰ্যস্নাত ক্লেদময় হে বিশাল পথাৰ বিপুল সম্ভৱা/নাঙলৰ সীৰলুত সোণফলা মাটিৰ কামনা/ঘৰ্মাক্ত দেহ আৰু দেহাতীত সৃষ্টিৰ চেতনা।"

পথাৰ আমাৰ মানৱ সভ্যতাৰ পুৰাতন ইতিহাসৰ সাক্ষী। ই হ'ল আশা-ভৰসাৰ এক সম্ভাৱনাময় ক্ষেত্ৰ, য'ত মানুহে প্ৰথমবাৰৰ বাবে যাযাবৰী জীৱন এৰি স্থায়ীভাৱে সমাজ পাতিবলৈ শিকিছিল। শাওণৰ বোকাময় পথাৰত খেতিয়কৰ সপোনবোৰে নতুনকৈ পোখা মেলে। এই মাহতে ভৰা নদীৰ দুয়োপাৰলৈ বিস্তৃত পলসসমৃদ্ধ পথাৰত সোণগুটি গজোৱাৰ এক অবিৰত সংগ্ৰাম চলে। হাড়ক মাটি আৰু তেজক পানী কৰি কৰা কঠোৰ পৰিশ্ৰমৰ যন্ত্ৰণাই কৃষকৰ দেহলৈ অৱসাদ আনিব পাৰে, কিন্তু সৃষ্টিৰ এক অনাবিল সম্ভাৱনাই তেওঁলোকৰ বুকুত এক বিচিত্ৰ সুখানুভূতিৰ জন্ম দিয়ে।

বোকামাটিৰ সেই চিৰপৰিচিত সুবাসে হালোৱা আৰু ৰোৱনীৰ মনত এক অপূৰ্ব উছাহৰ জোৱাৰ তোলে। কৃষকে মূৰত জাপি লৈ হাল বাই থকা আৰু ৰোৱনীয়ে চাপৰি চাপৰি ভুঁই ৰুই থকা চিৰন্তন দৃশ্যই সমগ্ৰ মানৱ সমাজলৈ কঢ়িয়াই আনে এক অনাবিল আনন্দ আৰু জীয়াই থকাৰ অনন্য প্ৰেৰণা। অসমৰ লোক-সংস্কৃতিৰ পৰম্পৰা অনুযায়ী পথাৰত 'ন-ভুঁই' ৰোৱা অনুষ্ঠানেৰে খেতিৰ শুভাৰম্ভ কৰা হয়। হালোৱা, হজুৱা আৰু লচপচী গাভৰু ৰোৱনীৰ উছাহত সমগ্ৰ পথাৰখন এক অনন্ত সৃষ্টিৰ উৎসৱস্থলীলৈ ৰূপান্তৰিত হয়। চুন, ধপাত, তামোল আৰু পানৰ সুমিষ্ট মিশ্ৰণৰ পিকেৰে ৰাঙলী হোৱা মুখবোৰৰ হাঁহি-খিকিন্দালি আৰু স্ফুৰ্তিৰ কোলাহলত পথাৰখন হৈ পৰে এখন প্ৰাকৃতিক বিহু মঞ্চ। ৰোৱনীৰ লিহিৰী আঙুলিয়ে স্নিগ্ধ বোকাৰ নিভৃতত অনাগত দিনৰ আশাবোৰ গুঁজি দিয়ে।

কজলা মেঘেৰে আকাশ ভৰি আহে আৰু লাস্যময়ী ভংগীৰে ধৰাৰ বুকুলৈ নামি আহে বৰষুণ। বৰষুণ বিধৌত প্ৰকৃতিৰ এই ৰূপে সকলহকে বিমোহিত কৰে। বৰষুণৰ সাংগিতিক মূৰ্চ্ছনাত যেন বাজি উঠে এক মিলনৰ গান। পথাৰৰ মাজত থকা উৰিয়াম বা আঁহত গছৰ তলত বহি সুগঢ়ি চন্দ্ৰমুখী ৰোৱনী আৰু হালোৱাই কোমল চাউল, বুট আৰু কলৰ জলপানৰ সোৱাদ লয়। সেই জিৰণিৰ মুহূৰ্ততে ডেকা-গাভৰুৰ হৃদয়ৰ মণিকোঠাত প্ৰেমৰ সুহুৰি বাজে। ঝৰ ঝৰ বৰষুণৰ সজল ধাৰাত তিতি-বুৰি জুৰুলি-জুপুৰি হোৱা দেহ-মনৰ মাজতে বসন্তৰ বিহুটি যেন বৰ্ষাৰ পথাৰলৈ বিয়পি পৰে।

প্ৰকৃতিৰ এই কৰ্মময় পৰিৱেশৰ মাজতেই প্ৰতিফলিত হয় অসমীয়া গ্ৰাম্য জীৱনৰ আচল স্বৰূপ, য'ত শাওণ মাহৰ ভূমিকা সঁচাকৈয়ে অনস্বীকাৰ্য। পথাৰৰ উৰ্বৰা বোকা-পানীৰ সৈতে একাত্ম হৈ খেতিয়কসকলে আৰম্ভ কৰে সমগ্ৰ বছৰটোৰ ভাতমুঠি যোগাৰ কৰাৰ এক পৱিত্ৰ মহাযজ্ঞ। শাওণ কৃষকৰ প্ৰিয়তম মাহ, কিয়নো এই মাহতে আমাৰ প্ৰধান খাদ্যশস্য আমনা, শালি, লাহি আদি বিভিন্ন প্ৰজাতিৰ ধানৰ কঠীয়া বোকাময় পথাৰত ৰোপণ কৰা হয়। বতাহ, বৰষুণ, বিজুলী, ঢেৰেকণি আদি প্ৰকৃতিৰ সমস্ত প্ৰতিকূলতাকো নেওচি কৃষকসকলে সমগ্ৰ বৰ্ষটোৰ বাবে হাড়ভঙা পৰিশ্ৰম কৰে। শাওণৰ পথাৰৰ লগত সংলগ্ন হৈ থকা খাল-বিলৰ পানীত এই সময়ত পুঠি, ডৰিকণা, খলিহনা, গৰৈ, কাৰৈ, শাল, শিঙি আদি থলুৱা মাছেৰে ভৰি পৰে। পথাৰৰ বঁকিয়াত বা পানীৰ সোঁতত চেপা, ঠুহা আৰু ভেটা দি মাছ ধৰা মুহূৰ্তবোৰ গ্ৰাম্য জীৱনৰ অতি বৈভৱশালী আৰু ৰোমাঞ্চকৰ অধ্যায়। পুখুৰী বা জলাশয়তো খেতিয়কসকলে উন্নত প্ৰজাতিৰ মাছ পুহি বৰ্তমান সময়ত অৰ্থনৈতিকভাৱে লাভৱান হ'বলৈ সক্ষম হৈছে।

প্ৰকৃতিৰ এই ছবিখন কেৱল আশাবোৰেৰেই নহয়, ইয়াৰ আঁৰত এটা কৰুণ ৰূপো লুকাই থাকে। শাওণ যেন আকাশৰ জোনটোৰ দৰে- যাৰ এপিঠিত স্নিগ্ধ-জুৰ পোহৰ আৰু আন পিঠিত ঘোপমৰা আন্ধাৰ। ইয়াৰ আলোকিত ৰূপটোৱে আমাক মুগ্ধ কৰে যদিও ইয়াৰ অন্ধকাৰ ৰূপটোৱে খেতিয়কক মৰ্মাহত কৰে। শাওণৰ মুষলধাৰ বৰষুণ আৰু বজ্ৰনিনাদৰ মাজেৰে অহা বলিয়া বানৰ তাণ্ডৱে পলকতে কৃষকৰ হৃদয়ৰ আশাৰ দেউল ভাঙি পেলায়। বানৰ ৰুদ্ৰৰূপত শাওণে পাহৰি যায় প্ৰতিশ্ৰুতিৰ কথা। বাঢ়নী পানীয়ে উটুৱাই লৈ যায় দৰিদ্ৰ খেতিয়কৰ সমগ্ৰ বছৰটোৰ সপোন, যাৰ ফলত গ্ৰাম্য জীৱনলৈ হাহাকাৰ নামি আহে।

বৰ্তমান সময়ত বৰ্ষাৰ জলবায়ু অক্ষুণ্ণ ৰাখিবৰ বাবে এক অনুকূল প্ৰাকৃতিক পৰিৱেশৰ চৰম অভাৱ ঘটিছে। উদ্ভিদ জগতৰ অস্তিত্বৰ ওপৰত নিৰ্ভৰ কৰিয়েই ধৰাৰ বুকুলৈ সময়মতে বৰষুণ নামি আহে। কিন্তু জনসংখ্যা বিস্ফোৰণৰ দোহাই দি মানুহে আজি জধে-মধে বনাঞ্চল ধ্বংস কাৰ্যত লিপ্ত হৈছে। ফলস্বৰূপে, আজিৰ শাওণৰ পথাৰত পূৰ্বৰ দৰে চৰাই-চিৰিকতিৰ কলৰৱৰ মধুৰ ধ্বনি শুনা নাযায়। তাৰ বিপৰীতে পথাৰৰ বুকুৰ পৰা ভাঁহি আহে ট্ৰে"ৰ বা পাৱাৰ টিলাৰৰ কৰ্কষ যান্ত্ৰিক শব্দ। যান্ত্ৰিকতাই কৃষিৰ প্ৰসাৰ ঘটাইছে সঁচা, কিন্তু ই আমাৰ পৰম্পৰাগত শাওণৰ সেই প্ৰাণময় স্নিগ্ধ ৰূপটোক নিষ্প্ৰভ আৰু নিষ্প্ৰাণ কৰি তুলিছে।

মানৱসৃষ্ট এনেবোৰ কাৰণতেই গোলকীয় উষ্ণতা ক্ৰমান্বয়ে বৃদ্ধি পাইছে, যাৰ ফলত জলবায়ুৰ অস্বাভাৱিক পৰিৱৰ্তন ঘটিছে। সমগ্ৰ পৃথিৱী আজি অতিবৃষ্টি, অনাবৃষ্টি আৰু খৰাঙৰ কবলত। এই নেতিবাচক গতি যদি অব্যাহত থাকে, তেন্তে আমাৰ ঋতু বৈচিত্ৰ্যত ইয়াৰ গভীৰ আৰু মাৰাত্মক প্ৰভাৱ পৰিব। তেতিয়া শাওণে তাৰ চিৰ পৰিচিত শ্যামসুন্দৰ ৰূপ হেৰুৱাই এক মৰুময় ধূসৰতালৈ ৰূপান্তৰিত হ'ব।

শাওণৰ অস্তিত্ব আৰু প্ৰকৃতিৰ ভাৰসাম্য অটুট ৰাখিবৰ বাবে আমি কেৱল আৱেগিক হ'লেই নচলিব, আমি সকলোৱেই সজাগ আৰু সচেতন হ'ব লাগিব। ব্যাপক হাৰত বৃক্ষ ৰোপণ কৰি প্ৰদূষণমুক্ত এটি সুস্থ পৰিৱেশ গঢ়ি তোলাটো বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান। যেতিয়ালৈকে আমি আমাৰ পাহাৰ আৰু বনাঞ্চলসমূহ সুৰক্ষিত কৰিব নোৱাৰিম, তেতিয়ালৈকে শাওণৰ সেই প্ৰাণ সঞ্চাৰী বৰষুণজাক ঝৰ ঝৰকৈ নামি নাহিব। প্ৰকৃতিৰ সুৰক্ষাৰ জৰিয়তেহে পুনৰ উৰ্বৰা হৈ উঠিব আমাৰ হেঁপাহৰ শাওণৰ পথাৰখন আৰু জীয়াই থাকিব আমাৰ স্বকীয় চহা সংস্কৃতি।

# প্ৰস্তুতি তুঙ্গত; ২৫ জুলাইত জাগুনৰ ফানেং-কেনিয়াত অনুষ্ঠিত হ'ব 'জাৰ্ণেলিষ্ট ইউনিয়ন অব্ আসাম'ৰ তিনিচুকীয়া জিলা সমিতিৰ প্ৰতিষ্ঠা দিৱস

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ২২ জুলাই ঃ** 'ইণ্ডিয়ান জাৰ্ণেলিষ্ট ইউনিয়ন' আৰু 'ইণ্টাৰনেশ্যনেল ফেডাৰেচন অব্ জাৰ্ণেলিষ্টছ'ৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত 'জাৰ্ণেলিষ্ট ইউনিয়ন অব আসাম' (জুৱা)ৰ তিনিচুকীয়া জিলা সমিতিৰ ষষ্ঠ বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ লগতে সাধাৰণসভাখনি অহা ২৫ জুলাই তাৰিখে দিনজোৰা কাৰ্যসূচীৰে অসম-অৰুণাচল প্ৰদেশ সীমান্তৱৰ্তী টিৰাপ-জাগুন অঞ্চলৰ ফানেং-কেনিয়া গাঁৱৰ বাপুতি গগৈ মধ্য ইংৰাজী বিদ্যালয় প্ৰাংগণত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। এই উপলক্ষে পুৱা পতাকা উত্তোলন কৰিব 'জুৱা'ৰ সভাপতি অখিল চন্দ্ৰ বৰুৱা আৰু অভ্যৰ্থনা সমিতিৰ সভাপতি মুনীন বুঢ়াগোহাঁইয়ে। স্মৃতি তৰ্পণ কৰিব 'জুৱা'ৰ সম্পাদক ৰাণাদ্বীপ দুৱৰা আৰু অভ্যৰ্থনা সমিতিৰ মুখ্য সম্পাদক ধৰ্মৰাজ শৰ্মাই। শ্ৰদ্ধাঞ্জলি আৰু বন্তি প্ৰজ্বলন কৰিব ক্ৰমে তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সভাপতি ৰাণাজ্যোতি নেওগ আৰু অভ্যৰ্থনা সমিতিৰ মুখ্য উপদেষ্টা প্ৰাঞ্জল প্ৰতীম ভূঞাই। গছপুলি ৰোপণৰ দায়িত্বত আছে ক্ৰমে অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি শৰৎ গগৈ, যুটীয়া সম্পাদক পৱন দত্ত আৰু দ্বীপজল শইকীয়াই। অনুষ্ঠানত চিত্ৰাংকন আৰু জুবিন সংগীতৰ অনলাইন চূড়ান্ত প্ৰতিযোগিতাৰ প্ৰতিযোগীসকলৰ মাজত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতা উদ্বোধন কৰিব জাগুনৰ সমাজ সেৱক শিখৰ ফুকনে। বিয়লি 'জুৱা'ৰ সভাপতি অখিল চন্দ্ৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিতব্য মুকলি সভাখন উদ্বোধন কৰিব সাংবাদিক সংগঠনটোৰ ৰাজ্যিক উপসভাপতি ৰূপম কাকতীয়ে। ৰাজ্যিক সভাপতি চেমিম চুলতানাই নিৰ্দিষ্ট বক্তাৰ ভাষণ আগবঢ়াব। জাগুনৰ বিছা ৰজা ম্যুং দাং গাম চিংফৌয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিবলগা সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব অৰুণাচল প্ৰদেশৰ নামপঙৰ বিধায়ক লাইচাম চিমাই, বৰডুমচা-দায়ুনৰ বিধায়ক নিক কামিন, তিনিচুকীয়াৰ জিলা আয়ুক্ত সুমিত ছাত্তাৱন, তিনিচুকীয়াৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষ মায়ংক কুমাৰ, মাৰ্ঘেৰিটা সমজিলা আয়ুক্ত ৰাহুল দলে, তিনিচুকীয়া জিলা তথ্য আৰু জনসংযোগ বিষয়া মামুন বৰকটকী, মাৰ্ঘেৰিটা সমজিলা তথ্য আৰু জনসংযোগ বিষয়া গুৰ্মিট ছুৰি আৰু 'জুৱা'ৰ সাংগঠনিক সম্পাদক ৰৌচনলাল শৰ্মা। তিনিচুকীয়া জিলাৰ সকলো জাতীয়-জনগোষ্ঠীয় সংগঠনৰ সভাপতি আৰু সম্পাদকসকল আমন্ত্ৰিত অতিথি হিচাপে নিমন্ত্ৰিত হৈছে। অনুষ্ঠানত 'স্তম্ভ' নামৰ এখনি স্মৃতিগ্ৰন্থও প্ৰকাশ পাব। স্মৃতিগ্ৰন্থখনি উন্মোচন কৰিব সাংবাদিক সংগঠন 'আপকু'ৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি তথা 'মৰাণ সাহিত্য সভা'ৰ সভাপতি ৰবীন মৰাণে। সভাত বিভিন্ন ক্ষেত্ৰৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনাও জনাব। এই কাৰ্যসূচী সম্পন্নৰ পাছতেই প্ৰদৰ্শিত হ'ব জনগোষ্ঠীয় সাংস্কৃতিক কাৰ্যসূচী। অনুষ্ঠানটো উদ্বোধন কৰিব চিংফৌ স্বায়ত্ত পৰিষদৰ অধ্যক্ষ চেং গাম লাব্ৰম চিংফৌয়ে। ইয়াৰ পাছতেই অনুষ্ঠিত হ'ব সংগঠনটোৰ প্ৰতিনিধি সভা। সন্ধিয়া অনুষ্ঠিতব্য সাংস্কৃতিক সন্ধিয়াটি উদ্বোধন কৰিব পথাৰৰ শিল্পী লোহিত গগৈয়ে। সাংস্কৃতিক সন্ধিয়াত গীতৰ শৰাই আগবঢ়াব কৰিশ্মা মৰাণ, মনালিছা মৰাণ আৰু মন আৰূপনে। উদ্যোক্তাসকলে সকলোৰে উপস্থিতি কামনা কৰিছে।

# বাজেট সৰ্বস্পৰ্শী, জনকল্যাণমুখী আৰু সন্তুলিত বাজেট ২০২৬ সন্দৰ্ভত বৰপেটাত বিজেপিৰ সংবাদমেল

**অসম বাৰ্তা, বৰপেটা সদৰ, ২২ জুলাই ঃ** ৰাজ্য চৰকাৰৰ বিত্তমন্ত্ৰী জয়ন্তমল্ল বৰুৱাই দুই লাখ সাতশ বিৰাশী কোটি টকাৰে যোৱা ১৪ জুলাই তাৰিখে দাখিল কৰা বাজেটখন ৰাজ্যৰ ইতিহাসৰ অন্যতম বৃহৎ বাজেট। এইবাৰৰ বাজেট সৰ্বস্পৰ্শী, জনকল্যাণমুখী, আৰু সন্তোলিত বাজেট। এই পূৰ্ণাঙ্গ বাজেটে অসমৰ জনসাধাৰণৰ আশা আকাংক্ষাক প্ৰতিনিধিত্ব কৰিব পৰা এক বাজেট। এই বুলি মন্তব্য কৰে বিজেপিৰ ৰাষ্ট্ৰীয় পৰিষদৰ সদস্য, বৰপেটা জিলাৰ প্ৰাক্তন সভাপতি তথা বৰপেটা জিলা উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অনিল কুমাৰ দাসে। আজি বৰপেটা জিলা বিজেপিৰ কাৰ্যালয়ত অনুষ্ঠিত এক সংবাদ মেল সম্বোধন কৰি দাসে এই বাজেটত বিজেপি দলৰ নিৰ্বাচনী প্ৰতিশ্ৰুতিসমূহ পূৰণ কৰিব পৰাকৈ এক বিজ্ঞানসন্মত প্ৰস্তাৱ আগবঢ়োৱা হৈছেবুলি মন্তব্য কৰে। তেওঁ এই বাজেটখন বিজেপিৰ সংকল্পৰ পৰা সিদ্ধিলৈ এক বিকাশমুখী যাত্ৰা বুলি অভিহিত কৰে। এই বাজেটৰ মূল দৰ্শন বিকশিত অসমৰ জৰিয়তে বিকাশৰ নতুন দিগন্তৰ সূচনা কৰা। বিগত বৰ্ষৰ ৰাজ্যৰ জনমুৰি আয় ১, ৮৫, ৪২৯ লৈ বৃদ্ধি হৈ এই আয় তিনিগুণতকৈ অধিক বৃদ্ধি পাইছে। এইবাৰৰ বাজেটত নিযুক্তিৰ নতুন দিগন্ত সূচনা কৰি অতিৰিক্ত ২ লাখ নিযুক্তিৰ লক্ষ্য স্থিৰ কৰা হৈছে, লগতে চি এম এএএৰ বাবে ৫০০ কোটি টকা ধাৰ্য্য কৰা হৈছে। সবল আন্তঃগাঁথনি, সবল অসমৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে আন্তঃগাঁথনিৰ অধিক উন্নয়নত গুৰুত্ব দিছে। আন্তঃগাঁথনি উন্নয়নৰ বাবে ১০, ০০০ কোটি টকা আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰ বাবে ৪, ৯৫৪ কোটি টকা ধাৰ্য্য কৰিছে। অহা ৫ বছৰত ৮০০ কিলোমিটাৰ উন্নত পথ নিৰ্মাণ, বাইহাটা চাৰিআলিৰ পৰা মিছন চাৰিআলিলৈ ৪ লেনযুক্ত পথ, গুৱাহাটী বিমান বন্দৰৰ পৰা জালুকবাৰীলৈ এলিভেটেড ক'ৰিডৰৰ উপৰিও মৰিগাঁও-দৰং সংযোগী ব্ৰহ্মপুত্ৰৰ ওপৰত এখন নতুন দলং নিৰ্মাণৰ প্ৰস্তাৱ লোৱা হৈছে বুলি দাসে কয়। তেওঁ ছেটেলাইট টাউনশ্বিপৰ বাবে ২১০০ কোটি টকা ধাৰ্য্য আৰু প্ৰতিখন জিলাত ইণ্ডাষ্ট্ৰিয়েল পাৰ্ক গঢ়ি তোলাৰ কথা উল্লেখ কৰি এই বাজেটত গ্ৰীণ এনাৰ্জীৰ ওপৰত গুৰুত্ব আৰোপ কৰি ৭৭, ৩৫৩ কোটিৰ অধিক বিনিয়োগৰ লক্ষ্যৰে অসমক গ্ৰীণ এনাৰ্জী হাব হিচাপে গঢ়ি তোলাৰ লক্ষ্য স্থিৰ কৰা হৈছে। জলসিঞ্চন আৰু কৃষিৰ সমন্বয়ত গুৰুত্ব দি অহা ৫ বছৰত ৪, ০০০ কোটিৰ বৃহৎ জলসিঞ্চনৰ কাৰ্যসূচী ধাৰ্য কৰা হৈছে। কৃষকৰ আয় বৃদ্ধিৰ লক্ষ্যৰে কৃষি উৎপাদনত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। সকলো খিলঞ্জীয়াৰ বাবে ভূমিৰ অধিকাৰৰ লক্ষ্যৰে 'মিছন বসুন্ধৰা ৪.০' ২৫ ডিচেম্বৰত পুনৰ আৰম্ভ কৰা হ'ব। ইতিমধ্যে ৩.৫৬ লাখ পৰিয়ালক ভূমিৰ অধিকাৰ প্ৰদান কৰা হৈছে বুলি দাসে দোহাৰে। বি জে পিৰ বৰপেটা জিলাৰ ভাৰপ্ৰাপ্ত সভাপতি সবিতা দেৱনাথৰ উপস্থিতিত প্ৰাক্তন সভাপতি দাসে কয় এই বাজেটত অসমৰ স্বাস্থ্য খণ্ডত আৰু ৪খন নতুন মেডিকেল কলেজ নিৰ্মাণৰ কথা ঘোষণা কৰিছে লগতে প্ৰতিটো সমষ্টিত ৫০খন বিছনাযুক্ত এফ আৰ ইউ আৰু প্ৰতিটো উপ-স্বাস্থ্য কেন্দ্ৰত চিকিৎসকৰ উপস্থিতিৰ কথা ঘোষণা কৰিছে। ইয়াৰোপৰি বাজেটত স্বাস্থ্য বিভাগত ৩৩, ২৪০টা নতুন পদ সৃষ্টিৰ কথাও উল্লেখ কৰা হৈছে। উল্লেখযোগ্য যে শিক্ষাখণ্ডত বৃহৎ সংস্কাৰৰ লক্ষ্যৰে "এখন জিলা- এখন বিশ্ববিদ্যালয়"ৰ লক্ষ্য স্থিৰ কৰা হৈছে। অসমক ভাৰতবৰ্ষৰ ভিতৰত টপ টেন পৰ্যটন ৰাজ্য কৰাৰ লক্ষ্যৰে পৰ্যটন ক্ষেত্ৰত নতুন বিনিয়োগৰ সূচনা কৰা হৈছে। "চৰকাৰী কৰ্মচাৰীসকলৰ কল্যাণেই জনসেৱাৰ ভেটি" এই মূলমন্ত্ৰৰে উদ্ভুত হৈ অষ্টম দৰমহা আয়োগ কাৰ্যকৰী কৰাৰ কথাও বাজেটত ঘোষণা কৰা হৈছে। লগতে চৰকাৰী কৰ্মচাৰীসকলৰ আপোন ঘৰ আঁচনি ৫ বছৰ সম্প্ৰসাৰণ কৰাৰ লগতে ঋণৰ সীমা ৫০ লাখলৈ বৃদ্ধি কৰা হৈছে। অসমৰ ঐতিহাসিক ক্ষেত্ৰ ৰংঘৰ, কাৰেংঘৰ আদিৰ সংৰক্ষণ আৰু সত্ৰ আয়োগ গঠনৰ কথাও এই বাজেটত উল্লেখ কৰা হৈছে। সংবাদ মেলত মূলধনি ব্যয় ২০১৫-১৬ চনৰ কংগ্ৰেছ চৰকাৰৰ অন্তিম কাৰ্যকালৰ বাজেটত ২, ৯৫১ কোটি টকাৰ বিপৰীতে ২০২৫-২৬ চনৰ এইবাৰৰ বাজেটত প্ৰায় ২৯ হাজাৰ কোটি বৃদ্ধি কৰা হৈছে। আনহাতে ২০১৫-১৬ চনৰ ঘাটি বাজেট ২, ০০০ কোটিৰ পৰা কমি গৈ আজি ঘাটী বাজেট ৪১৯ কোটি হৈছে। মুঠতে এই বাজেটখন ভাৰতীয় জনতা পাৰ্টিৰ সংকল্প পত্ৰৰ প্ৰতিফলন বুলি সংবাদ মেলত অনিল কুমাৰ দাসে দাবী কৰে।

**চৌৰঙ্গীৰ হোটেলত অভিযান; বৃহৎ পৰিমাণৰ সন্দেহযুক্ত মাদকদ্ৰব্য জব্দ, এজনক গ্ৰেপ্তাৰ**

# কাছাৰৰ কাটিগড়াত আৰক্ষীৰ বৃহৎ সফলতা

**অসম বাৰ্তা, শিলচৰ, ২২ জুলাই ঃ** গোপন সূত্ৰৰ তথ্যৰ ভিত্তিত কাছাৰ জিলাৰ কাটিগড়া থানাৰ আৰক্ষীয়ে বুধবাৰে চৌৰঙ্গী এলেকাৰ এখন হোটেলত অভিযান চলাই বৃহৎ পৰিমাণৰ সন্দেহযুক্ত মাদকদ্ৰব্য জব্দ কৰিছে। এই অভিযানত এজন অভিযুক্তক গ্ৰেপ্তাৰ কৰা হৈছে। আৰক্ষীৰ এই সফলতাই সমগ্ৰ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। আৰক্ষী সূত্ৰে জনোৱা মতে, গোপন খবৰৰ ভিত্তিত কাটিগড়া থানাৰ ভাৰপ্ৰাপ্ত বিষয়া (অ'চি) নব কুমাৰ শইকীয়া আৰু এছআই জ্যোতিষ কুমাৰ নাথৰ নেতৃত্বত আৰক্ষীৰ এটা দলে চৌৰঙ্গীস্থিত লাকি হোটেল এণ্ড ৰেষ্টুৰেণ্টত অভিযান চলায়। অভিযানৰ সময়ত হোটেলখনৰ মালিক বাপ্পা মালাকাৰৰ পৰা শতাধিক সৰু সৰু কণ্টেইনাৰত সংৰক্ষিত সন্দেহযুক্ত মাদকদ্ৰব্য জব্দ কৰা হয়। উদ্ধাৰ হোৱা সামগ্ৰীৰ প্ৰকৃতি আৰু পৰিমাণ নিৰ্ধাৰণৰ বাবে প্ৰয়োজনীয় আইনী প্ৰক্ৰিয়া গ্ৰহণ কৰা হৈছে বুলি জানিব পৰা গৈছে। এই ঘটনাত মাদক ব্যৱসায়ৰ অভিযোগত বাপ্পা মালাকাৰক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। তেওঁক জেৰা কৰি এই চক্ৰৰ সৈতে জড়িত আন লোকসকলৰ বিষয়ে তথ্য সংগ্ৰহৰ চেষ্টা চলি আছে। একে সময়তে, মাদকৰ যোগানৰ উৎস আৰু ইয়াৰ সৈতে জড়িত বৃহত্তৰ নেটৱৰ্কৰ সন্ধানতো তদন্ত আৰম্ভ কৰিছে আৰক্ষীয়ে। ইফালে, আৰক্ষীৰ এই অভিযানক অঞ্চলটোৰ বিশিষ্ট ব্যক্তিসকলে প্ৰশংসা কৰিছে। সিদ্ধেশ্বৰ জিপিৰ সভাপতি ৰিপন ৰায়, বিশিষ্ট সমাজসেৱী দেৱজ্যোতি চৌধুৰী, ধীমান গোস্বামী, কৃষ্ণ দাসকে ধৰি বহু স্থানীয় বাসিন্দাই কাটিগড়া আৰক্ষীৰ এই পদক্ষেপক সময়োপযোগী আৰু সাহসী উদ্যোগ বুলি অভিহিত কৰিছে। তেওঁলোকৰ মতে, সমাজখনক মাদকমুক্ত কৰিবলৈ এনে ধাৰাবাহিক অভিযান অধিক জোৰদাৰ কৰা প্ৰয়োজন। স্থানীয় লোকসকলৰ দাবী, শেহতীয়া সময়ত কাটিগড়াৰ বিভিন্ন অঞ্চলত মাদকৰ প্ৰসাৰ উদ্বেগজনক হাৰত বৃদ্ধি পাইছে। বিশেষকৈ যুৱ প্ৰজন্মক এই নিচাৰ কৰাল গ্ৰাসৰ পৰা ৰক্ষা কৰিবলৈ প্ৰশাসনৰ কঠোৰ পদক্ষেপ অতি প্ৰয়োজনীয়। সেয়েহে, মাদক সৰবৰাহ আৰু ব্যৱসায়ৰ সৈতে জড়িত সকলোৰে বিৰুদ্ধে কঠোৰ আইনগত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে তেওঁলোকে। আৰক্ষীয়ে জনাইছে যে, মাদকৰ বিৰুদ্ধে তেওঁলোকৰ অভিযান আগন্তুক দিনতো অব্যাহত থাকিব আৰু সমাজখনক মাদকমুক্ত কৰি তোলাৰ ক্ষেত্ৰত সাধাৰণ ৰাইজৰ সহযোগিতাও একান্তভাৱে প্ৰয়োজন।

# তেমুৰা দংৰাত যৌতুকৰ অভিযোগৰ মাজতে গৃহবধূৰ ৰহস্যজনক মৃত্যু

**অসম বাৰ্তা, কুমুল্লী পৰা, ২২ জুলাই ঃ** বৰপেটা জিলাৰ তেমুৰা দংৰা অঞ্চলত সংঘটিত হোৱা এগৰাকী গৃহবধূৰ অস্বাভাৱিক মৃত্যুক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। মৃতকৰ পৰিয়ালৰ অভিযোগ অনুসৰি, বিয়াৰ পিছৰে পৰা গৃহবধূগৰাকীক যৌতুকৰ ধন আনিবলৈ স্বামীপক্ষই মানসিক আৰু শাৰীৰিকভাৱে নিৰ্যাতন চলাই আহিছিল। পৰিয়ালৰ দাবী যে, যৌতুকৰ ধন নিদিয়াৰ বাবেই গৃহবধূগৰাকীক নৃশংসভাৱে হত্যা কৰি ঘটনাটোক আত্মহত্যাৰ ৰূপ দিয়াৰ চেষ্টা কৰা হৈছে। এই ঘটনাৰ সন্দৰ্ভত মৃতকৰ স্বামী মান্নান আলীৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগৰ ভিত্তিত আৰক্ষীয়ে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে বুলি জানিব পৰা গৈছে। ঘটনাৰ খবৰ বিয়পি পৰাৰ লগে লগে অঞ্চলটোত তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়। স্থানীয় ৰাইজে দোষীৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণৰ দাবী জনোৱাৰ লগতে ঘটনাটোৰ নিৰপেক্ষ আৰু স্বচ্ছ তদন্তৰ আহ্বান জনাইছে। উল্লেখ্য যে, এতিয়ালৈকে আৰক্ষীৰ তদন্ত অব্যাহত আছে। তদন্ত সম্পূৰ্ণ হোৱাৰ পিছতহে ঘটনাটোৰ প্ৰকৃত সত্য পোহৰলৈ আহিব। সেয়েহে, তদন্তৰ চূড়ান্ত ফলাফল প্ৰকাশ নোহোৱালৈকে অভিযোগসমূহক অভিযোগ হিচাপেই বিবেচনা কৰা উচিত।

# ডিব্ৰুগড়ত মানকটা শতদল শাখা সাহিত্য সভাৰ ২৭ সংখ্যক প্ৰতিষ্ঠা আৰু 'ৰংমন' দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২২ জুলাই ঃ** শিশু-কিশোৰৰ মাজত ভাষা, সাহিত্য, সংস্কৃতি আৰু ঐতিহ্যৰ প্ৰতি অনুৰাগ জগাই তোলাৰ লক্ষ্যৰে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় 'কুঁহি' উপ-সমিতিৰ উদ্যোগত, ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সহযোগত আৰু মানকটা শতদল শাখা সাহিত্য সভাৰ আতিথ্যত মানকটা কছাৰীবাৰীস্থিত শ্ৰীশ্ৰী আউনীআটী শাখা সত্ৰৰ প্ৰেক্ষাগৃহত পাঁচদিনীয়া কেন্দ্ৰীয় 'কুঁহি' অনুষ্ঠান আৰু শিশু ভাওনা সমাৰোহৰ অনুষ্ঠিত হয়। ২২ জুলাইৰ পৰা ২৬ জুলাইলৈ অনুষ্ঠিত হ'বলগীয়া এই অনুষ্ঠানৰ অংশ হিচাপে প্ৰতিদিনে সন্ধিয়া শিশু ভাওনা প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। অনুষ্ঠানৰ প্ৰথম দিনাই মানকটা শতদল শাখা সাহিত্য সভাৰ ২৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু বিশিষ্ট ৰহস্য সাহিত্যিক, 'দস্যু ভাস্কৰ চিৰিজ'ৰ স্ৰষ্টা 'ৰংমন' নামেৰে পৰিচিত ৰবীন দে'ৰ সোঁৱৰণত 'ৰংমন দিৱস' উদ্‌যাপন কৰা হয়। দিনৰ আৰম্ভণিতে শাখা সাহিত্য সভাৰ সভাপতি কুসুম সোণোৱাল শইকীয়াই সাহিত্য সভাৰ পতাকা উত্তোলন কৰে। ইয়াৰ পিছতে সাহিত্যিক ৰবীন দে'ৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। মুকলি সভাত সভাপতি কুসুম সোণোৱাল শইকীয়াই পৌৰোহিত্য কৰে আৰু সম্পাদক নৱনীতা শ্যাম উৰঙীয়াই সভা পৰিচালনা কৰে। সভাত ৰবীন দে'ৰ অসমীয়া ৰহস্য সাহিত্যলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বিষয়ে বিশদ আলোচনা কৰা হয়। এই উপলক্ষে শাখা সাহিত্য সভাৰ স্মৃতিগ্ৰন্থ 'অন্তৰীক্ষ' উন্মোচন কৰে ডিব্ৰুগড় জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অজয় সিংহই। অৰুণিমা বৰুৱা আৰু দীপৰেখা সোণোৱালে সম্পাদনা কৰা ৰবীন দে'ৰ সোঁৱৰণী স্মাৰক গ্ৰন্থ 'ৰংমন' উন্মোচন কৰে অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য নোমল চন্দ্ৰ গগৈয়ে। সন্ধিয়া অনুষ্ঠিত শিশু ভাওনা সমাৰোহ উদ্বোধন কৰি বিশিষ্ট অতিথি ড° অনিল শইকীয়াই ভাওনাৰ ঐতিহাসিক, সাহিত্যিক আৰু সাংস্কৃতিক তাৎপৰ্যৰ ওপৰত বক্তব্য আগবঢ়ায়। তেওঁ কয়, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ-প্ৰসাৰৰ উদ্দেশ্যে সৃষ্টি কৰা ভাওনা হৈছে গীত, নৃত্য, সংলাপ, শ্লোক, পদ আৰু প্ৰাৰ্থনাৰ এক অনন্য সমন্বয়, য'ত সদায় ধৰ্মৰ জয় আৰু অধৰ্মৰ পৰাজয় প্ৰতিফলিত হয়। তেওঁ লগতে উল্লেখ কৰে যে ভাওনাৰ প্ৰতিটো অংগতে নৃত্য আৰু সংগীতৰ সুনিপুণ সমন্বয় লক্ষ্য কৰা যায় আৰু এই ঐতিহ্যবাহী শিল্পকলাই ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ ক্ষেত্ৰতো বিশেষ স্বীকৃতি লাভ কৰাৰ যোগ্য। সাম্প্ৰতিক বানপানী আৰু দুৰ্যোগৰ পৰিপ্ৰেক্ষিতত ক্ষতিগ্ৰস্ত লোকসকলৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰি তেওঁ সকলোৰে মংগল কামনাৰে এক মিনিট মৌন প্ৰাৰ্থনা কৰাৰ আহ্বান জনায়। অনুষ্ঠানত ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদক অজিত বুঢ়াগোঁহাই, সাংগঠনিক সম্পাদক উৎপল সোণোৱাল, অসম লেখিকা সন্থাৰ সম্পাদিকা উদয়ন্তী হাজৰিকা দত্ত, বৰপথাৰ শাখা সাহিত্য সভাৰ সভাপতি ৰুদ্ৰ গগৈ, ডিব্ৰুগড় শাখা সাহিত্য সভাৰ সভাপতি জ্যোতি বৰগোঁহাই, সম্পাদক ৰাতুল বুঢ়াগোঁহাই, উপ-সভাপতি যাদৱ গগৈ, মানকটা শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পোনা সোণোৱাল, বাণীপুৰৰ ৰামধেনু শাখা সাহিত্য সভাৰ সভাপতি ভূষণজ্যোতি সন্দিকৈ, সোণোৱাল কছাৰী যুৱ পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিৰ কাৰ্যকৰী সভাপতি ৰাজীৱ সোণোৱালকে ধৰি বিভিন্ন শাখা সাহিত্য সভাৰ বিষয়ববীয়া আৰু বহু সংখ্যক সাহিত্যপ্ৰেমী উপস্থিত থাকে। বিয়লি অনুষ্ঠিত 'কুঁহি' অনুষ্ঠানত শিশু আৰু কিশোৰ-কিশোৰীসকলে দলীয় শ্ৰদ্ধাঞ্জলি আলেখ্য, নৃত্য, বাদ্য, অভিনয়, কবিতা আবৃত্তি, সংগীত, সুৰ সমলয় আদি বিভিন্ন সাংস্কৃতিক অনুষ্ঠান মনোমোহাকৈ পৰিৱেশন কৰি দৰ্শকৰ প্ৰশংসা লাভ কৰে। প্ৰথম দিনা শিশু সকলে 'সীতা হৰণ বালী বধ' শীৰ্ষক ভাওনা প্ৰদৰ্শন কৰে।

# নলবাৰীত পি এম অজয় আঁচনিৰ অধীনত অনুমোদন পত্ৰ বিতৰণ




**অসম বাৰ্তা, নলবাৰী, ২২ জুলাইঃ** প্ৰধানমন্ত্ৰী অনুসূচীত জাতি অভ্যুদয় যোজনা চমুকৈ পি এম অজয় ৰ অধীনত আজি নলবাৰী জিলাৰ অনুসূচীত জাতিৰ আত্ম সহায়ক গোটৰ মহিলাসকলক আৰ্থিক অনুদানৰ অনুমোদন পত্ৰ বিতৰণ কৰা হয়। নলবাৰী জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আজি অনুমোদন পত্ৰ বিতৰণ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত নলবাৰীৰ জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰী, সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ সচিব তথা অনুসূচীত জাতি কল্যাণ বোৰ্ডৰ সঞ্চালক ড° কুলশ্ৰী নাথ, নলবাৰী জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ড° ধ্ৰুৱজ্যোতি হাজৰিকা, জিলা কৃষি বিষয়া, সমাজকৰ্মী জয়ন্ত বুজৰবৰুৱা, জিলা পৰিষদৰ সভানেত্ৰী গীতুমনি বৈশ্য, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ জিলা আঁচনি প্ৰবন্ধক শিৱালিকা মেধি আদিকৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। অনুষ্ঠানত ১৪৭টা অনুসূচীত জাতিৰ মহিলা আত্মসহায়ক গোটক আৰু ১৫গৰাকী মহিলাক ব্যক্তিগতভাৱে ৫০, ০০০/- টকাকৈ ৰাজসাহায্যৰ অনুমোদন পত্ৰ প্ৰদান কৰা হয়। তাৰে ভিতৰত আনুষ্ঠানিকভাৱে ৬টা আত্মসহায়ক গোটক আৰু এগৰাকী মহিলাক অনুমোদন পত্ৰ আজি বিতৰণ কৰা হয়। আজিৰ অনুষ্ঠানত শুভাৰম্ভণি ভাষণত জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে কয় যে মহিলাসকল আজি দুৰ্বল নহয়, মাথোঁ তেওঁলোকে নিজকে সবল বুলি ভাবিব লাগিব। আজি নলবাৰীৰ মহিলাই কেচুসাৰ বিক্ৰী কৰি আত্ম সংস্থাপন পোৱাৰ লগতে আন দহজনক সংস্থাপন দিব পাৰিছে। গতিকে নাৰীসকলে নিজক দুৰ্বল বুলি নাভাবি ওলাই আহিব লাগিব। আজিৰ অনুমোদন পত্ৰ বিতৰণ অনুষ্ঠানৰ মুখ্য অতিথি ড° কুলশ্ৰী নাথে কয় যে যিসকল মহিলাই এই ৫০, ০০০/- টকাৰ ৰাজসাহায্য পাবলৈ সক্ষম হৈছে সেই টকাখিনি তেওঁলোকৰ ব্যৱসায়িক কামত ব্যৱহাৰ কৰে যেন। তেতিয়াহে টকাখিনি পোৱা সাৰ্থক হ'ব বুলিও কয় ড° কুলশ্ৰী নাথে। তেওঁলোকে টকাখিনি সদ্ব্যৱহাৰ কৰিলেহে অৰ্থাৎ উৎপাদনমুখী কামত ব্যৱহাৰ কৰিলেহে পি এম অজয় আঁচনিখন সফল হ'ব বুলি কয় ডঃকুলশ্ৰী নাথে। আজিৰ অনুষ্ঠানত উপস্থিত থাকি সমাজকৰ্মী জয়ন্ত বুজৰবৰুৱা, জিলা পৰিষদৰ সভানেত্ৰী গীতুমনি বৈশ্যয়ো বক্তব্য আগবঢ়ায়। অনুষ্ঠানত শলাগৰ শৰাই যাচে জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ডঃ ধ্ৰুৱজ্যোতি হাজৰিকাই।

**১৯৯০ৰ পৰা অবিনশ্বৰ গোষ্ঠীয়ে নাট্যপ্ৰতিভা বিকাশত ক্ষেত্ৰত সুকীয়া পৰিচয় লাভ কৰিছে**

# অবিনশ্বৰ গোষ্ঠীৰ শিশু আৰু চেমনীয়া নাট কৰ্মশালাৰ সামৰণি



**অসম বাৰ্তা, পুৰণিগুদাম, ২২ জুলাই ঃ** নগাঁও জিলাৰ পুৰণিগুদামৰ অবিনশ্বৰ গোষ্ঠীৰ উদ্যোগত আৰু নিশিকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত পুৰণিগুদাম ড° ভবেন্দ্ৰ নাথ শইকীয়া সোঁৱৰণী প্ৰেক্ষাগৃহত যোৱা ৬ জুলাইৰ পৰা অনুষ্ঠিত পোন্ধৰদিনীয়া "শিশু আৰু চেমনীয়া নাটক কৰ্মশালা"খনি যোৱা নিশা সফল সামৰণি পৰে। যোৱা নিশা প্ৰশিক্ষাৰ্থীসকলে তিনিখন একাংক আৰু ছুটি নাট পৰিবেশন কৰে। উক্ত নাট্য ৰজনী উছৰ্গা কৰা হৈছিল প্ৰখ্যাত নাট্যকাৰ, পৰিচালক, কবি প্ৰয়াত ৰফিকুল হোছেইনৰ সশ্ৰদ্ধ সোঁৱৰণত। আৰম্ভণিতে ৰফিকুল হোছেইনৰ প্ৰতিচ্ছবিৰ ওচৰত বন্তি প্ৰজ্বলন কৰে অভিনেতা, পৰিচালক কমলেশ শইকীয়াই লগতে শ্ৰদ্ধা নিবেদন কৰে অতিথি আৰু কৰ্মীবৃন্দই। ইয়াৰ পাছতে অবিনশ্বৰ গোষ্ঠীৰ সভাপতি প্ৰণৱ বৰঠাকুৰৰ আহ্বান মৰ্মে সদ্যপ্ৰয়াত চলচ্চিত্ৰ অভিনেত্ৰী পূৰবী শৰ্মা আৰু কবি, নাট্যকাৰ, অভিনেতা ৰাজীৱ বৰঠাকুৰৰ স্মৃতিচাৰণ আৰু মৌন প্ৰাৰ্থনা কৰে প্ৰেক্ষাগৃহত উপস্থিত থকা সমূহ দৰ্শক তথা কৰ্মীবৃন্দই। নাট্য ৰজনীৰ বন্তি প্ৰজ্বলন কৰে ভাওনাৰ বৰবায়ন তথা সমাজকৰ্মী কেশৱ গগৈয়ে। মঞ্চ উদ্বোধন কৰে ড° প্ৰফুল্ল শইকীয়াই। মঞ্চত উপস্থিত থকা অতিথিবৃন্দসকল ক্ৰমে ড° সোমনাথ বৰা, দ্বীজেন্দ্ৰ মোহন শইকীয়া, পুষ্প বৰুৱা, পুৰণিগুদাম প্ৰেছক্লাবৰ সভাপতি তপন কটকী, বিৰিঞ্চি বৰা, পূৰ্ণানন্দ বাৰিক আদি। নাট্য ৰজনীত পৰিবেশন কৰা নাটককেইখন ক্ৰমে প্ৰাঞ্জল শইকীয়াৰ "যৌ হুকুম মেৰি আকা", প্ৰতিভা ভাগৱতীৰ "আমি ভাল মানুহ হ'ম" আৰু দীপক বৰাৰ "কাগজৰ নাও"। সামগ্ৰিক পৰিকল্পনা দীপক বৰাৰ আৰু পৰিচালকসকল ক্ৰমে দীপক বৰা, সুস্মিতা শইকীয়া, সীমান্ত কলিতা, ৰবীন শইকীয়া, মিণ্টু কলিতা। পোহৰ-ৰাজেন ফুকন, আৱহ সঙ্গীত - গুণকান্ত দাস, সহকাৰী - দিশান্ত দিবং বৰা, ভাৰ্গৱ শইকীয়া আৰু গুনীন্দ্ৰ শইকীয়া, ৰূপসজ্জা - নেত্ৰকমল বৰা, দৃশ্যসজ্জা সম্পাদন- সন্তোষ বৰা আৰু দীপেন দাস, সাজসজ্জা- সুস্মিতা শইকীয়া আৰু মিণ্টু কলিতা। নাটক কৰ্মশালাখনিৰ প্ৰশিক্ষক সকল আছিল ক্ৰমে ৰাজেন ফুকন, সুস্মিতা শইকীয়া, সীমান্ত কলিতা, মিণ্টু কলিতা, ৰবীন শইকীয়া আৰু দীপক বৰা। এইবেলি কৰ্মশালাত ২২জন প্ৰশিক্ষাৰ্থী ক্ৰমে ঋদ্ধিমান গায়ন, মৌচম ভূঞা, হৰ্ষকিশোৰ বৰা, চুহানা হাজৰীকা, প্ৰাচুৰ্য্য প্ৰাণ ভূঞা, চিন্ময় জ্যোতি শইকীয়া, স্বদ্ধিদ বিকাশ কৌশিক, জ্যোতিষ্মান কলিতা, জাংশু শইকীয়া, যুবাংগ প্ৰাণ ভূঞা, নিশান্ত কাশ্যপ, আৰফান ৰহমান, বৰ্ণালী শইকীয়া, বৃষ্টি বৰা, নিহাৰীকা হালৈ, প্ৰণাক্ষী বৰা, অন্বেষা অনুৰঞ্জনা, শ্বেতা বৰা, নৱস্মিতা শইকীয়া, প্ৰত্যুষা হাজৰীকা আৰু চয়নিকা বৰাই অংশগ্ৰহণ কৰিছিল। উল্লেখযোগ্য যে, ১৯৯০ চনতে প্ৰতিষ্ঠা হোৱা অবিনশ্বৰ গোষ্ঠীয়ে নাটক, ভাওনাকে ধৰি সাংস্কৃতিক ক্ষেত্ৰখনত এক বলিষ্ঠ ভূমিকা পালন কৰি আহিছে। অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ এক চিনাকি নাম অবিনশ্বৰ গোষ্ঠীত নাটক-ভাওনাৰ প্ৰশিক্ষণ লৈ বহু কেইগৰাকী শিল্পীয়ে এতিয়া অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনত বৰ্তমান সময়ত এক সুকীয়া পৰিচয় লাভ কৰিছে। অবিনশ্বৰ গোষ্ঠীৰ উদ্যোক্তা, নাট্যকাৰ-পৰিচালক দীপক বৰাকে ধৰি সমূহ কৰ্মীৰ ঐকান্তিক প্ৰচেষ্টাত অবিনশ্বৰ গোষ্ঠীয়ে সুফল লাভ কৰি আহিছে সাংস্কৃতিক ক্ষেত্ৰখনত। নাটকৰ প্ৰাৰম্ভিক পৰ্য্যায়ৰ পৰা আৰম্ভ কৰি এজন সফল অভিনেতা হোৱালৈকে অবিনশ্বৰ গোষ্ঠীয়ে যি প্ৰচেষ্টা অব্যাহত ৰাখিছে তাৰ ফলস্বৰূপে নতুন প্ৰজন্মৰ মাজত বৃদ্ধি পাইছে অভিনয় কৰাৰ এক নতুন আশা। যোৱা নিশা শিশু আৰু চেমনীয়াসকলে পোন্ধৰ দিন প্ৰশিক্ষণ যি সুন্দৰ অভিনয় কৰি নাট্যপ্ৰেমী দৰ্শক-ৰাইজক আপ্লুত কৰিলে সেয়া অবিনশ্বৰ গোষ্ঠীৰ এক সমূহীয়া প্ৰচেষ্টা। বৰ্তমান ম'বাইল, ইণ্টাৰনেটৰ যুগত নাট্য প্ৰতিভা বিকাশৰ ক্ষেত্ৰত উঠি অহা প্ৰজন্মৰ লগতে অভিভাৱকসকলক আশাবাদী কৰিবলৈ সক্ষম হোৱা অবিনশ্বৰ গোষ্ঠীৰ মহান পদক্ষেপ এতিয়া সকলোতে চৰ্চাৰ বিষয় হৈ পৰিছে।

# গোসাঁইগাঁৱত আমছুৰ উদ্যোগত বিনামূলীয়া গ্ৰীষ্মকালীন পাঠদান শিবিৰৰ সামৰণি, সজাগতা সভা অনুষ্ঠিত



**অসম বাৰ্তা, গোসাঁইগাঁও, ২২ জুলাই ঃ** সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন (আমছু)ৰ পশ্চিম কোকৰাঝাৰ জিলা সমিতিৰ অন্তৰ্গত গোসাঁইগাঁও আঞ্চলিক সমিতিৰ উদ্যোগত আৰু নৱজাগৰণ জাতীয় বিদ্যালয়ৰ সহযোগত আয়োজিত বিনামূলীয়া গ্ৰীষ্মকালীন পাঠদান শিবিৰৰ সামৰণি অনুষ্ঠান আৰু সজাগতা সভা আজি নৱজাগৰণ জাতীয় বিদ্যালয় প্ৰাংগনত উৎসাহ-উদ্দীপনাৰ মাজেৰে অনুষ্ঠিত হয়। অনুষ্ঠানত অঞ্চলটোৰ বহু সংখ্যক ছাত্ৰ-ছাত্ৰী, শ্ৰীৰামপুৰ সমষ্টিৰ টিচিএলচিচিৰ চেয়াৰমেন মোখলেছুৰ ৰহমান, বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, আমছুৰ বিভিন্ন পৰ্যায়ৰ বিষয়ববীয়া আৰু কৰ্মীসকলৰ লগতে স্থানীয় গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। গ্ৰীষ্মকালীন অৱকাশৰ সময়ছোৱাক ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক দক্ষতা বৃদ্ধি, অধ্যয়নৰ প্ৰতি আগ্ৰহ সৃষ্টি আৰু সৃজনশীল চিন্তাধাৰাৰ বিকাশ ঘটোৱাৰ উদ্দেশ্যে এই বিনামূলীয়া পাঠদান শিবিৰ আয়োজন কৰা হৈছিল। সামৰণি অনুষ্ঠানৰ অংশ হিচাপে অনুষ্ঠিত সজাগতা সভাত বক্তাসকলে ছাত্ৰ সমাজত অনুশাসনৰ প্ৰয়োজনীয়তা, গুণগত শিক্ষাৰ গুৰুত্ব, নৈতিক মূল্যবোধৰ বিকাশ আৰু ভৱিষ্যৎ জীৱনত সফলতা লাভৰ বাবে নিয়মীয়া অধ্যয়ন আৰু অধ্যৱসায়ৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত উপস্থিত অভিভাৱক আৰু স্থানীয় ৰাইজে আমছুৰ গোসাঁইগাঁও আঞ্চলিক সমিতিয়ে গ্ৰহণ কৰা এই গঠনমূলক আৰু শিক্ষামুখী পদক্ষেপৰ উচ্চ প্ৰশংসা কৰে। এনে কাৰ্য্যসূচিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাংগীণ বিকাশত ইতিবাচক ভূমিকা পালন কৰাৰ লগতে সমাজত শিক্ষাৰ অনুকূল পৰিৱেশ গঢ়ি তোলাত সহায়ক হ'ব বুলি মত প্ৰকাশ কৰে।

# দিল্লীৰ শিক্ষাৰ্থী প্ৰতিবাদত অসমৰ

চলচ্চিত্ৰ আৰু সংগীত জগতৰ তিনিগৰাকী জনপ্ৰিয় শিল্পীয়ে সামাজিক মাধ্যমযোগে নিজৰ উদ্বেগ আৰু সমৰ্থন ব্যক্ত কৰি আলোচিত হৈ পৰিছে। দেশৰ ভৱিষ্যত গঢ় দিয়া শিক্ষাৰ্থীসকলৰ এই প্ৰতিবাদক লৈ অসমৰ অভিনেতা ৰবি শৰ্মা, কণ্ঠশিল্পী জুবলী বৰুৱা আৰু অভিনেতা যতীন বৰাই একক ভাবে সামাজিক মাধ্যমত পোষ্ট আৰু ভিডিঅ'যোগে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। অভিনেতা ৰবি শৰ্মাই মঙলবাৰে নিশা এক ভিডিঅ' বাৰ্তাত কয়, "আজি ২০-২২ দিন ধৰি এই প্ৰতিবাদ চলি আছে। শিক্ষাৰ্থীসকলে অনশন আৰম্ভ কৰোঁতেই চৰকাৰে আলোচনাত বহি সমাধান উলিয়াব পাৰিলেহেঁতেন। কিন্তু তেওঁলোকে সেই কাম নকৰিলে। এগৰাকী পিতৃ আৰু নাগৰিক হিচাপে মই কৈছোঁ যে ২০-২২ গৰাকী শিক্ষাৰ্থীয়ে চৰমপন্থা ল'বলগীয়া হোৱাটো অত্যন্ত দুখজনক। তেওঁলোকে নিজৰ ভৱিষ্যৎক লৈ চিন্তিত হৈ পৰিছে।" তেওঁ লগতে কয়, "কেৱল নীট পৰীক্ষাই নহয়, বিভিন্ন ধৰণৰ পৰীক্ষাত প্ৰশ্নকাকত ফাদিল হৈছে। বহু স্কুলও বন্ধ হৈ গৈছে। আমাৰ শিক্ষা ব্যৱস্থাটোৰ সংস্কাৰৰ প্ৰয়োজনীয়তা সকলোৱে বুজি পাইছে। চৰকাৰে দায়িত্ব সহকাৰে এই সমস্যাসমূহ চম্ভালিব লাগিছিল, কিন্তু তাৰ পৰিবৰ্তে লাঠিচালনা আৰু বৰ্বৰতাৰে শিক্ষাৰ্থীসকলৰ ওপৰত হাত দিয়া কথাটো অতি বেয়া লাগিছে। চৰকাৰে সজাগ হওক, ল'ৰা-ছোৱালীৰ ভৱিষ্যতক লৈ হেতালি নেখেলিব।" কণ্ঠশিল্পী জুবলী বৰুৱাই সামাজিক মাধ্যমযোগে কেইবাখনো ফটো শ্বেয়াৰ কৰি লিখে, "ইণ্টাৰনেটত বিভিন্ন প'ষ্ট, ফটো আৰু ভিডিঅ' চাই মনটো অত্যন্ত বেয়া লাগিছে। বিশ্বাস কৰিবলৈ টান লাগিছে যেন এয়া এটা বেয়া সপোনহে। যন্তৰ-মন্তৰত শান্তিপূৰ্ণ গণতান্ত্ৰিক প্ৰতিবাদৰ সময়ত সংঘটিত হোৱা ঘটনা দুখজনক আৰু লজ্জাজনক। গণতান্ত্ৰিক দেশত নিজৰ অধিকাৰ আৰু দাবীৰ বাবে শান্তিপূৰ্ণভাৱে মাত মতা প্ৰতিজন নাগৰিকৰ সাংবিধানিক অধিকাৰ। সেই অধিকাৰৰ প্ৰতি সন্মান জনোৱাটো সকলোৰে দায়িত্ব।" তেওঁ লগতে লিখে, "শান্তিপূৰ্ণ প্ৰতিবাদকাৰীসকলৰ ওপৰত বলপ্ৰয়োগ, নিৰ্মম নিৰ্যাতন আৰু অমানৱীয় ব্যৱহাৰ গণতন্ত্ৰ আৰু মানৱাধিকাৰৰ ওপৰত এক জঘন্য আঘাত। বিশেষকৈ মহিলা আৰু কিশোৰীসকলৰ ওপৰত সংঘটিত হোৱা অসভ্য আৰু অমানৱীয় আচৰণ গভীৰভাৱে লজ্জাজনক আৰু তীব্ৰভাৱে নিন্দনীয়। এই ঘটনাক অপপ্ৰচাৰ, বিভ্ৰান্তিকৰ তথ্য বা ৰাজনৈতিক স্বাৰ্থৰ বাবে ব্যৱহাৰ কৰাটোও সমানেই গৰিহণাজনক। সত্য উদ্‌ঘাটিত হওক আৰু দোষীসকল নিৰপেক্ষ আৰু স্বচ্ছ তদন্তৰ জৰিয়তে আইনৰ কঠোৰতম ব্যৱস্থাৰ সন্মুখীন হওক।" অসমীয়া ছবিজগতৰ জনপ্ৰিয় অভিনেতা যতীন বৰাই লিখে, "ভাৰতবৰ্ষৰ এজন সচেতন নাগৰিক আৰু দুজন সন্তানৰ পিতৃ হিচাপে এই গোটেই ঘটনাক্ৰমটো গভীৰ উদ্বেগেৰে লক্ষ্য কৰি আছোঁ। আজিৰ ছাত্ৰ-ছাত্ৰীসকলেই দেশৰ ভৱিষ্যত। তেওঁলোকে নিজৰ শিক্ষা আৰু ভৱিষ্যতক লৈ ৰাজপথলৈ ওলাই আহিবলগীয়া হোৱাটো অত্যন্ত চিন্তাজনক। যিবোৰ বিষয় আলোচনা আৰু সংবেদনশীলতাৰে সমাধান হ'ব পাৰিলেহেঁতেন, সেইবোৰ ৰাজপথলৈ গুচি যোৱাটো সকলোৰে বাবে চিন্তাৰ কাৰণ।" তেওঁ আৰু কয়, "মই বিশ্বাস কৰোঁ-কাৰোবাৰ কথা শুনাটো কেতিয়াও দুৰ্বলতা নহয়। ছাত্ৰ-ছাত্ৰীসকলৰ উদ্বেগ, আশা আৰু দাবীবোৰ সহানুভূতিৰে শুনি ইতিবাচক সমাধান বিচাৰি উলিওৱাটোৱেই এখন গণতান্ত্ৰিক সমাজৰ শক্তি। আমাৰ সকলোৰে লক্ষ্য একেই হ'ব লাগে-এটা উন্নত, স্বচ্ছ আৰু বিশ্বাসযোগ্য শিক্ষা ব্যৱস্থা, য'ত প্ৰতিজন শিক্ষাৰ্থীয়ে আত্মবিশ্বাসেৰে নিজৰ সপোন পূৰণ কৰাৰ সুযোগ লাভ কৰে। মই আশা কৰোঁ চৰকাৰে এই বিষয়টো গুৰুত্বসহকাৰে বিবেচনা কৰি এক ইতিবাচক সমাধানলৈ আগবাঢ়িব। ছাত্ৰ-ছাত্ৰীসকলৰ মংগল হওক। শিক্ষাৰ জয় হওক আৰু এনে এখন ভাৰত গঢ়ি উঠক, য'ত কোনো ছাত্ৰ-ছাত্ৰীয়ে নিজৰ ভৱিষ্যতৰ বাবে ৰাজপথত থিয় দিবলগীয়া নহয়।"

# নীট পৰীক্ষা সম্পূৰ্ণৰূপে বাতিল

হৈছে আৰু প্ৰতি বছৰে বহু শিক্ষাৰ্থীয়ে এই চাপ সহ্য নোৱাৰি আত্মহত্যাৰ দৰে চৰম পদক্ষেপ ল'বলগীয়া হৈছে। তামিলনাডু মুখ্যমন্ত্ৰী বিজয় থালাপতিৰ দল টিভিকে (TVK) এক্স (পূৰ্বৰ টুইটাৰ)ত পোষ্ট কৰি কয়, "নীট পৰীক্ষা প্ৰৱৰ্তন হোৱাৰ পিছৰে পৰা কেৱল ইয়াৰ বিশ্বাসযোগ্যতাৰ প্ৰতি আঁচোৰহে পৰা নাই, বৰঞ্চ শিক্ষাৰ্থীসকলৰ ভৱিষ্যতৰ সপোনবোৰ এক ডাঙৰ প্ৰশ্নবোধক চিহ্নলৈ পৰিণত হৈছে। প্ৰতি বছৰে নীটৰ বাবে শিক্ষাৰ্থীসকলৰ যি ক্ষতি হৈছে, সেয়া কোনো ধৰণে গ্ৰহণযোগ্য নহয়। সেয়ে আমি কেন্দ্ৰীয় চৰকাৰক নীট পৰীক্ষা সম্পূৰ্ণৰূপে বাতিল কৰিবলৈ তীব্ৰ দাবী জনাইছো।" বিজয় থালাপতিৰ এই মন্তব্য তেতিয়াহে অহা যেন লাগিছে, যেতিয়া গোটেই দেশতে নীট প্ৰশ্নকাকত ফাদিল আৰু শিক্ষা ব্যৱস্থাৰ সংকটক লৈ বিৰোধী দলসমূহে প্ৰচণ্ড প্ৰতিবাদ চলাই আছে। তামিলনাডু চৰকাৰে দীৰ্ঘদিন ধৰি নীটৰ বিৰোধিতা কৰি আহিছে, আৰু ৰাজ্যখনত ৰাজ্যিক স্তৰৰ মেডিকেল প্ৰৱেশিকা পৰীক্ষা পুনৰ প্ৰৱৰ্তনৰ দাবীও উত্থাপন কৰি আহিছে। ইফালে, দিল্লীত নীট প্ৰশ্নকাকত ফাদিলৰ ঘটনাৰ বিৰুদ্ধে প্ৰতিবাদ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ সমৰ্থনত লোকসভাৰ বিৰোধী দলৰ নেতা ৰাহুল গান্ধী, কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, প্ৰিয়ংকা গান্ধী ভাদ্ৰা, সমাজবাদী পাৰ্টিৰ অখিলেশ যাদৱ আৰু এনচিপি নেত্ৰী সুপ্ৰিয়া চুলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাসগৃহৰ সন্মুখত ধৰ্ণা প্ৰদৰ্শন কৰে। আৰক্ষীয়ে তেওঁলোকক সেই স্থানৰ পৰা জোৰ-জবৰদস্তি আঁতৰাই নিয়ে আৰু তেওঁলোকক জিম্মাত লয়। এই ঘটনাক লৈ TVK-য়ে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। তেওঁলোকে এক্সত পোষ্ট কৰি কয়, "ৰাজধানী দিল্লীত যুৱক-যুৱতীসকলৰ অহিংস প্ৰতিবাদৰ সমৰ্থনত ওলাই অহা লোকসভাৰ বিৰোধী দলৰ নেতা ৰাহুল গান্ধীক দিল্লী আৰক্ষীয়ে চোঁচৰাই লৈ যোৱা আৰু হাত কেৰা লগাই লৈ যোৱাটো গণতান্ত্ৰিক অধিকাৰৰ ওপৰত এক প্ৰত্যক্ষ আক্ৰমণ। ই অত্যন্ত নিন্দনীয়।" উল্লেখ্য যে প্ৰধানমন্ত্ৰীৰ বাসগৃহৰ সন্মুখত ধৰ্ণা প্ৰদৰ্শনৰ সময়ত আৰক্ষীয়ে বিৰোধী নেতাসকলক আটক কৰে, যাৰ ফলত সমগ্ৰ দেশত ৰাজনৈতিক মহলত তুমুল প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। কংগ্ৰেছ দলে এই ঘটনাক "গণতন্ত্ৰৰ ওপৰত আক্ৰমণ" বুলি অভিহিত কৰিছে, আনহাতে বিজেপিয়ে বিৰোধীসকলৰ কাৰ্যক অগণতান্ত্ৰিক বুলি সমালোচনা কৰিছে। তামিলনাডু মুখ্যমন্ত্ৰী বিজয় থালাপতিৰ এই মন্তব্য আৰু বিৰোধী নেতাসকলৰ আটকৰ ঘটনাই ৰাজনৈতিক পৰিস্থিতি অধিক উত্তপ্ত কৰি তোলাৰ লগতে শিক্ষা ব্যৱস্থাৰ সংকটৰ বিষয়টো পুনৰ ৰাষ্ট্ৰীয় বিতৰ্কৰ কেন্দ্ৰবিন্দু হৈ পৰিছে।

# দুৰ্যোগত সহায়ৰ হাত আগবঢ়াবলৈ

জৰুৰী মুহূৰ্তত বানপীড়িত লোকসকলৰ সহায়ৰ বাবে এগৰাকী বিধায়কে আগবাঢ়িছে এক ঐতিহাসিক পদক্ষেপ। ধুবুৰী বিধানসভাৰ বিধায়ক বদৰুদ্দিন আজমলে আজমল ফাউণ্ডেশ্যনৰ জৰিয়তে এক কোটি টকাৰ বিশেষ সাহায্য পুঁজি ঘোষণা কৰি উজনি অসম অভিমুখে ৰাওনা হৈছে। বুধবাৰে বিধানসভাৰ বাজেট অধিৱেশনৰ নৱম দিনা সংবাদ মাধ্যমৰ আগত আজমলে কয়, "মই আজি উজনি অসমলৈ যাম। শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাত বানৰ কবলত পৰা লোকসকলৰ প্ৰত্যক্ষভাৱে সহায় কৰিম। লগত লৈ গৈছো এক কোটি টকা, আৰু প্ৰয়োজনসাপেক্ষে এই পুঁজি বৃদ্ধি কৰিম।" তেওঁ লগতে উল্লেখ কৰে যে দুদিনৰ বাবে অধিৱেশন স্থগিত ৰাখি সকলো মন্ত্ৰী-বিধায়কক বানাক্ৰান্ত অঞ্চললৈ গৈ সহায় কৰিবলৈ আহ্বান জনায়। আজমলে স্পষ্টকৈ কয়, "বিপদত পৰা হিন্দু ভাই-ভনীসকলকে ধৰি অ'মুছলমান লোকসকলৰ ঘৰত থকি মই সহায় আগবঢ়াম। মই তিনিদিন তাতেই থাকিম আৰু পৰিস্থিতি নিৰীক্ষণ কৰিম।" ইফালে বিধানসভাৰ পৰা ওলাই অহাৰ পাছত আজমলে সাহায্য পুঁজি ২ কোটি টকালৈ বৃদ্ধি কৰাৰ কথাও ঘোষণা কৰে। তেওঁ কয়, "প্ৰয়োজন অনুসাৰে এই পুঁজি আৰু বঢ়াবলৈ আমি সম্পূৰ্ণ সাজু।" উল্লেখ্য যে ৰাজ্যত একে দিনাই বানপানীত ২১জন লোকৰ মৃত্যু হৈছে, আৰু ১৬খন জিলাত প্ৰায় ৫.৪ লাখ লোক আক্ৰান্ত হৈছে। উজনি অসমৰ ৰেলপথসমূহো ক্ষতিগ্ৰস্ত হৈছে, যাৰ সম্পূৰ্ণ মেৰামতিত কমেও ১৫ দিন সময় লাগিব বুলি অনুমান কৰা হৈছে। এই জটিল পৰিস্থিতিত বিধায়ক বদৰুদ্দিন আজমলৰ এই পদক্ষেপক স্থানীয় ৰাইজে সাদৰে আদৰণি জনাইছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাও আজি পুৱা উজনি অসমৰ বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন কৰি ক্ষতিগ্ৰস্ত পৰিয়ালবোৰক ৪ লাখকৈ এককালীন সাহায্য প্ৰদানৰ ঘোষণা দিছে। বানপানীৰ এই দুৰ্যোগ মুহূৰ্তত ৰাজ্যবাসীয়ে প্ৰশাসন আৰু জনপ্ৰতিনিধিসকলৰ পৰা ততাতৈয়া সহায় আশা কৰিছে। বিধায়ক আজমলৰ এই মানৱীয় প্ৰয়াসে আন বহু জনপ্ৰতিনিধিকো আগবাঢ়ি অহাৰ বাবে অনুপ্ৰেৰণা যোগাব বুলি আশা কৰা হৈছে।

# শিৱসাগৰৰ বানপীড়িতলৈ কুৰিখন

ৰাইজৰ কাষত মাজুলীবাসী ঠিয় দি তাকেই প্ৰমাণ কৰিছে। বানৰ সংহাৰী ৰূপত এতিয়া হাহাকাৰ অৱস্থা শিৱসাগৰতহঁ পানীত বন্দী হৈ পৰিছে হাজাৰোধিক লোক, য'তে-ত'তে উদ্ধাৰ হৈছে মৃতদেহ। বানপীড়িতই ওখ চাংঘৰ উঠি প্ৰাণৰক্ষা কৰাৰ সমান্তৰালকৈ এমুঠি অন্ন আৰু এটুপি পানীৰ বাবে হাহাকাৰ কৰিব লগা হৈছে। এনে সংকটজনক অৱস্থাত শিৱসাগৰৰ বানপীড়িতক উদ্ধাৰৰ বাবে তৎপৰ হৈ পৰিছে মাজুলী জিলা প্ৰশাসন। প্ৰশাসনৰ বিশেষ অনুৰোধমৰ্মে শালমৰাৰ ৰাইজে দেখুৱালে মহানুভৱতা। বিক্ৰীৰ বাবে সাজু কৰি ৰখা ২০ খনকৈ হাত নাও স্ব-ইচ্ছাৰে জিলা প্ৰশাসনৰ হাতত তুলি দিলে শালমৰাৰ স্থানীয় নৌকা শিল্পীসকলে। যি সময়ত এটুপি খোৱাপানী আৰু নিৰাপদ আশ্ৰয়ৰ বাবে বানপীড়িতই হাহাকাৰ কৰিবলগীয়া হৈছে, সেই সময়তে শালমৰাৰ ৰাইজৰ এই পদক্ষেপে এতিয়া আশাৰ ৰেঙণি কঢ়িয়াই আনিছে। আজি এই নাও সমূহ বিশেষ ফেৰীৰে শিৱসাগৰলৈ পঠোৱা হৈছে। মাজুলী শালমৰা পৰা নৌকা সমূহ শিৱসাগৰলৈ পঠোৱাৰ সময়ত মাজুলী জিলা প্ৰশাসনৰ কেইবাগৰাকী বিষয়া আৰু কৰ্মচাৰী উপস্থিত থাকে।

# অনশন ভংগৰ বাবে শিক্ষামন্ত্ৰীৰ

বৰ্জন কৰাৰ বাবে দুটা নতুন চৰ্ত দাঙি ধৰে। প্ৰশ্নকাকত ফাদিলৰ অভিযোগত শেহতীয়াকৈ বিক্ষোভত অংশ লোৱা প্ৰতিবাদকাৰীসকলৰ বিৰুদ্ধে কোনো আইনী বা প্ৰতিশোধমূলক ব্যৱস্থা নোলোৱাৰ স্পষ্ট আশ্বাস আৰু কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ বিষয়টো সংসদত আলোচনা কৰাৰ প্ৰতিশ্ৰুতিতহে তেওঁৰ অনশন ভংগ কৰিব বুলি ৱাংচুকে স্পষ্ট কৰে। কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী জে পি নাড্ডা আৰু জিতেন্দ্ৰ সিঙলৈ প্ৰেৰণ কৰা এখন পত্ৰত ৱাংচুকে তেওঁলোকক চিকিৎসালয়ত সাক্ষাৎ কৰি দিয়া সহায়ৰ বাবে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে কয় যে চৰকাৰে প্ৰশ্নকাকত ফাদিলৰ পিছত আত্মহত্যা কৰা ছাত্ৰ-ছাত্ৰীৰ পৰিয়ালক ক্ষতিপূৰণ দিয়াৰ বিষয়টো বিবেচনা কৰাৰ লগতে শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ সম্ভাব্য পদত্যাগকে ধৰি জৱাবদিহিতাৰ সন্দৰ্ভত সংসদত আলোচনা কৰিব বুলি আশ্বাস দিছে। ৱাংচুকে পত্ৰত উল্লেখ কৰে যে ২০ জুলাইৰ 'চলো সংসদ' পদযাত্ৰা সম্পূৰ্ণ শান্তিপূৰ্ণ আছিল, যদিও তাত অত্যধিক আৰক্ষী বাহিনী মোতায়েন কৰা হৈছিল। তেওঁ লিখে, "গোটেই দেশ আৰু বিশ্বই তেওঁলোকৰ (প্ৰতিবাদকাৰীৰ) ধৈৰ্য্য আৰু গণতান্ত্ৰিক প্ৰতিবাদৰ প্ৰতি দায়বদ্ধতাৰ সাক্ষী হৈছিল। মই আন্তৰিকতাৰে আশা কৰোঁ যে প্ৰতিবাদত অংশগ্ৰহণ কৰাসকলৰ বিৰুদ্ধে কোনো আইনী গোচৰ, হাৰাশাস্তি বা প্ৰতিশোধমূলক ব্যৱস্থাৰ দ্বাৰা গণতান্ত্ৰিক প্ৰতিষ্ঠানৰ প্ৰতি থকা এই বিশ্বাস ক্ষতিগ্ৰস্ত নহয়।" বিভিন্ন ৰাজনৈতিক দলৰ প্ৰায় ৬৫জন সংসদ সদস্যই তেওঁক অনশন শেষ কৰিবলৈ আবেদন জনাইছে বুলি উল্লেখ কৰি ৱাংচুকে কয় যে আন্দোলনৰ সৈতে জড়িত যুৱক-যুৱতীসকলৰ বাবে "নিৰদ্বিধায় আশ্বাস" অবিহনে তেওঁ অনশন ভংগ কৰিব নোৱাৰে। তেওঁ স্পষ্টকৈ লিখিছে, "যদি এনে আশ্বাস দিয়া হয়, তেন্তে মই মোৰ অনশন শেষ কৰিম।" যদিহে তেনে আশ্বাস দিয়া নহয়, তেন্তে তেওঁ অনিৰ্দিষ্টকাললৈ অনশন অব্যাহত ৰাখিব। ইয়াৰ লগতে ৱাংচুকে চৰকাৰক অধিক আৰক্ষী মোতায়েনৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনাই কয় যে গণতন্ত্ৰৰ ভৱিষ্যৎ নিৰ্ভৰ কৰে নিজৰ কণ্ঠ প্ৰতিধ্বনিত কৰা যুৱ নাগৰিকসকলৰ লগত কেনেধৰণৰ ব্যৱহাৰ কৰা হয় তাৰ ওপৰত। তেওঁ শিক্ষা ব্যৱস্থাৰ সংস্কাৰকে ধৰি বিভিন্ন দাবী সন্দৰ্ভত চৰকাৰে গুৰুত্ব সহকাৰে বিবেচনা কৰাটো বাঞ্ছনীয় বুলিও মত প্ৰকাশ কৰে।

# উন্নয়নমূলক প্ৰকল্পৰ বাবে ভূমি অধিগ্ৰহণ

বিধেয়ক ২০২৬' উত্থাপন কৰে। বুধবাৰে বিধানসভাৰ অধিৱেশনত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰী পীযুষ হাজৰিকাই এই বিধেয়ক সদনত আগবঢ়ায়। উত্থাপিত সংশোধনী বিধেয়ক অনুসৰি মূল আইনৰ ধাৰা ১০এ সংশোধন কৰি নিৰ্দিষ্ট কিছুমান প্ৰকল্পৰ ক্ষেত্ৰত দ্বিতীয় আৰু তৃতীয় অধ্যায়ৰ বিধান প্ৰযোজ্য নোহোৱাৰ প্ৰস্তাৱ দিয়া হৈছে। উল্লেখযোগ্য যে এই অধ্যায় দুটাত মূলত সামাজিক প্ৰভাৱ মূল্যায়ন আৰু কৃষিভূমি সুৰক্ষাৰ ব্যৱস্থা অন্তৰ্ভুক্ত আছে। সংশোধনী বিধেয়কত যিবোৰ প্ৰকল্পক এই বিধানসমূহৰ পৰা ৰেহাই দিয়াৰ প্ৰস্তাৱ দিয়া হৈছে, তাৰ ভিতৰত আছে: ৰাষ্ট্ৰীয় নিৰাপত্তা বা প্ৰতিৰক্ষাৰ সৈতে জড়িত প্ৰকল্প, বৈদ্যুতিকৰণ, স্বাস্থ্য আৰু শিক্ষাকে ধৰি গ্ৰাম্য আন্তঃগাঁথনি সম্পৰ্কীয় প্ৰকল্প আৰু দৰিদ্ৰ লোকসকলৰ বাবে সুলভ গৃহ নিৰ্মাণৰ বাবে প্ৰয়োজনীয় ভূমি। ইয়াৰ উপৰিও ৰাজ্য চৰকাৰ আৰু ইয়াৰ প্ৰতিষ্ঠানসমূহে স্থাপন কৰা ঔদ্যোগিক এলেকা বা বাগিচাৰ বাবে ভূমি, ঔদ্যোগিক কৰিড'ৰ, আৰু পাব্লিক-প্ৰাইভেট পাৰ্টনাৰশ্বিপ শ্চপিপিপিগ্ন ম'ডৰ অধীনত থকা আন্তঃগাঁথনি প্ৰকল্পসমূহ য'ত ভূমিৰ মালিকীস্বত্ব ৰাজ্যৰ সৈতে নিহিত হৈ থাকে, সেইবোৰকো এই ৰেহাইৰ আওতাত অন্তৰ্ভুক্ত কৰা হৈছে। বিমানবন্দৰ আৰু ইয়াৰ আশে-পাশে থকা পৰিকল্পিত নগৰ উন্নয়ন প্ৰকল্পসমূহকো এই সুবিধা দিয়া হ'ব। বিধেয়কত স্পষ্টকৈ উল্লেখ আছে যে কোনো প্ৰকল্পৰ বাবে আৱশ্যকীয় সৰ্বনিম্ন পৰিমাণৰ ভূমিহে এই অব্যাহতিৰ আওতাত অধিগ্ৰহণ কৰা হ'ব। অৰ্থাৎ প্ৰয়োজনাতীত অতিৰিক্ত ভূমি অধিগ্ৰহণক এই সংশোধনীৰ দ্বাৰা উৎসাহিত কৰা নহয়। চৰকাৰী সূত্ৰৰ মতে, সামাজিক প্ৰভাৱ মূল্যায়ন আৰু অন্যান্য প্ৰক্ৰিয়াগত জটিলতাৰ বাবে বহু উন্নয়নমূলক প্ৰকল্প সময়সীমাত ৰূপায়ণ কৰিব নোৱাৰি পলম হয়। এই সংশোধনীৰ জৰিয়তে গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি, স্বাস্থ্য, শিক্ষা, গৃহ নিৰ্মাণ, আৰু ঔদ্যোগিক প্ৰকল্পসমূহ অধিক দ্ৰুতগতিত ৰূপায়ণ কৰাৰ পথ সুগম হ'ব বুলি চৰকাৰে মত প্ৰকাশ কৰে। উল্লেখ্য যে অসম চৰকাৰে ৰাজ্যৰ অৰ্থনৈতিক বিকাশ আৰু আন্তঃগাঁথনি উন্নয়নক অগ্ৰাধিকাৰ দি আহিছে। এই সংশোধনী বিধেয়কে উন্নয়নমূলক কাম-কাজৰ গতি বৃদ্ধি কৰাৰ লগতে ৰাজ্যখনক বিনিয়োগ-বান্ধৱ পৰিৱেশ প্ৰদান কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে।

# তিনিখন জিলাৰ প্ৰাকৃতিক দুৰ্যোগৰ

আজি এক গুৰুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত হয়। সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই সদনৰ মজিয়াত স্বীকাৰ কৰে যে এই তিনিখন জিলাত যি প্ৰাকৃতিক দুৰ্যোগ ঘটি আছে, তাৰ বাবে চৰকাৰ বা প্ৰশাসন আগতীয়াকৈ সাজু নাছিল। ষোড়শ অসম বিধানসভাৰ বাজেট অধিৱেশনৰ নৱম দিনা প্ৰশ্নোত্তৰ কালৰ পাছতে কংগ্ৰেছ আৰু এআইইউডিএফ দলে ৰাজ্যৰ বান পৰিস্থিতি আলোচনাৰ বাবে সভা স্থগিত ৰাখিবলৈ প্ৰস্তাৱ উত্থাপন কৰে। কিন্তু সদন পৰিচালনাৰ ১৪৬নং বিধি অনুসৰি বাজেটৰ দাবী মঞ্জুৰীৰ ওপৰত আলোচনা চলি থকা বাবে অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে সেই প্ৰস্তাৱ নাকচ কৰে। তথাপি অধ্যক্ষে অসমৰ বৰ্তমান পৰিস্থিতিৰ ওপৰত চৰকাৰী বিবৃতি দিয়াৰ বাবে আহ্বান জনায়। তাৰ পিছতে বিৰোধী দলপতি ৰাজেদ আলী চৌধুৰী, বিধায়ক জাকিৰ হুছেইন শিকদাৰ আৰু ডাঃ জয়প্ৰকাশ দাসে সদনত বিষয়টো উত্থাপন কৰে। তেওঁলোকে উজনিৰ তিনিখন জিলাত বানপানীয়ে সৃষ্টি কৰা শোচনীয় পৰিস্থিতিৰ বৰ্ণনা দিয়ে আৰু অভিযোগ উত্থাপন কৰে যে চৰকাৰে বন্যাৰ্তসকলক উদ্ধাৰ আৰু সাহায্য প্ৰদানত সফল হোৱা নাই। সাধাৰণ ৰাইজে কেনেকৈ গছৰ ডালত বা ঘৰৰ চালত আশ্ৰয় লৈ প্ৰাণ ৰক্ষা কৰিবলগীয়া হৈছে, পানীৰ ঢলে কেনেদৰে জনজীৱন গ্ৰাস কৰিছে — সেই কথাবোৰ তেওঁলোকে সদনত তুলি ধৰে। চৰকাৰৰ ফালৰ পৰা উত্তৰ দিয়াৰ সুযোগ লৈ মন্ত্ৰী পীযুষ হাজৰিকাই কয়, "এই বিষয়টো অত্যন্ত গুৰুত্বপূৰ্ণ আৰু স্পৰ্শকাতৰ। আগতে উজনিৰ এই সমষ্টিসমূহত কেতিয়াও বানপানী পৰিলক্ষিত হোৱা নাছিল। য'ত মথাউৰি ভাঙিব পাৰে, য'ত বানপানী হোৱা স্বাভাৱিক, আমি সেইবোৰৰ বাবে সাজু থাকোঁ। কিন্তু শিৱসাগৰ, চৰাইদেউ, তিতাবৰ সমষ্টিত ইয়াৰ আগতে বান নাছিল।" তেওঁ লগতে কয়, "ইয়াৰ আগতে ২০০৪ চনত গোৱালপাৰাৰ বলবলাত এনে ঘটনা ঘটিছিল। কিন্তু উজনিৰ জিলাকেইখনত ২০ জুলাইৰ পৰা যি বানপানী হ'ল, সেয়া প্ৰাকৃতিক দুৰ্যোগ। যোৱা ষাঠি বছৰত এই তিনি জিলাত এনে পৰিস্থিতি কেতিয়াও ঘটি নাছিল। বলবলাৰ পুনৰাবৃত্তি এইবাৰ শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাটত হৈছে। সেয়ে এনে দুৰ্যোগৰ বাবে কোনো আগতীয়া সাজোতা নাছিল।" মন্ত্ৰী হাজৰিকাই জনায় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই খবৰ পোৱাৰ লগে লগে জলসম্পদ মন্ত্ৰী সুশান্ত বৰগোহাঁই, মন্ত্ৰী কেশৱ মহন্ত, শিৱসাগৰৰ অভিভাৱক মন্ত্ৰী বিমল বড়া আৰু যোৰহাটৰ অভিভাৱক মন্ত্ৰী অজন্তা নেওগক তৎক্ষণাত বানপীড়িত অঞ্চললৈ যোৱাৰ নিৰ্দেশ দিয়ে। তিনি-চাৰি ঘণ্টাৰ ভিতৰতে সকলো অভিভাৱক মন্ত্ৰী ঘটনাস্থলীত উপস্থিত হয়। তেওঁ আৰু কয়, "বলবলাত চাৰি-পাঁচ ঘণ্টা পানী আছিল, কিন্তু এই তিনি জিলাত পানী লাহে লাহে নিগৰি গৈ আছে। ২০ জুলাইৰ পৰাই তিনি-চাৰিখন হেলিকপ্টাৰেৰে উদ্ধাৰ অভিযান চলোৱা হৈছে। দুৰ্গতসকলক পানী, খাদ্য আদি প্ৰদান কৰা হৈছে।" মন্ত্ৰীগৰাকীয়ে স্বীকাৰ কৰে যে এতিয়াও বহু লোক সন্ধানহীন হৈ আছে, কিন্তু সঠিক সংখ্যা এতিয়াও নিৰ্ধাৰণ কৰা সম্ভৱ হোৱা নাই। আজি মুখ্যমন্ত্ৰীয়ে যোৰহাট আৰু শিৱসাগৰৰ বিভিন্ন স্থানত বাহৰ পাতি পৰিস্থিতি পৰ্যবেক্ষণ কৰিছে। ৰাজহ বিভাগ, উদ্ধাৰকাৰী দল আৰু স্থানীয় বিধায়কসকল সকলোৱে ঐক্যবদ্ধভাৱে কাম কৰি আছে। তেওঁ শেষত কয়, "চৰকাৰ এই প্ৰাকৃতিক দুৰ্যোগক অতি গুৰুত্ব সহকাৰে লৈছে।" উল্লেখ্য যে শেহতীয়া বানপানীয়ে ৰাজ্যত ব্যাপক ক্ষতি সাধন কৰিছে। তিনিখন জিলাতে উদ্ধাৰ আৰু সাহায্য কাৰ্য চলি থকাৰ লগতে চৰকাৰে ক্ষতিগ্ৰস্ত পৰিয়ালবোৰলৈ ৪ লাখ টকাকৈ এককালীন সাহায্য ঘোষণা কৰিছে।

# "ঘৰ মৰিয়নীত, বেচেৰাটো

গগৈ একেলগে বানাক্ৰান্ত ৰাইজৰ সমস্যাৰ বুজ ল'বলৈ যায়। ৰাইজৰ মাজত থাকোঁতেই দুয়োগৰাকী নেতাৰ মাজত আৰম্ভ হয় ধেমেলীয়া কথোপকথনৰ এক সুৰুঙা পৰ্ব। বন্ধুত্বসুলভ পৰিৱেশতে মন্ত্ৰী সুশান্ত বৰগোহাঁয়ে বিধায়ক অখিল গগৈৰ বিৰুদ্ধে কেইবাটাও অভিযোগ উত্থাপন কৰে, যি পৰৱৰ্তী সময়ত চৰ্চাৰ বিষয় হৈ পৰে। মন্ত্ৰী বৰগোহাঁই প্ৰথমে কয়, "ইয়াৰ ঘৰ মৰিয়নীত। বেচেৰাটো ইয়ালৈ আহি গোটেই মানুহখনকে ধ্বংস কৰিলে। এনেকুৱা এটা কোফা মানুহ শিৱসাগৰত আহিলে..." — ইয়াৰ মাজতে অখিল গগৈয়ে বাধা দিয়ে আৰু কয়, "তই কোফা মন্ত্ৰী হোৱাৰ বাবেই আজি এই অৱস্থা হৈছে..." তাৰ পিছত মন্ত্ৰী বৰগোহাঁয়ে ৰাইজক উদ্দেশ্যি কয়, "আপোনালোকে বুজা নাই। ই মানে ধ্বংস কৰিহে এৰিব। ই প্ৰথমেতে পইচা কৰপৰা ললে জানেনে নাইহু বৃহৎ নদীবান্ধৰ পৰা ই পালে প্ৰায় ৰচ কোটি টকা। দৈয়াঙৰ মানুহখিনি উঠাম বুলিও ই পইচা ল'লে।" মন্ত্ৰীগৰাকীয়ে এনেদৰে এটাৰ পাছত আনটো অভিযোগ দি থকাৰ সময়তে অখিল গগৈয়ে পুনৰ মাত লগায়। তেওঁ সুশান্ত বৰগোহাঁইক উভতি ধৰি কয়, "তই মুখ্যমন্ত্ৰীৰ সৈতে গাড়ীত উঠিয়েই কি কথা পাতিলি? তই এইবাৰ মথাউৰি বান্ধিছে যিহেতু, মাল আহিব বুলি কৈছিলি নে নাই ক?" ইয়াৰ পিছত হাঁহি হাঁহি সুশান্ত বৰগোহাঁয়ে কয়, "চবে ৰেকৰ্ডিং কৰি আছে। এইবাৰ তই ফচিলি।" এই কথা শুনি অখিল গগৈয়ে ফটো তুলিবলৈ অহা এজন ব্যক্তিক কয়, "উঠা, আমি দোস্ত হয়। এইবোৰ একো নাই।" এইবুলি কৈ তেওঁ মন্ত্ৰীগৰাকীৰ কান্ধত হাত দি বন্ধুত্ব প্ৰকাশ কৰে। ইমানখিনি কোৱাৰ পাছতো মন্ত্ৰী সুশান্ত বৰগোহাঁই থমকি নৰ'ল। অখিল গগৈয়ে কান্ধত হাত থৈ থকা অৱস্থাতে তেওঁ পুনৰ কয়, "ইয়াৰ কথাৰ শেষত সদায় চাবি পইচা। পইচাৰ বাহিৰে একো চিনি নাপায় ই পৃথিৱীত। পৃথিৱীখনত ই চিনি পোৱা বস্তু এটাই আছে, সেয়া হ'ল পইচা।" এনেকৈয়ে ধেমালি-ধেমালিকৈ দুয়োগৰাকী নেতাৰ মাজত কথাৰ কটাকটি অব্যাহত থাকে। যদিও এই কথোপকথন বন্ধুত্বসুলভ আছিল, তথাপি বন্যাৰ্তৰ সমস্যাৰ বুজ ল'বলৈ গৈ এগৰাকী মন্ত্ৰী আৰু এগৰাকী বিধায়কৰ এনে মুখামুখিক লৈ ৰাইজৰ মাজত মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কেইবাজনো লোক এই কটাকটিক অতি উৎসুকতাৰে লক্ষ্য কৰাৰ লগতে আন কিছুমানে এনে সময়ত এনে ধেমালি উপযুক্ত নে বুলিও প্ৰশ্ন উত্থাপন কৰিছে।

# প্ৰধানমন্ত্ৰীৰ বাসভৱনৰ সন্মুখত

ভাষাৰে গৰিহণা জনাইছে। ৰাজ্যিক বিজেপিৰ মতে, এই প্ৰতিবাদ আছিল অগণতান্ত্ৰিক, দায়িত্বজ্ঞানহীন আৰু সংবিধানসন্মত পদ্ধতিৰ পৰা বহুদূৰ। বুধবাৰে গুৱাহাটীৰ অটল বিহাৰী বাজপেয়ী ভৱনত আয়োজিত এক প্ৰতিবাদী সভাত বিজেপি নেতা-কৰ্মীসকলে কংগ্ৰেছৰ এই কাৰ্যক ৰাষ্ট্ৰীয় বিষয়সমূহৰ ৰাজনৈতিককৰণ আৰু গণতান্ত্ৰিক অনুষ্ঠানসমূহৰ মৰ্যাদা হানিকৰ বুলি অভিহিত কৰে। বিজেপিৰ মতে, কংগ্ৰেছ নেতা ৰাহুল গান্ধী আৰু প্ৰিয়ংকা গান্ধী ৱাদ্ৰাই বাৰে বাৰে দেশৰ যুৱক-যুৱতীক বিপথে পৰিচালিত কৰাৰ চেষ্টা চলাইছে আৰু বাংলাদেশ, শ্ৰীলংকা, নেপালৰ দৰে পৰিস্থিতি সৃষ্টি কৰাৰ ভাষ্য প্ৰচাৰ কৰিছে। সভাত অংশগ্ৰহণ কৰি ৰাজ্যিক বিজেপি নেতাসকলে কয় যে প্ৰধানমন্ত্ৰীৰ বাসভৱনলৈ যোৱা সমদলটো আছিল সুৰক্ষিত অঞ্চলত অনধিকাৰ প্ৰৱেশৰ প্ৰচেষ্টা, য'ত প্ৰতিবাদকাৰীসকল সম্পূৰ্ণৰূপে অৱগত আছিল যে এনে কাৰ্যৰ ফলত তেওঁলোকক আইনানুগভাৱে আটক কৰা হ'ব পাৰে। তেওঁলোকে দাবী কৰে যে কংগ্ৰেছে শান্তিপূৰ্ণ প্ৰতিবাদক ৰাজনৈতিক আৰু দলীয় স্বাৰ্থ সিদ্ধিৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰিছে। অসম চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰী — পীযুষ হাজৰিকা, অশোক সিংঘল, নীলিমা দেৱী, বিশ্বজিৎ দৈমাৰী, কৌশিক ৰায়, কৃষ্ণেন্দু পাল — এই প্ৰতিবাদী সভাত উপস্থিত থাকে। লগতে জ্যেষ্ঠ নেতা তথা বিধায়ক ভবেশ কলিতা, প্ৰশান্ত ফুকন, ৰাজদ্বীপ ৰয়েও বক্তব্য ৰাখে। বিজেপি নেতাসকলে স্পষ্টকৈ কয় যে শান্তিপূৰ্ণ প্ৰতিবাদ এক মৌলিক গণতান্ত্ৰিক অধিকাৰ, কিন্তু এই অধিকাৰক শাসন ব্যৱস্থা আৰু জনসাধাৰণৰ স্বাৰ্থত গঠনমূলক আলোচনাৰ ঠাইত ৰাজনৈতিক নাটকীয়তা সৃষ্টি কৰিবলৈ ব্যৱহাৰ কৰা অনুচিত। তেওঁলোকে বিশ্বাস কৰে যে ৰাষ্ট্ৰীয় গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰত অৰ্থপূৰ্ণ আলোচনাৰ বাবে সংসদে হৈছে উপযুক্ত মঞ্চ, আৰু ৰাজনৈতিক মতবিৰোধসমূহ সংবিধানসন্মত আৰু গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ জৰিয়তে সমাধান কৰা উচিত। ৰাজ্যিক বিজেপিৰ আহ্বান — সকলো ৰাজনৈতিক দলেই সাংবিধানিক নিয়ম, আইন-শৃংখলা আৰু আইনৰ শাসনক সন্মান জনাই ৰাষ্ট্ৰীয় প্ৰগতিলৈ অৱদান আগবঢ়োৱা তথ্যভিত্তিক বিষয়সমূহক যুক্তিসংগতভাৱে আলোচনাত অংশগ্ৰহণ কৰক। গণতান্ত্ৰিক অনুষ্ঠানসমূহৰ মৰ্যাদা অক্ষুণ্ণ ৰখা আৰু গঠনমূলক আলোচনাক অগ্ৰাধিকাৰ দিয়াটো জনপ্ৰতিনিধি সকলোৰে প্ৰাথমিক দায়িত্ব বুলি বিজেপিয়ে মত পোষণ কৰে।

# উজনিৰ বন্যাৰ্তৰ দুখ-দুৰ্দশাৰ বুজ

ব্যৱস্থা সম্পন্ন কৰিছে। তেওঁ কয় যে ৰাজ্য চৰকাৰৰ হাতত যথেষ্ট পুঁজি মজুত আছে, আৰু পূৰ্বৰ পুঁজিও খৰচ কৰা হোৱা নাই। পৰিস্থিতিৰ প্ৰয়োজন অনুসৰি খৰচ কৰিবলৈ কোনো অসুবিধা নাই বুলি তেওঁ স্পষ্ট কৰে। আনহাতে, ৰাষ্ট্ৰীয় সহায়ৰ প্ৰয়োজনীয়তা সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয়, "যদি প্ৰয়োজন হয় আমি কেন্দ্ৰীয় চৰকাৰৰ সহায় ল'ম আৰু সেই বিষয় কেন্দ্ৰক অৱগত কৰিম। নাগালেণ্ডত ডাৱৰ বিস্ফোৰণ হোৱাৰ কথা নাগালেণ্ড চৰকাৰে আমাক জনাইছিল। এই সংকট শেষ হোৱাৰ পাছত আমি নাগালেণ্ড চৰকাৰৰ সৈতে আলোচনা কৰিম যে প্ৰকৃততে পানী ডাৱৰ বিস্ফোৰণৰ ফলত আহিছে, নে আন কোনো কাৰণ আছে।" শিৱসাগৰ জিলাত বৰ্তমানলৈকে ৭০জন লোক সন্ধানহীন হৈ থকাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই সংখ্যা নিশ্চিত নহয়। তেওঁ কয়, "দুই-তিনিদিন পাছতহে আমি প্ৰকৃত ক্ষয়-ক্ষতিৰ পূৰ্ণ পৰিমাণ নিৰ্ণয় কৰিব পাৰিম।" এই পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীয়ে স্থানীয় প্ৰশাসন আৰু উদ্ধাৰকাৰী দলক ততাতৈয়া কাম কৰিবলৈ নিৰ্দেশ দিয়ে আৰু বানপীড়িত ৰাইজক সৰ্বতোপ্ৰকাৰে সহায় আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি পুনৰব্যক্ত কৰে।

# যোৱা দহ বছৰত ১৫২ বাৰ

বাবে অনুমোদন দিয়া পুঁজিৰ প্ৰায় সমানুপাতিক। এই পৰিয়ালবোৰৰ অধিকাংশই মধ্যবিত্ত শ্ৰেণীৰ বুলি তেওঁ স্পষ্ট কৰে। ৰাহুল গান্ধীয়ে আৰু কয় যে প্ৰশ্নকাকত ফাদিলৰ ফলত ৭.৫ কোটিৰো অধিক ছাত্ৰ-ছাত্ৰী আৰু তেওঁলোকৰ পৰিয়াল প্ৰত্যক্ষভাৱে প্ৰভাৱিত হৈছে। পুনৰ পৰীক্ষা হ'লেও বা নহ'লেও চৰকাৰে এই বিষয়টোক কোনো গুৰুত্ব নিদিয়ে বুলি তেওঁ চৰকাৰী সঁহাৰিৰ তীব্ৰ সমালোচনা কৰে। "এয়া গভীৰ সমস্যা। এসময়ত শ্ৰেষ্ঠ বুলি জনাজাত আমাৰ শিক্ষা ব্যৱস্থা এতিয়া ধ্বংস হৈ পৰিছে, "— ৰাহুলে কয়। ছাত্ৰ-ছাত্ৰীসকলৰ চলি থকা প্ৰতিবাদৰ সন্দৰ্ভত তেওঁ কয় যে ব্যৱস্থাটোৰ বৈধ সমস্যা আছে, আৰু ছাত্ৰ-ছাত্ৰীসকলে ৰাজপথলৈ ওলাই অহাটো সম্পূৰ্ণ যুক্তিসংগত। বিৰোধী নেতাগৰাকীয়ে স্পষ্টকৈ কয়, "যদি দেশৰ ছাত্ৰ-ছাত্ৰী ৰাজপথত থাকে, তেন্তে আমিও ৰাজপথত থকা উচিত বুলি মই বিশ্বাস কৰোঁ। ছাত্ৰ-ছাত্ৰীসকলে যি কৰি আছে, তাৰ সৈতে আমি ১০০ শতাংশ একমত। প্ৰথম দাবীঃ দুৰ্নীতিগ্ৰস্ত বুলি জনাজাত ধৰ্মেন্দ্ৰ প্ৰধানক অপসাৰণ কৰা উচিত।" তেওঁ পুনৰ্বাৰ কয় যে প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ লগত কংগ্ৰেছ সম্পূৰ্ণ সংহতিৰে থিয় দিছে। "আমি প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত সুৰক্ষিত কৰিবলৈ ওলাইছোঁ। ছাত্ৰ-ছাত্ৰীসকলে ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগ দাবী জনাইছে; ছাত্ৰ-ছাত্ৰীক আক্ৰমণ কৰা প্ৰতিজন ব্যক্তিক জবাবদিহি কৰিব লাগিব আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা খুজিব লাগিব, "— ৰাহুলে দাবী কৰে। উল্লেখ্য যে ৰাষ্ট্ৰীয় স্তৰত প্ৰশ্নকাকত ফাদিলৰ ঘটনাই শিক্ষা ব্যৱস্থাত গভীৰ সংকটৰ সৃষ্টি কৰিছে, যাৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰে গুৰুত্ব দিব লাগে বুলি বিভিন্ন মহলৰ পৰা দাবী উঠি আহিছে। অসমত কংগ্ৰেছ দলে ইতিমধ্যে এই বিষয়ত প্ৰতিবাদী কাৰ্যসূচী পালন কৰি আহিছে।

# নীট প্ৰশ্নকাকত ফাদিল সন্দৰ্ভত

ফাদিলৰ ঘটনাক ৰিজিজুৱে দেশৰ যুৱক-যুৱতী আৰু সমগ্ৰ দেশৰ বাবে এক অতি গুৰুতৰ বিষয় বুলি অভিহিত কৰে। তেওঁ কয় যে এই ক্ষেত্ৰত চৰকাৰে লোৱা পদক্ষেপসমূহ দেশবাসীৰ জানিবলৈ পাব উচিত। ৰিজিজুৰ এই মন্তব্যৰ পিছতে সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱে কয় যে এই আলোচনা কেৱল ৰাজনৈতিক দলৰ স্বাৰ্থতকৈও ডাঙৰ। "এইসকল আমাৰ ছাত্ৰ-ছাত্ৰী, আমি তেওঁলোকৰ বাবেই যুঁজি আছোঁ। তেওঁলোকে ৰাজপথত আক্ৰমণৰ সন্মুখীন হৈছে। বিষয়টো কেৱল পদত্যাগতে সীমাবদ্ধ নহয়; দোষীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাটোও প্ৰয়োজন। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সদনত এই বিষয়ত বক্তব্য ৰাখিব লাগে, "— অখিলেশ যাদৱে দাবী কৰে। ইফালে কংগ্ৰেছ সাংসদ কে চি বেণুগোপালে স্পষ্ট কৰে যে বিৰোধী দলসমূহে সভা স্থগিত প্ৰস্তাৱৰ জৰিয়তে এই বিষয়ত বিতৰ্ক বিচাৰিবলৈ একমত হৈছে। তেওঁ কয়, "আজি পুৱা বিৰোধী দলসমূহৰ মাজত আলোচনা অনুষ্ঠিত হৈছিল। আমি স্পষ্টভাৱে সিদ্ধান্ত লৈছোঁ যে নীট আৰু চিবিএছই পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ ঘটনা, শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগ আৰু প্ৰশ্নকাকত ফাদিল বন্ধ কৰাৰ বাবে সঠিক কাৰ্য পৰিকল্পনাৰ দাবী জনাই আমি ধাৰাবাহিকভাৱে সভা স্থগিত প্ৰস্তাৱ দি আহিছোঁ। চৰকাৰে সভা স্থগিত প্ৰস্তাৱ মানি ল'লে আমি আলোচনা কৰিবলৈ সাজু আছোঁ।" সংসদ চৌহদত বুধবাৰে বিৰোধী সাংসদসকলে ক'লা সাজ পৰিধান কৰি প্ৰতিবাদ প্ৰদৰ্শন কৰে। এই প্ৰতিবাদী কাৰ্যসূচীত লোকসভাৰ বিৰোধী নেতা ৰাহুল গান্ধী, অখিলেশ যাদৱ, প্ৰিয়ংকা গান্ধী ভাদ্ৰাকে ধৰি বহু বিৰোধী নেতাই অংশগ্ৰহণ কৰে। প্ৰিয়ংকা গান্ধীয়ে কয় যে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰকৃত দাবী আছে আৰু তেওঁলোকে নিজৰ অধিকাৰ বিচাৰিছে। বিৰোধীৰ প্ৰতিবাদৰ মাজতে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই চৰকাৰক এই বিষয়ত আলোচনা কৰিবলৈ সাজু বুলি উল্লেখ কৰি বিৰোধী দলসমূহক আলোচনাৰ এজেণ্ডা নিৰ্ধাৰণৰ বাবে আমন্ত্ৰণ জনায়। পিছত কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে অধ্যক্ষ ওম বিৰলাক সাক্ষাৎ কৰি সকলো পক্ষৰ বৈঠক আহ্বান কৰি নিয়ম, তাৰিখ আৰু সময়সীমা সন্দৰ্ভত সিদ্ধান্ত ল'বলৈ আহ্বান জনায়।

# শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ

এক তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী পালন কৰে। বিধানসভাৰ বিৰোধী দলপতি ৰাজেদ আলী চৌধুৰীৰ নেতৃত্বত কংগ্ৰেছৰ বিধায়ক, নেতা আৰু কৰ্মীসকলে ৰাজীৱ ভৱনৰ পৰা বাজপেয়ী ভৱনলৈ এক বিশাল প্ৰতিবাদী সমদল উলিয়ায়। প্ৰতিবাদীসকলে হাতত প্লেকাৰ্ড লৈ "নৰেন্দ্ৰ মোদী হায় হায়", "বিজেপি চৰকাৰ হায় হায়", "অমিত শ্বাহে পদত্যাগ কৰক", "ধৰ্মেন্দ্ৰ প্ৰধানে পদত্যাগ কৰক", "বিজেপিৰ দাদাগিৰি নচলিব", "আহ ঐ আহ ওলাই আহ", "খেদ ঐ খেদ বিজেপিক খেদ", "বিজেপি হুঁচিয়াৰ" আদি শ্ল'গান দি প্ৰতিবাদ প্ৰকাশ কৰে। এই প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে কংগ্ৰেছে তিনিটা মুখ্য দাবী উত্থাপন কৰে — প্ৰথমতে নীট কেলেংকাৰীৰ নৈতিক দায়িত্ব স্বীকাৰ কৰি কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে তৎক্ষণাত পদত্যাগ কৰিব লাগে, দ্বিতীয়তে সংসদত এই বিষয়টো সবিস্তাৰে আলোচনা কৰা হওক, আৰু তৃতীয়তে দিল্লীত প্ৰতিবাদী ছাত্ৰ-ছাত্ৰীৰ বিৰুদ্ধে ৰুজু কৰা সকলো এফআইআৰ অবিলম্বে প্ৰত্যাহাৰ কৰা হওক। প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি বিৰোধী দলপতি ৰাজেদ আলী চৌধুৰীয়ে কয়, "নীট কেলেংকাৰীৰ নৈতিক দায়িত্ব স্বীকাৰ কৰি কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে পদত্যাগ কৰা উচিত। একে সময়তে সংসদত এই বিষয়ত গভীৰ আলোচনা কৰি দোষীসকলক কঠোৰ শাস্তি প্ৰদান কৰিব লাগে। দিল্লীত ন্যায়ৰ বাবে ৰাজপথলৈ অহা শিক্ষাৰ্থীসকলৰ বিৰুদ্ধে উত্থাপিত গোচৰবোৰো উঠাই ল'ব লাগে। আজি ভাৰতৰ বিভিন্ন ৰাজ্যতে একেধৰণৰ প্ৰতিবাদ অনুষ্ঠিত হৈছে।" অন্য দিশে বিৰোধী দলৰ উপ-দলপতি ডাঃ জয়প্ৰকাশ দাসে দিল্লীৰ আৰক্ষীৰ ভূমিকাৰ তীব্ৰ সমালোচনা কৰি কয়, "আৰক্ষীয়ে যিদৰে দিল্লীৰ যন্তৰ-মন্তৰত ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত গুণ্ডাগিৰি আৰু অত্যাচাৰ চলাইছে, সেয়া অত্যন্ত দুৰ্ভাগ্যজনক, অমানৱীয় আৰু নিন্দনীয়। গণতান্ত্ৰিকভাৱে নিজৰ অধিকাৰৰ বাবে থিয় দিয়া শিক্ষাৰ্থীসকলৰ ওপৰত এনেদৰে বলপ্ৰয়োগ কৰাটো কেতিয়াও গ্ৰহণযোগ্য নহয়।" প্ৰতিবাদত যোগদান কৰা কংগ্ৰেছ বিধায়ক জাকিৰ হুছেইন শিকদাৰেও তীব্ৰ ক্ষোভ প্ৰকাশ কৰি কয়, "গণতান্ত্ৰিক আন্দোলনকাৰীসকলৰ ওপৰত নৰেন্দ্ৰ মোদীৰ আৰক্ষী বাহিনীয়ে বৰ্বৰ আৰু অমানুষিক অত্যাচাৰ চলাইছে। ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যত সুৰক্ষিত কৰাৰ বাবে প্ৰশ্নকাকত ফাদিলৰ বিৰুদ্ধে যি গণতান্ত্ৰিক আন্দোলন চলিছে, সেই আন্দোলনকাৰীসকলৰ ওপৰত আৰক্ষী জঁপিয়াই পৰিছিল। ভাৰতীয় ইতিহাসত এনে ঘটনা আগেয়ে কেতিয়াও ঘটি নাই। আমি ইয়াৰ বিচাৰ দাবী কৰোঁ।" উল্লেখ্য যে বাজপেয়ী ভৱন অভিমুখে যাত্ৰা কৰাৰ সময়ত আৰক্ষীয়ে আদবাটতে প্ৰতিবাদী কংগ্ৰেছ নেতা-কৰ্মীসকলক বাধা প্ৰদান কৰে, যাৰ ফলত অলপ সময়ৰ বাবে উত্তেজনাৰ সৃষ্টি হয়। অৱশ্যে প্ৰতিবাদীসকল শান্তভাৱে বিচ্ছিন্ন হয় যদিও তেওঁলোকে এই দাবীসমূহ আগলৈও জাৰি ৰখাৰ ঘোষণা দিয়ে। সমগ্ৰ দেশত শিক্ষা ব্যৱস্থাৰ স্বচ্ছতা আৰু ন্যায়ৰ বাবে আৰম্ভ হোৱা এই আন্দোলনে অসমতো গতি লাভ কৰিছে। কেন্দ্ৰীয় চৰকাৰে এই বিষয়ত কোনো পদক্ষেপ নলয় আৰু চলি থাকিলে অহা দিনবোৰতো প্ৰতিবাদ কাৰ্যসূচী তীব্ৰ কৰা হ'ব বুলি কংগ্ৰেছে ইংগিত দিয়ে।

# মচুৰ দাইল আৰু চেনি বিতৰণৰ

কঠোৰভাৱে মানি চলি সুসংহত যোগান ব্যৱস্থাৰে বিতৰণ প্ৰক্ৰিয়া অধিক কাৰ্যক্ষম কৰি তোলাৰ বাবে সংশ্লিষ্ট সকলো পক্ষক আহ্বান জনায়। তেওঁ কয় যে ৰাজ্য চৰকাৰ খাদ্য সুৰক্ষা নিশ্চিত কৰাৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ। জনকল্যাণমূলক আঁচনিসমূহ স্বচ্ছতা, দক্ষতা আৰু সময়ানুবৰ্তিতাৰে ৰূপায়ণ হয় আৰু এই সুবিধাসমূহ প্ৰতিগৰাকী যোগ্য হিতাধিকাৰীয়ে যাতে লাভ কৰে, তাৰ বাবে চৰকাৰে নিৰন্তৰ কাম কৰি আছে বুলিও তেওঁ স্পষ্ট কৰে। বৈঠকত বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব বিশ্বৰঞ্জন ছামাল, সচিব অনসূয়া দত্ত বৰুৱা, আয়ুক্ত হেমন্ত ভূঞাকে ধৰি জ্যেষ্ঠ বিষয়াবৰ্গ উপস্থিত থাকে। এই বৈঠকে ৰাজ্যৰ খাদ্য সুৰক্ষা ব্যৱস্থা অধিক মজবুত আৰু সুসংহত কৰাৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

# ভোগদৈৰ মথাউৰিৰ ছিগা পাঁচটা

নদী খনন কৰাৰ পৰিকল্পনা সম্পৰ্কে মুখ্যমন্ত্ৰীয়ে কয়, "নদী খনন কৰিলে আমি ইতিপূৰ্বে সদায় ভাল ফলাফল নাপাওঁ। তথাপি স্থানীয় বিধায়কৰ লগত আলোচনা কৰি জলসম্পদ বিভাগক এই দায়িত্ব দিম। কাৰণ খনন কাৰ্যৰ বাবে আমাৰ পৰ্যাপ্ত সা-সঁজুলি আৰু সামৰ্থ্যয্য আছে। কিন্তু খনন কৰাৰ পাছত তাৰ ফলাফল কি হয়, সেই সন্দেহ সদায় থাকি যায়।" ইফালে বানপীড়িত ৰাইজে যাতে খৰতকীয়া সাহায্য লাভ কৰে, তাৰ বাবে জিলা প্ৰশাসনক প্ৰয়োজনীয় নিৰ্দেশ দিয়া হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ভোগদৈ নদীৰ এই মথাউৰি নিৰ্মাণ কাম অতি সোনকালে সম্পূৰ্ণ কৰি পুনৰ এনে দুৰ্যোগৰ সন্মুখীন হ'বলগীয়া নহয় — সেই লক্ষ্যহে চৰকাৰৰ প্ৰাথমিক পৰিকল্পনা বুলি মুখ্যমন্ত্ৰীয়ে শেষত উল্লেখ কৰে।

# কৃষি বিজ্ঞান কেন্দ্ৰ তিনিচুকীয়াত কৃষকৰ মাজত গুণসম্পন্ন বীজ আৰু ৰোপণ সামগ্ৰী বিতৰণ

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২১ জুলাই ঃ** অসম কৃষি বিশ্ববিদ্যালয়ৰ অধিনস্থ তিনিচুকীয়া কৃষি বিজ্ঞান কেন্দ্ৰত কৃষকৰ উৎপাদন আৰু আয় বৃদ্ধিৰ উদ্দেশ্য আগত ৰাখি জিলাখনৰ কৃষকৰ মাজত অধিক গুণসম্পন্ন বীজ আৰু ৰোপণ সামগ্ৰী বিতৰণৰ এক বৃহৎ কাৰ্য্যসূচী আজি তিনিচুকীয়া সমষ্টিৰ বিধায়ক পুলক গোঁহাই, মাকুম সমষ্টিৰ বিধায়ক সঞ্চয় কিষান আৰু জিলা আয়ুক্ত সুমিত ছাত্তাৱানৰ উপস্থিতিত সফলতাৰে সম্পন্ন কৰা হয়। এই কাৰ্য্যসূচী অসম কৃষি বিশ্ববিদ্যালয় আৰু গুৱাহাটীস্থিত কৃষি প্ৰযুক্তি গৱেষণা প্ৰতিষ্ঠানৰ সহযোগত অনুষ্ঠিত কৰা হয়। আজিৰ এইবীজ আৰু ৰোপণ সামগ্ৰীৰ আনুষ্ঠানিক বিতৰণ কাৰ্য্যসূচী অসম কৃষি বিশ্ববিদ্যালয়ৰ মাননীয় উপাচাৰ্য্য ড° দীপজ্যোতি ৰাজখোৱা আৰু অসম কৃষি বিশ্ববিদ্যালয়ৰ সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড° মনোৰঞ্জন নেওঁগৰ নীৰৱচ্ছিন্ন তত্ত্বাৱধান আৰু দিহা পৰামৰ্শত অনুষ্ঠিত কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে কৃষি বিজ্ঞান কেন্দ্ৰ, তিনিচুকীয়াৰ জ্যেষ্ঠ বিজ্ঞানী তথা মুৰব্বী ড° হেমচন্দ্ৰ শইকীয়াই কাৰ্যসূচীৰ উদ্দেশ্য ব্যাখ্যা কৰি কয় যে, উন্নতমানৰ বীজ আৰু ৰোপণ




সামগ্ৰী কৃষিৰ উৎপাদন বৃদ্ধিৰ এক মূলমন্ত্ৰস্বৰূপ আৰু আজিৰ এই কাৰ্য্যসূচীৰ দ্বাৰা জিলাখনৰ আয় ১০০জন কৃষকক প্ৰায় ২০ হে'ৰ মাটিৰ বাবে মাটিমাহৰ এছ বি চি ৪০ শ্যামল জাতৰ বীজ, ৫ হেক্টৰ মাটিৰ বাবে মগুমাহৰ এছজিচি ১৬(ৰূপহী) জাতৰ বীজ, ১০ হেক্টৰ কৃষিভূমিৰ বাবে তিলৰ চম্পাৱতী জাতৰ বীজ, কাঠফুলাৰ বীজ, নেপিয়াৰ ঘাঁহৰ ৰোপণ সামগ্ৰী, মাটিকঁঠালৰ খেতিৰ ৰোপণ সামগ্ৰী তথা জালুকৰ পুলি ইত্যাদি বিতৰণ কৰা হয়। অনুষ্ঠানত জিলা আয়ুক্ত সুমিত ছাত্তাৱানে কৃষি বিজ্ঞান কেন্দ্ৰৰ এই পদক্ষেপক ভূয়সী প্ৰশংসা কৰাৰ লগতে সফল কৃষি কাৰ্যৰ বাবে গুণসম্পন্ন তথা নিৰোগী বীজ আৰু ৰোপণ সামগ্ৰীৰ প্ৰয়োজনীয়তাৰ বিষয়ে উল্লেখ কৰে। উল্লেখযোগ্য যে, জিলা আয়ুক্তই সময়ে সময়ে তিনিচুকীয়াৰ কৃষি বিজ্ঞান কেন্দ্ৰক কৃষি সম্বন্ধিত জিলাখনত বিভিন্ন পদক্ষেপ লোৱাত সহায় সহযোগিতা আগবঢ়াই আহিছে। আজিৰ কাৰ্যসূচীত তিনিচুকীয়া বিধানসভা সমষ্টিৰ বিধায়ক পুলক গোঁহাইয়ে তিনিচুকীয়া সমষ্টিৰ কেইবাজনো কৃষকক নিজ হাতে বীজ বিতৰণ কৰি কৃষকসকলক বিজ্ঞানসন্মত ভাৱে কৃষিকাৰ্যত মনোনিৱেশ কৰিবলৈ আহ্বান জনায়। একেদৰে মাকুম বিধানসভা সমষ্টিৰ বিধায়ক সঞ্চয় কিষানে কৃষকসকলক বীজ আৰু ৰোপণ সামগ্ৰী বিতৰণ কৰাৰ লগতে এই বীজে কৃষকৰ উৎপাদন বৃদ্ধিত সহায়ক হ'ব বুলি উল্লেখ কৰে। জিলাখনৰ প্ৰায় শতাধিক কৃষক উপস্থিত থাকি বীজ বিতৰণ কাৰ্য্যসূচীৰ সাফল্যমণ্ডিত কৰি তোলে। আনহাতে অনুষ্ঠানত অসম কৃষি বিশ্ববিদ্যালয়ৰ সহযোগী সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড° ৰণজিৎ কুমাৰ সাউদ, তিনিচুকীয়া জিলা কৃষি বিষয়া ৰজিত দত্ত আৰু অন্যান্য কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ড° ৰণজিৎ কুমাৰ সাউদে ভাৰত চৰকাৰৰ মাহজাতীয় শস্যৰ ক্ষেত্ৰত আত্মনিৰ্ভৰ হোৱাৰ কথা উল্লেখ কৰি কৃষক সকলক মাহজাতীয় শস্যৰ খেতিৰ বাবে উৎসাহ যোগায়। এই অনুষ্ঠানত অসম কৃষি বিশ্ববিদ্যালয়ৰ গৱেষণা সঞ্চালক তথা উপাচাৰ্যৰ বিশেষ কৰ্তব্যৰত বিষয়া ড° মৃণাল শইকীয়াৰ তত্ত্বাৱধানত অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ICAR-AICRP প্ৰকল্পৰ অধিনত ২০০ নিৰোগী সুমথিৰা টেঙা আৰু নেমুটেঙাৰ পুলি- কৃষকসকলক যোগান ধৰা হয়। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি কৃষকৰ কৃষি সম্বন্ধিত সমস্যা কৃষকৰ পথাৰতে সমাধানৰ উদ্দেশেৰে অসম কৃষি বিশ্ববিদ্যালয়ে মুকলি কৰা চলন্ত উদ্ভিদ স্বাস্থ্য পৰীক্ষা কেন্দ্ৰ (Mobile Plant Health Clinic) খনো তিনিচুকীয়া জিলাৰ কৃষকৰ মাজত পৰিচয় কৰাই দিয়া হয় আৰু কিছু সংখ্যক কৃষকে কৃষিৰ বেমাৰ আজাৰ তথা কীট-পতংগ ইত্যাদি সমস্যাৰ কেন্দ্ৰতে সমাধানৰ ব্যৱস্থাও কৰা হয়।

# ডিব্ৰুগড়ৰ 'মেলডি ৱেব মিউজিক একাডেমি'ৰ আধুনিক-পুৰণি গীত কৰ্মশালাৰ মনোজ্ঞ সাংস্কৃতিক অনুষ্ঠান; প্ৰয়াত শিল্পীক স্মৰণ

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২১ জুলাই ঃ** ডিব্ৰুগড় মহানগৰৰ কছাৰীবাৰীস্থিত অন্যতম সংগীত শিক্ষাৰ অনুষ্ঠান 'মেলডী ৱেব মিউজিক একাডেমী'য়ে বৰগীতৰ লগতে অসমৰ প্ৰসিদ্ধ কেইগৰাকীমান সংগীতজ্ঞ ক্ৰমে ঋতুপৰ্ণ শৰ্মা, ড° বীৰেন্দ্ৰনাথ দত্ত, গীতিকবি পাৰ্বতি প্ৰসাদ বৰুৱাৰ গীতৰ বিশেষ সংগীত কৰ্মশালাৰ আয়োজন কৰে। বিভিন্ন প্ৰান্তৰ ডেৰকুৰিৰো অধিক শিক্ষাৰ্থীৰ অংশগ্ৰহণেৰে আয়োজিত কৰ্মশালাৰ প্ৰথমদিনা বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে বিশিষ্ট সুৰকাৰ, গীতিকাৰ হীৰেণ গোহাঁয়ে। প্ৰশিক্ষক হিচাপে অংশগ্ৰহণ কৰে অনাতাঁৰ শিল্পী সান্তনা বৰুৱা (পাৰ্বতীপ্ৰসাদ বৰুৱাৰ গীত), গোপা কোঁৱৰ (বৰগীত), ডলী গগৈ বৰুৱা (ড° বীৰেন্দ্ৰনাথ দত্ত আৰু ঋতুপৰ্ণ শৰ্মাৰ গীত)। আধুনিক গীতৰ প্ৰতিযোগিতাৰ আয়োজনৰ লগতে সন্ধিয়া বঁটা বিতৰণী আৰু সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হয়। অনুষ্ঠানটিৰ অধ্যক্ষা নিজৰা ডেকা আৰু মীনাক্ষি দুৱৰাৰ যৌথ পৰিচালনাত স্থানীয় লক্ষ্মীনাথ বেজবৰুৱা ভৱন প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানৰ আৰম্ভণিতে প্ৰয়াত শিল্পী ভূপেন হাজৰিকা, জুবিন গাৰ্গ, ছৈয়দ চাদুল্লা, বাঁহীবাদক উপেন ফাংচু', বাদ্যশিল্পী ভৱেশ গোস্বামী, উৎপল দেউৰী, কণ্ঠশিল্পী বিপুল ফুকনৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে সংগীতজ্ঞ প্ৰশান্ত বৰদলৈ, কণ্ঠশিল্পী, সাংস্কৃতিক কৰ্মী সুৰেশ হাতীমুৰীয়া, চন্দন পাঠক, সমাজকৰ্মী, অৱসৰী অধ্যাপিকা আৰাধনা দত্ত আৰু কণ্ঠশিল্পী চৈয়দা জুৰি ৰহমানে। ইয়াৰ পিছতে বিশিষ্ট সংগীতজ্ঞ প্ৰশান্ত বৰদলৈয়ে অনুষ্ঠানটিৰ শুভ উদ্বোধন কৰি শুভেচ্ছামূলক বক্তব্য আগবঢ়োৱাৰ লগতে অৱসৰী অধ্যাপিকা আৰাধনা দত্ত, জ্যেষ্ঠ সাংবাদিক ৰতন হাজৰিকা, কণ্ঠশিল্পী চৈয়দা জুৰি ৰহমান, শুভাকাংক্ষী প্ৰণালী ফুকনৰ লগতে বহুকেইগৰাকী ব্যক্তিয়ে শুভেচ্ছামূলক বক্তব্য আগবঢ়ায় লগতে প্ৰশিক্ষক ডলী গগৈ বৰুৱা, সুৰেশ হাতীমুৰীয়া, ভুৱন গগৈ আদিয়ে একোটিকৈ গীত পৰিৱেশন কৰে। মনোজ্ঞ অনুষ্ঠানটিত উল্লিখিত অতিথিবৃন্দৰ উপৰিও সাংস্কৃতিক কৰ্মী বকুল দাস, নৃত্যশিল্পী ৰুবী গগৈ সন্দিকৈ, জেউতি মৰল সংঘৰ সভাপতি মনোজ বৰুৱা, কণ্ঠশিল্পী অৰুণ হাজৰিকা, শুভাকাংক্ষী আশা শ্বাহ, ৰাজশ্ৰী পাল, মনোজ সোণোৱাল, আধুনিক গীত প্ৰতিযোগিতাৰ বঁটাৰ দাতা ক্ৰমে প্ৰয়াত ভৱেশ গোস্বামীৰ পত্নী লীনা গগৈ গোস্বামী, প্ৰয়াত উপেন ফাংচুৰ পত্নী বীণাপানি ফাংচু, প্ৰয়াত উৎপল দেউৰীৰ পত্নী বন্তি দেউৰী, প্ৰয়াত বিপুল ফুকনৰ পত্নী প্ৰণালী ফুকনক গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। তদুপৰি




প্ৰতিগৰাকী প্ৰশিক্ষকক একোখনকৈ কৃতজ্ঞতা পত্ৰ আৰু গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে সংগঠনটোৰ মুখ্য উপদেষ্টা সুৰেশ হাতীমুৰীয়াকো কৃতজ্ঞতা জ্ঞাপন কৰা হয়। ইয়াৰ পিছতে প্ৰশিক্ষিত শিক্ষাৰ্থীসকলে দলীয়ভাৱে জুবিন গাৰ্গ, বীৰেন্দ্ৰনাথ দত্ত, ঋতুপৰ্ণ শৰ্মাৰ কেইবাটাও কালজয়ী নিৰ্বাচিত গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। আনহাতে নৱপ্ৰজন্মৰ শিল্পীজন দাস, এলিছা চাংমাই, মানস্মিতা বৰপাত্ৰগোহাঁইৰ প্ৰত্যেকে এটিকৈ আধুনিক গীত পৰিৱেশন কৰি সন্ধিয়াটি জীপাল কৰি তোলে। উক্ত অনুষ্ঠানৰ মাজতে সংগীত প্ৰতিযোগিতাৰ বঁটা বিজয়ী সকলক বঁটাসমূহ উপস্থিত অতিথিবৃন্দৰ দ্বাৰা প্ৰদান কৰা হয়।

### পি.এম. শ্ৰী বীৰঝৰা ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নাটক, নৃত্য, সংগীত আৰু যোগৰ প্ৰশিক্ষণেৰে মুখৰিত ছাত্ৰ-ছাত্ৰীৰ প্ৰাণৰ কেন্দ্ৰস্থল

# বঙাইগাঁৱত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত ১৫ দিনীয়া গ্ৰীষ্মকালীন কৰ্মশালাৰ শুভাৰম্ভ

**অসম বাৰ্তা, বঙাইগাঁও, ২১ জুলাই ঃ** বঙাইগাঁও জিলা প্ৰশাসনৰ সহযোগত আৰু সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত তথা 'বিৰস্বান বোধি প্ৰাইভেট লিমিটেড'ৰ ব্যৱস্থাপনাত বঙাইগাঁও বিধানসভা সমষ্টিৰ পি.এম. শ্ৰী বীৰঝৰা ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু উত্তৰ বঙাইগাঁও হাইস্কুলত ১৫ জুলাইৰ পৰা ১৫ দিনীয়া এক আকৰ্ষণীয় বিনামূলীয়া গ্ৰীষ্মকালীন কৰ্মশালাৰ শুভাৰম্ভ কৰা হৈছে। অসমৰ মাননিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ দূৰদৰ্শী নেতৃত্বত শিশু-কিশোৰসকলৰ প্ৰতিভা বিকাশৰ উদ্দেশ্যে আয়োজিত এই কৰ্মশালাত অঞ্চলটোৰ বিপুল সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অতি উৎসাহেৰে অংশগ্ৰহণ কৰিছে। এই কৰ্মশালাত ছাত্ৰ-ছাত্ৰীসকলক প্ৰশিক্ষণ প্ৰদানৰ বাবে খণ্ডজুৰি বিশিষ্ট প্ৰশিক্ষকসকলক দায়িত্ব দিয়া হৈছে। য'ত নাটকত বিশিষ্ট নাট্যকৰ্মী যোগীৰাজ চক্ৰৱৰ্তী আৰু সমৰ দাস, ড°ভূপেন হাজৰিকাৰ গীতত শিল্পী অনামিকা নাথ শৰ্মা, বিহু নৃত্যত বিধান দেউৰী, যোগত বৰ্ণালী দেৱী আৰু শাস্ত্ৰীয় সংগীতত অভিষেক দাসে প্ৰশিক্ষাৰ্থীসকলক বিশেষ হাতভঁৰা প্ৰশিক্ষণ দি আছে। ৩০ জুলাইলৈকে চলিবলগীয়া এই সৰ্বাংগসুন্দৰ কৰ্মশালাই ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক আৰু সাংস্কৃতিক বিকাশৰ ক্ষেত্ৰত এক প্ৰশংসনীয় ভূমিকা পালন কৰিছে।

# আগমনিত মুকলিকৈ চলিছে তীৰ-জুৱাৰ বেহা, আৰক্ষীৰ ভূমিকাক লৈ প্ৰশ্ন

**অসম বাৰ্তা, আগমনি, ২১ জুলাই ঃ** ধুবুৰী জিলাৰ আগমনি থানা এলেকাত দীৰ্ঘদিন ধৰি ৰমৰমীয়াভাৱে তীৰ-জুৱাৰ বেহা চলি থকাৰ অভিযোগ উত্থাপন হৈছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি আগমনি থানাৰ অন্তৰ্গত ঝাপুচাবাৰী দ্বিতীয় খণ্ডৰ বৰোবাৰী বজাৰ আৰু কালডোবা বজাৰত একাংশ লোকে মুকলিকৈ তীৰ-জুৱাৰ ব্যৱসায় চলাই আহিছে। অভিযোগ অনুসৰি বৰোবাৰী বজাৰত দিন-দুপৰতে ই-ৰিস্কাত বহি তীৰ বিক্ৰী কৰা হয়। আনহাতে কালডোবা বজাৰৰ এখন কাপোৰৰ দোকানৰ পৰাও গোপনে তীৰ-জুৱাৰ বেহা চলি থকাৰ অভিযোগ উঠিছে। এই সমগ্ৰ কাৰ্যকলাপত আজমত আলী, মইনুল হক আৰু গফুৰ নামৰ কেইবাজনো ব্যক্তি জড়িত বুলি অভিযোগ কৰা হৈছে। স্থানীয় একাংশ লোকে দাবী কৰিছে যে তীৰ-জুৱাৰ প্ৰভাৱত বহু যুৱক, দিনহাজিৰা কৰা শ্ৰমিক, ই-ৰিস্কাচালক আৰু অন্যান্য নিম্ন আয়েৰে জীৱিকা নিৰ্বাহ কৰা লোক আৰ্থিকভাৱে ক্ষতিগ্ৰস্ত হৈছে। ইফালে বিভিন্ন দল-সংগঠনৰ নেতৃত্বই ধুবুৰী জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ ওচৰত এই অভিযোগৰ নিৰপেক্ষ তদন্ত কৰি, যদি অভিযোগ সত্য প্ৰমাণিত হয়, তেন্তে জড়িত তীৰ বিক্ৰেতা আৰু এজেণ্টসকলৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ কৰি অবৈধ তীৰ-জুৱাৰ বেহা বন্ধ কৰাৰ দাবী জনাইছে।

### শিল্পী ইন্দ্ৰনাথ কোঁৱৰৰ, সমাজসেৱী পূৰ্ণানন্দ ভঁৰালী, যতীন গোহাঁইক সম্বৰ্ধনা

# মণিপুৰী খোল আৰু নৃত্য বিশাৰদ মাধৱ সিংহৰ প্ৰতি শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, ডিব্ৰুগড়, ২১ জুলাই ঃ** মণিপুৰী খোল আৰু নৃত্যৰ ওজা প্ৰয়াত মাধৱ সিংহৰ প্ৰতি শ্ৰদ্ধা জনাই ডিব্ৰুগড়ৰ 'অন্তৰ্যাত্ৰা' নামৰ অনুষ্ঠানে ১৯ জুলাইৰ সন্ধিয়া আয়োজন কৰে এটি মননশীল অনুষ্ঠান। প্ৰয়াত মাধৱ সিংহৰ প্ৰতিকৃতিত শ্ৰদ্ধাৰ্ঘ নিবেদনৰ পাছতে এই অনুষ্ঠানত ডিব্ৰুগড়ৰ বিশিষ্ট চেতাৰ বাদক ইন্দ্ৰনাথ কোঁৱৰক 'সংগীত গুণমঞ্জুৰী', স্বচ্ছতাৰ বাহক তথা 'চিকুণ' স্বেচ্ছাসেৱী সংস্থাৰ প্ৰতিষ্ঠাপক পূৰ্ণানন্দ ভঁৰালীক 'পৰিবেশ বান্ধৱ' আৰু ডিব্ৰুগড়ত কেইবাখনো শিক্ষানুষ্ঠান স্থাপন কৰি শিক্ষাৰ পোহৰ বিলোৱা যতীন গোহাঁইক 'আলোক সঞ্চাৰী' অভিধা প্ৰদান কৰি সন্মান যাচে। 'অন্তৰ্যাত্ৰা'ৰ সভাপতি অৰূপ ফুকনে পৌৰোহিত্য কৰা আৰু হোটেল গাৰ্ডেন ট্ৰীটত আয়োজিত এই অনুষ্ঠানত ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰ, লোক কলা সংস্কৃতিৰ সাধক তথা অসম গৌৰৱ ৰামচন্দ্ৰ চাচনীয়ে শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। অনুষ্ঠানত ৰামচন্দ্ৰ চাচনী, ইন্দ্ৰনাথ কোঁৱৰ, পূৰ্ণানন্দ ভঁৰালী আৰু যতীন গোহাঁয়ে মাধৱ সিংহৰ স'তে থকা তেখেতসকলৰ সান্নিধ্যৰ বিষয়ে সোঁৱৰণ কৰে। অনুষ্ঠানৰ বিশেষ আকৰ্ষণ আছিল ইন্দ্ৰনাথ কোঁৱৰৰ চেতাৰ বাদন আৰু পূৰ্ণানন্দ ভঁৰালীৰ বেহেলা বাদন। অনুষ্ঠানত বৈশম্পায়ন ভৌমিকে মংগলাচৰণ, ৰিণ্টি গোস্বামী আৰু তপতী সিংহই কৃষ্ণাষ্টকম্ পৰিবেশন কৰে। তেখেতসকলৰ লগত সংগত কৰে প্ৰাঞ্জল প্ৰদীপ শইকীয়া, চন্দন দাস আৰু ৰাজু নন্দীয়ে। সংগঠনটোৰ সম্পাদক ডক্টৰ অদিতি বৰুৱাই আঁতধৰা এই অনুষ্ঠানত 'অন্তৰ্যাত্ৰা'ৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে উপস্থাপন কৰে ডক্টৰ ৰঞ্জিত সিংহই আৰু শলাগ জ্ঞাপন কৰে মৈত্ৰেয়ী বৰুৱা ভৌমিকে।

### মুখ্যমন্ত্ৰীলৈ ১০ দফীয়া দাবী সম্বলিত স্মাৰকপত্ৰ প্ৰেৰণ

# মৰিগাঁৱৰ কৃষকৰ এলানি সমস্যাক লৈ চিপিআইৰ অৱস্থাত ধৰ্মঘট




**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ২১ জুলাই ঃ** মৰিগাঁও জিলাৰ কৃষক সকলে সম্মুখীন হৈ অহা এলানি জ্বলন্ত সমস্যাৰ ক্ষিপ্ৰ সমাধানৰ দাবীত ভাৰতৰ কমিউনিষ্ট পাৰ্টী চমুকৈ চিপিআইৰ মৰিগাঁও জিলা সমিতিয়ে আজি মৰিগাঁৱত এক প্ৰতিবাদী অৱস্থাত ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। মৰিগাঁও চহৰৰ সদৰ বিহুতলীত ৰূপায়ণ কৰা এই অৱস্থান ধৰ্মঘট কাৰ্যসূচীত অংশগ্ৰহণ কৰি মৰিগাঁৱৰ প্ৰাক্তন বিধায়ক তথা চিপিআইৰ ৰাষ্ট্ৰীয় নেতা মুনীন মহন্তই বিজেপি চৰকাৰৰ কৃষক বিৰোধী নীতি আৰু ভূমিকাক তীক্ষ্ণ ভাৱে সমালোচনা কৰে। কাৰ্যসূচীৰ অন্তত নিখিল ভাৰত কৃষক সভাৰ মৰিগাঁও জিলা পৰিষদৰ সম্পাদক পুণ্ডৰীকাক্ষ মহন্ত, ভাৰতৰ কৃষি মজদুৰ সংঘৰ মৰিগাঁও জিলা পৰিষদৰ সম্পাদক তুলসী দাস আৰু চিপিআইৰ মৰিগাঁও জিলা পৰিষদৰ সম্পাদক নৱজ্যোতি তামোলীৰ দ্বাৰা স্বাক্ষৰিত এখন স্মাৰক পত্ৰ মৰিগাঁৱৰ জিলা আয়ুক্তৰ জৰিয়তে ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে। স্মাৰক পত্ৰত মৰিগাঁও জিলাৰ বৰ্তমানৰ খৰাং পৰিস্থিতি মোকাবিলা কৰিবলৈ আৰু কৃষিভূমিত বৈজ্ঞানীক পদ্ধতিৰে সুলভ ভাৱে জলসিঞ্চনৰ ব্যৱস্থা কৰিবলৈ, কৃষকক পাৱাৰ পাম্পৰ বাবে ডিজেল আৰু বিজুলী চালিত এলেকাত বিনামূলীয়া বিদ্যুতৰ যোগান, কৃষকক সাৰ, বীজ আদি বিনামুলীয়াকৈ বিতৰণ, বনজ সম্পদত চলি থকা লুণ্ঠন শীঘ্ৰে প্ৰতিৰোধ কৰিবলৈ, পেট্ৰল, ডিজেল, ৰন্ধন গেছৰ দাম কমাই দিবলৈ ৰাজ্য চৰকাৰৰ প্ৰতি দাবী জনায়। ইয়াৰ উপৰিও ৰাজহুৱা খণ্ডৰ শিক্ষা ব্যৱস্থাক শক্তিশালী আৰু উন্নত কৰিবলৈ, নিত্য প্ৰয়োজনীয় ১৪ বিধ খাদ্য সামগ্ৰী সমবায় সমিতিৰ জৰিয়তে সুলভ মূল্যত বিতৰণ কৰিবলৈ আৰু বাৰ্মীজ চুপাৰিয়ে মৰিগাঁও-নগাঁও জিলাৰ সীমামূৰীয়া মনিপুৰিটোপৰ থলুৱা চুপাৰি ব্যৱসায়ক ধ্বংশ কৰিব ওলোৱা কাৰ্যক প্ৰতিৰোধ কৰাৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাজ্যৰ মুখ্যমন্ত্ৰীক দাবী জনায়।

# মাজুলীত বৃহৎ পৰিমাণৰ গাঞ্জা আৰু নিচাজাতীয় সামগ্ৰী জব্দ

### গড়মূৰ আৰক্ষীৰ অভিযানত নগদ ১ লাখ টকাসহ গাঞ্জা ব্যৱসায়ীক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, উজনী মাজুলী, ২১ জুলাই ঃ** অবৈধ মাদক দ্ৰব্যৰ বিৰুদ্ধে মাজুলী আৰক্ষীয়ে চলাই থকা ধাৰাবাহিক অভিযানৰ মাজতে আজি গড়মূৰ আৰক্ষীয়ে বিশেষ সূত্ৰৰ ভিত্তিত অভিযান চলাই বৃহৎ পৰিমাণৰ গাঞ্জা আৰু নিচাজাতীয় সামগ্ৰী জব্দ কৰিবলৈ সক্ষম হয়। অভিযানকালত আৰক্ষীয়ে খাৰজানপাৰ গাঁৱৰ ৰাতুল দাস নামৰ এজন লোকৰ বাসগৃহৰ পৰা এই নিচাজাতীয় সামগ্ৰীসমূহৰ লগতে নগদ ১ লাখ টকা উদ্ধাৰ কৰে। আৰক্ষী সূত্ৰে জানিব পৰা মতে, গোপন সূত্ৰৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত গড়মূৰ আৰক্ষীয়ে খাৰজানপাৰ গাঁৱত ৰাতুল দাসৰ ঘৰত অভিযান চলায়। অভিযানত বৃহৎ পৰিমাণৰ গাঞ্জা আৰু অন্যান্য নিচাজাতীয় সামগ্ৰী উদ্ধাৰ হোৱাৰ লগতে নগদ ধনখিনিও জব্দ কৰে। এই ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে ৰাতুল দাসক গ্ৰেপ্তাৰ কৰে। উল্লেখযোগ্য যে, আৰক্ষীৰ প্ৰাথমিক তদন্তত ৰাতুল দাসে বিগত প্ৰায় পাঁচ মাহ ধৰি গড়মূৰ অঞ্চলত গাঞ্জা আৰু অন্যান্য নিচাজাতীয় সামগ্ৰীৰ অবৈধ ব্যৱসায় চলাই অহাৰ তথ্য পোহৰলৈ অহা বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে সমগ্ৰ ঘটনাৰ সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে। ইফালে, লখিমপুৰ জিলাৰ বিহপুৰীয়াৰ পৰা মাজুলীৰ বিভিন্ন অঞ্চললৈ গাঞ্জা আৰু অন্যান্য নিচাজাতীয় সামগ্ৰী সৰবৰাহ হৈ থকাৰ সন্দৰ্ভতো আৰক্ষীয়ে বিশেষ তথ্য লাভ কৰিছে। এই তথ্যৰ ভিত্তিত মাজুলী আৰক্ষীয়ে জিলাখনৰ বিভিন্ন প্ৰান্তত অভিযান তীব্ৰতৰ কৰি তুলিছে। উল্লেখযোগ্য যে, বিগত সময়ছোৱাত মাজুলী আৰক্ষীয়ে অবৈধ মাদক দ্ৰব্যৰ বিৰুদ্ধে চলোৱা ধাৰাবাহিক অভিযানত জিলাখনৰ বিভিন্ন স্থানৰ পৰা বৃহৎ পৰিমাণৰ গাঞ্জা আৰু নিচাজাতীয় সামগ্ৰী জব্দ কৰিবলৈ সক্ষম হৈছে। আৰক্ষীৰ অভিযানত জব্দ কৰা বৃহৎ পৰিমাণৰ গাঞ্জাৰ ভিতৰত শেহতীয়াকৈ প্ৰায় ১ কুইণ্টল ১১ কিলোগ্ৰাম গাঞ্জা আদালতৰ নিৰ্দেশমৰ্মে চৰকাৰী নীতি-নিয়ম অনুসৰি ভস্মীভূত কৰা হৈছিল। সত্ৰভূমি মাজুলীত অবৈধ মাদক দ্ৰব্যৰ সৰবৰাহ আৰু ব্যৱসায়ৰ বিৰুদ্ধে আৰক্ষীৰ এই ধাৰাবাহিক অভিযানক সচেতন মহলে আদৰণি জনাইছে। আৰক্ষীয়ে জানিবলৈ দিয়া মতে, ড্ৰাগছ আৰু অন্যান্য অবৈধ মাদক দ্ৰব্যৰ বিৰুদ্ধে মাজুলী আৰক্ষীৰ অভিযান আগন্তুক দিনতো অধিক তীব্ৰতৰ কৰা হ'ব।

# দিচাঙৰ খহনীয়াৰ কবলত চেপন-চূণপোৱা পথ

**অসম বাৰ্তা, বকতা, ২১ জুলাই ঃ** বকতাবাসীৰ বাবে অতি গুৰুত্বপূৰ্ণ চেপন-চূণপোৱা পথটোৰ কিছু অংশ দিচাং নৈৰ খহনীয়াৰ কবলত পৰি সম্প্ৰতি সমগ্ৰ অঞ্চলবাসীৰ বাবে ই এক আশংকাৰ কাৰণ হৈ পৰিছে। শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ ব্যাপক অঞ্চল বানত আক্ৰান্ত হৈ ভয়াবহ পৰিস্থিতিৰ সন্মুখীন হোৱা সময়তে দিচাঙৰ পানীও ক্ৰমাৎ বাঢ়ি থকাৰ পৰিপ্ৰেক্ষিতত বকতা জালুকনি গাঁৱৰ বৈৰাগীবৰত চেপন-চূণপোৱা পথলৈ সম্প্ৰতি ভয়ানক বিপদ নামি অহা পৰিলক্ষিত হৈছে। সদাব্যস্ত এই পথটোৰ কাষেৰে বৈ যোৱা দিচাং নৈয়ে বহু বছৰ ধৰি পথটোৰ লগতে কাষৰীয়া অঞ্চললৈ ভাবুকিৰ সৃষ্টি কৰি আহিছে। দিচাঙৰ বাঢ়নী পানীৰ প্ৰচণ্ড সোঁতে প্ৰতি বছৰৰ দৰে এইবাৰো পথটোৰ মাটি খহাই পেলোৱাত পথটো ক্ৰমে ক্ষীণকায় হৈ পৰাৰ লগতে এতিয়াও পথটোৰ কাষৰ মাটিত বহুকেইটা ডাঙৰ ফাঁট মেলি থকা দেখা গৈছে। নিতৌ শ শ যান-বাহন অহা-যোৱা কৰি থকা বিপদসংকুল এই পথচোৱাৰ নিৰাপত্তাৰ স্বাৰ্থত বৰ্তমান প্ৰশাসনে পথটোৰে যাতায়ত বন্ধ কৰি ৰাখিছে। আজিৰ দিনটোত উক্ত স্থানত নৈখনৰ জলপৃষ্ঠ ৯৫.৮১ মিটাৰ (বিপদসীমা ৯৪.৪৬ মিটাৰ) অৰ্থাৎ বিপদসীমাৰ এক মিটাৰৰো অধিক ওপৰেৰে বৈ থকাৰ লগতে জলপৃষ্ঠ ক্ৰমশঃ বৃদ্ধি পাই থকা বুলি বিভাগীয় সূত্ৰই জানিবলৈ দিছে। পূৰ্বৰ তুলনাত ক্ৰমে দুৰ্বল হৈ পৰা এই পথছোৱা কেনেবাকৈ যদি নৈ বাঢ়নী পানীৰ প্ৰবল সোঁতে ভাঙি পেলায়, তেতিয়া বকতাবাসীয়ে যে অতি ভয়ংকৰ পৰিস্থিতিৰ সন্মুখীন হ'ব লাগিব সেয়া ধুৰূপ। তদুপৰি জালুকনি গাঁৱৰ অন্তৰ্গত দিচাং নদীৰ মথাউৰিত থকা শ্লোইটছ গেটৰ কাষেৰে পানী সৰকিবলৈ ধৰাৰ লগতে বকতা দা ধুৱা পুখৰীৰ পাছফালে মথাউৰিৰ ওপৰেৰে পানী বাগৰাত বকতাতো প্ৰবল বানৰ আশংকাই দেখা দিছে। অৱশ্যে স্থানীয় ৰাইজে বালিৰ বস্তাৰে মথাউৰিৰ ওপৰেৰে বৈ যোৱা পানী ৰাখিবলৈ আপ্ৰাণ চেষ্টা কৰি আছে। ইতিমধ্যে দিচাং নৈৰ পানী বকতাৰ ঢেকেৰিছিগা অঞ্চলত প্ৰৱেশ কৰিছে। দিচাং নৈৰ জলস্তৰ নকমা পৰ্যন্ত বকতাবাসী সজাগ হৈ থকা প্ৰয়োজন।

# গোৰ্খা ছাত্ৰ সন্থাৰ নৱনিৰ্বাচিত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য চিবু সোণাৰক সম্বৰ্ধনা



**অসম বাৰ্তা, গোৰেশ্বৰ, ২১ জুলাই ঃ** সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ নৱনিৰ্বাচিত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য চিবু সোণাৰক অলপতে পূৱ ডেফেলী আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থাই উষ্ম আদৰণি আৰু সম্বৰ্ধনা জনায়। জানিব পৰা মতে, তামোলপুৰ জিলাৰ বাঙালীপাৰাত অৱস্থিত সংগঠনটোৰ কাৰ্যালয় ভৱনত পূৱ ডেফেলী আঞ্চলিক সমিতিৰ সভাপতি বিশাল মৈনালীৰ সভাপতিত্বত অনুষ্ঠিত সম্বৰ্ধনা অনুষ্ঠানৰ আঁত ধৰে সাধাৰণ সম্পাদক দ্বিগ্বীজয় লুঁইটেলে। অনুষ্ঠানত সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ ঊনবিংশ কাৰ্যকালৰ বাবে নিৰ্বাচিত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য চিবু সোণাৰক পূৱ ডেফেলী আঞ্চলিক সমিতি, তামোলপুৰ জিলা সমিতি, অসম নেপালী সাহিত্য সভাৰ তামোলপুৰ জিলা সমিতিৰ লগতে উপস্থিত শুভাকাঙক্ষীসকলে ফুলাম গামোচা আৰু গোৰ্খা খাদাৰে সম্বৰ্ধনা জনায়। উল্লেখ্য যে, বহু বছৰ ধৰি তামোলপুৰ জিলাৰ পূৱ ডেফেলী অঞ্চলৰ পৰা সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় পৰ্যায়লৈ কোনো বিষয়ববীয়া নিৰ্বাচিত হোৱা নাছিল। দীৰ্ঘ বিৰতিৰ অন্তত এইবাৰ পূৱ ডেফেলীৰ ছাত্ৰ নেতা চিবু সোণাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য হিচাপে নিৰ্বাচিত হোৱাত অঞ্চলজুৰি গোৰ্খা সমাজৰ মাজত আনন্দৰ জোৱাৰ উঠা পৰিলক্ষিত হৈছে। এইঅনুষ্ঠানত উপস্থিত থাকি তামোলপুৰ জিলা গোৰ্খা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক বিপ্লৱ চিমৰীয়াই চিবু সোণাৰক শুভেচ্ছা জ্ঞাপন কৰি কয় যে, তেওঁৰ সুদক্ষ নেতৃত্ব, নিষ্ঠা আৰু কৰ্মদক্ষতাই সংগঠনক অধিক শক্তিশালী কৰাৰ লগতে গোৰ্খা ছাত্ৰ সমাজৰ অধিকাৰ আৰু স্বাৰ্থ সুৰক্ষাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ইপিনে, এনে সম্বৰ্ধনাৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰি চিবু সোণাৰে সকলোৰে মৰম, আশীৰ্বাদ আৰু সহযোগিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। লগতে তেওঁ সংগঠনৰ আদৰ্শ আৰু লক্ষ্যক সন্মুখত ৰাখি সততা, নিষ্ঠা আৰু দায়িত্ববোধেৰে সমাজ আৰু সংগঠনৰ স্বাৰ্থত নিৰন্তৰ কাম কৰি যোৱাৰ প্ৰতিশ্ৰুতি ব্যক্ত কৰে। উক্ত অনুষ্ঠানত তামোলপুৰ জিলা গোৰ্খা ছাত্ৰ সন্থাৰ উপ-সভাপতি বুদ্ধিকৃষ্ণ উপ্ৰেতি, সাংগঠনিক সম্পাদক জনক নেৱাৰ, অসম নেপালী সাহিত্য সভাৰ তামোলপুৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক ছবিলাল ওলী, তামোলপুৰ জিলা গোৰ্খা ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি প্ৰকাশ লামা, পূৱ ডেফেলী আঞ্চলিক সমিতিৰ প্ৰাক্তন সভাপতি ধনপতি পৌডেল, জগত প্ৰধান, প্ৰাক্তন ছাত্ৰ নেতা পূৰ্ণ ছেত্ৰী, নাৰদ ওলী, প্ৰকাশ পৌডেল, নিলহৰি পাণ্ডে, পূৰ্ণ খড়কা, সন্তোষ সুবেদী আৰু ধিৰাজ শৰ্মাকে ধৰি অঞ্চলটোৰ বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখ্যযোগ্য যে, যোৱা ১৫ জুলাইৰ দিনা ধেমাজি জিলাৰ চিলাপথাৰত সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ অষ্টাদশ কেন্দ্ৰীয় প্ৰতিনিধি সভা অনুষ্ঠিত হয়। উক্ত সভাত তামোলপুৰ জিলাৰ পৰা ৰাজু বজগাঁই কেন্দ্ৰীয় উপ-সভাপতি পদত আৰুজন কুমাৰ চৌহান তথা চিবু সোণাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য পদত নিৰ্বাচিত হয়।

# কৃষ্ণ বৰা বি.এড. মহাবিদ্যালয়ৰ উদ্যোগত ‘স্বচ্ছ ভাৰত’ বিষয়ক সজাগতা সভা

**অসম বাৰ্তা, লংকা, ২২ জুলাই ঃ** লংকাৰ কৃষ্ণ বৰা বি.এড. মহাবিদ্যালয়ৰ ডি.এল.এড. চতুৰ্থ যাণ্মাসিকৰ প্ৰশিক্ষাৰ্থীসকলৰ উদ্যোগত লংকা নগৰৰ ৩ নং ৱাৰ্ডস্থিত ইছলাম বস্তিত ‘Community Work on Awareness Programme’ শীৰ্ষক এক সজাগতা আৰু সমাজসেৱামূলক কাৰ্যসূচী সফলতাৰে অনুষ্ঠিত হয়। ‘স্বচ্ছ ভাৰত’ শীৰ্ষক বিষয়বস্তুৰ ওপৰত আয়োজিত এই কাৰ্যসূচীৰ মূল উদ্দেশ্য আছিল পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰা, সুস্থ পৰিৱেশ গঢ়ি তোলা আৰু সামাজিক দায়বদ্ধতাৰ মনোভাৱ জাগ্ৰত কৰা। অনুষ্ঠানৰ আৰম্ভণিতে উপস্থিত অতিথি, শিক্ষক-শিক্ষয়িত্ৰী, স্থানীয় গণ্যমান্য ব্যক্তিসকলক আদৰণি জনোৱা হয়। ইয়াৰ পিছতে স্বচ্ছতাৰ প্ৰয়োজনীয়তা, পৰিৱেশ সংৰক্ষণ, ব্যক্তিগত স্বাস্থ্যবিধি আৰু সামাজিক দায়িত্ব সম্পৰ্কে বিভিন্ন বক্তাই বক্তব্য আগবঢ়ায়। অনুষ্ঠানত উপস্থিত থাকি সাংবাদিক আবু ছোফিয়ান বেগে ভাষণ প্ৰদান কৰি কয়, “স্বচ্ছতা কেৱল ৰাজপথ, নলা-নৰ্দমা বা চৌহদ পৰিষ্কাৰ কৰি ৰখাৰ মাজতেই সীমাবদ্ধ নহয়। যেতিয়ালৈকে মানুহৰ মন-মানসিকতা, চিন্তাধাৰা আৰু মূল্যবোধ পৰিষ্কাৰ নহ’ব, তেতিয়ালৈকে এখন সমাজক প্ৰকৃত অৰ্থত পৰিষ্কাৰ বুলি ক’ব নোৱাৰি। নিজৰ মনৰ পৰা হিংসা, বিদ্বেষ, অসৎ চিন্তা আৰু কুসংস্কাৰ আঁতৰাই সততা, শৃংখলা আৰু সামাজিক দায়িত্ববোধ গঢ়ি তুলিব পাৰিলেহে এখন সুস্থ, সুশৃংখল আৰু পৰিষ্কাৰ সমাজ গঢ়ি তোলা সম্ভৱ হ’ব। সেয়েহে সমাজ পৰিৱৰ্তনৰ আৰম্ভণি নিজৰে পৰা হ’ব লাগে। ইয়াৰ উপৰিও সমাজসেৱক হিফজুৰ ৰহমান আৰু কৃষ্ণ বৰা বি.এড. মহাবিদ্যালয়ৰ অধ্যাপিকা ৰাহিদা বেগম বৰভূএগাএও স্বচ্ছ ভাৰত অভিযানৰ তাৎপৰ্য আৰু সমাজৰ প্ৰতিগৰাকী ব্যক্তিৰ দায়িত্ব সম্পৰ্কে বক্তব্য আগবঢ়ায়। প্ৰশিক্ষাৰ্থীসকল ক্ৰমে চৰিতা কেম্প্ৰাই, মাছুমা বেগম, থাজাংগানবি দেৱী, মৃণাল দাস, দীপ্তি ৰাণী ওঝা, অৰ্পিতা দাস, সাগৰিকা গায়ন, অৰুন্ধতী বৰা, জ্যোতিস্মিতা গগৈ, শ্বাবনম ছুলতানা আৰু মাৰুফা আল জালালে অনুষ্ঠানটোৰ পৰিকল্পনা, সঞ্চালনা আৰু ৰূপায়ণত সক্ৰিয় ভূমিকা পালন কৰাৰ লগতে স্থানীয় লোকসকলৰ মাজত স্বচ্ছতাৰ প্ৰতি সজাগতা সৃষ্টিৰ বাবে বিভিন্ন কাৰ্যসূচী সফলভাৱে সম্পন্ন কৰে। কাৰ্যসূচীৰ বিশেষ আকৰ্ষণ আছিল ডি.এল.এড. চতুৰ্থ যাণ্মাসিকৰ প্ৰশিক্ষাৰ্থীসকলে মঞ্চস্থ কৰা স্বচ্ছতা বিষয়ক সচেতনতামূলক নাটক। নাটকখনৰ জৰিয়তে য’তে-ত’তে আৱৰ্জনা নিক্ষেপ, প্লাষ্টিক দূষণ, অপৰিষ্কাৰ পৰিৱেশৰ ফলত হোৱা স্বাস্থ্যজনিত সমস্যা, ব্যক্তিগত স্বাস্থ্যবিধি মানি চলাৰ প্ৰয়োজনীয়তা আৰু পৰিৱেশ সংৰক্ষণৰ গুৰুত্ব অতি বাস্তৱধৰ্মীভাৱে উপস্থাপন কৰা হয়। নাটকখনত প্ৰেৰণ কৰা সামাজিক বাৰ্তাই উপস্থিত দৰ্শকক সচেতন কৰাৰ লগতে যথেষ্ট সমাদৰ লাভ কৰে।

# কৃষ্ণাইত স্বৰ্গীয় অশোক কুমাৰ বসুমতাৰীৰ স্মৃতিত প্ৰথম বাৰ্ষিক টাইকোৱানডো চেম্পিয়নশ্বিপৰ শুভাৰম্ভ

**অসম বাৰ্তা, কৃষ্ণাই, ২২ জুলাই ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ হাব্ৰাঘাট মহাবিদ্যালয়ৰ প্ৰাংগণত আজি স্বৰ্গীয় অশোক কুমাৰ বসুমতাৰীৰ স্মৃতিত প্ৰথম বাৰ্ষিক টাইকোৱানডো চেম্পিয়নশ্বিপৰ শুভাৰম্ভ হয়। কৃষ্ণাই টাইকোৱানডো একাডেমী এচোছিয়েশ্যন আৰু হাব্ৰাঘাট মহাবিদ্যালয়ৰ যৌথ উদ্যোগত আয়োজিত এই প্ৰতিযোগিতা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। কাৰ্যসূচীৰ আৰম্ভণিতে জাতীয় পতাকা উত্তোলন, শ্বহীদ তৰ্পণ আৰু স্বৰ্গীয় অশোক কুমাৰ বসুমতাৰীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ইয়াৰ পিছতে প্ৰতিযোগিতাৰ আনুষ্ঠানিক উদ্বোধন কৰা হয়। আয়োজক সমিতিৰ সভাপতি আৰু সম্পাদকে জনোৱা মতে, এই চেম্পিয়নশ্বিপত গোৱালপাৰা জিলাৰ উপৰিও দাতিকাষৰীয়া বিভিন্ন জিলাৰ পৰা বহু সংখ্যক খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। বিভিন্ন বয়সৰ প্ৰতিযোগীয়ে নিজৰ দক্ষতা প্ৰদৰ্শন কৰাৰ সুযোগ লাভ কৰিছে। আয়োজকসকলে কয় যে, এই প্ৰতিযোগিতাৰ মূল উদ্দেশ্য হৈছে টাইকোৱানডো খেলখনক অধিক জনপ্ৰিয় কৰি তোলা, যুৱ প্ৰজন্মক ক্ৰীড়াৰ প্ৰতি উৎসাহিত কৰা আৰু শাৰীৰিক-মানসিক বিকাশৰ লগতে আত্মৰক্ষাৰ কৌশলৰ প্ৰতি সজাগতা বৃদ্ধি কৰা। প্ৰতিযোগিতাৰ বিভিন্ন শাখাত দুদিন ধৰি ৰোমাঞ্চকৰ প্ৰতিদ্বন্দ্বিতা অনুষ্ঠিত হ’ব। সফল খেলুৱৈসকলক ট্ৰফী, পদক আৰু প্ৰমাণপত্ৰ প্ৰদান কৰা হ’ব বুলি আয়োজক সমিতিয়ে জানিবলৈ দিয়ে।

কৃষি বিভাগে প্ৰদান কৰা উন্নত ধানৰ কঠীয়া ৰোপণ

# বিহালীৰ বৰজাৰণিৰ কৃষকৰ সৈতে ভূঁই ৰুলে সমষ্টিৰ বিধায়ক মুনীন্দ্ৰ দাসে

**অসম বাৰ্তা, জিনজিয়া, ২২ জুলাই ঃ** শাওন মাহৰ ভৰ বাৰিষা ভূই ৰোৱাত ব্যস্ত কৃষিজীৱী ৰাইজ। এনে সময়তে বিহালীৰ নৱ নিৰ্বাচিত যুৱ বিধায়ক মুনীন্দ্ৰ দাসে আজি বিহালীৰ ২নং বৰজাৰণিৰ পথাৰত কৃষকৰ সৈতে ভূঁই ৰুই কৃষক সকলক তথা যুৱ প্ৰজন্মক কৃষি পথাৰলৈ উভতি আহিবলৈ উৎসাহ যোগোৱা পৰিলক্ষিত হয়। জানিব পৰা মতে, ২ নং বৰজাৰণিৰ পথাৰত কৃষি বিভাগৰ ‘আত্মা’ আঁচনিৰ উদ্যোগত তথা বিহালী কিষান মৰ্চা আৰু স্থানীয় খেতিয়কসকলৰ সহযোগত এক সামূহিক ধান ৰোৱা কাৰ্যসূচীৰ আয়োজন কৰা হয়। এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি



বিধায়ক মুনীন্দ্ৰ দাসে পথাৰত নামি ট্ৰে’ৰে হাল বাই নিজ হাতে ভুঁই ৰুই সন্তুষ্টি প্ৰকাশ কৰা লগতে বিধায়ক গৰাকীয়ে কৃষক ৰাইজৰ লগত সুখ দুখৰ প্ৰতিটো মুহূৰ্তত সমভাগী হোৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। বিধায়ক মুনীন্দ্ৰা দাসৰ লগতে স্থানীয় কৃষক, কিষান মৰ্চাৰ কাৰ্যকৰ্তা আৰু ‘আত্মা’ৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। কৃষি বিষয়া গৰাকীয়ে বৰজাৰণিৰ দুজন কৃষকে বীজ সংৰক্ষণ কৰাত সফল হোৱা বুলি কৃষি বিষয়া গৰাকীয়ে মন্তব্য কৰি ভৱিষ্যতে উন্নত বীজ সংৰক্ষণ কৰিব পৰা আৰু কৃষক এই পথাৰতে ওলাব বুলি আশা প্ৰকাশ কৰে।

এৰি থৈ গ’ল চাৰি মাহৰ সন্তান সম্ভৱা পত্নীক

# ছিকিমৰ টানেল নিৰ্মাণৰ দুৰ্ঘটনাত এন এইছ পিচিত কৰ্মৰত গহপুৰৰ যুৱকৰ মৃত্যু

**অসম বাৰ্তা, গহপুৰ, ২২ জুলাই ঃ** ছিকিমত এন এইছ পিচিৰ টানেল নিৰ্মাণৰ দায়িত্বত নিয়োজিত থকা অৱস্থাত অকাল মৃত্যুক সাৱটি ল’লে গহপুৰৰ এগৰাকী বিবাহিত যুৱকে। নিহত যুৱকজন হৈছে গহপুৰ সমজিলাৰ বাকৰী দলনী গাঁও পঞ্চায়তৰ অন্তৰ্গত বেকিজানৰ বাবুল বৰদলৈ(৩৭)। মৃত্যুৰ সময়ত তেওঁ এটি আঠবছৰীয়া পুত্ৰ সন্তান, চাৰি মাহৰ গৰ্ভৱতী পত্নী জুলীমণি কটকী, পিতৃ-মাতৃৰ লগতে এগৰাকী ভাতৃক ইহ সংসাৰত এৰি থৈ গৈছে। বাবুল বৰদলৈৰ অকাল মৃত্যুৰ খবৰে সমগ্ৰ গহপুৰত গভীৰ শোকৰ ছাঁ পেলাইছে। উল্লেখযোগ্য যে -২০০৫ চনৰ পৰা ছিকিমত কৰ্মৰত অৱস্থাত আছিল বাবুল বৰদলৈ। ঘৰৰ আৰ্থিক অৱস্থা যোৰা মাৰিবলৈ বিগত প্ৰায় ২১ বছৰ ধৰি ছিকিমতে কৰ্মৰত আছিল তেওঁ। প্ৰথমে শ্ৰমিক হিচাপে নিয়োজিত হোৱা বাবুল বৰদলৈ পিছলৈ ছুপাৰ ভাইজাৰ পদলৈ উন্নীত হয়। ছিকিমৰ নামচি জিলাৰ এটা জলবিদ্যুৎ প্ৰকল্পৰ সুৰংগত বিষাক্ত গেছ নিগৰি সংঘটিত হোৱা এক দুৰ্ঘটনাত যোৱা ২০ জুলাইৰ বিয়লি প্ৰায় ১ বজাত মৃত্যুক আঁকোৱালি লয় বাবুল বৰদলৈয়ে। পৰৱৰ্তী সময়ত কালি পৰিয়ালৰ লোকে তেওঁৰ মৃত্যু হোৱাৰ নিশ্চিত তথ্য লাভ কৰে। উক্ত ঘটনাটোৰ পিছত বাবুল বৰদলৈৰ উপাৰ্জনৰ ওপৰতে চলি থকা চালুকীয়া অৱস্থাৰ ঘৰখনত এতিয়া মৰিশালিৰ নিস্তব্ধতাই বিৰাজ কৰিছে। ঘৰখনৰ প্ৰধান উপাৰ্জনক্ষম ব্যক্তি বাবুল বৰদলৈৰ অকাল বিয়োগত এতিয়া চকুলোৰে বাট নেদেখা হৈছে দুৰ্ভগীয়া পৰিয়ালটোৰে। ইপিনে স্বামীৰ অকাল বিয়োগৰ খবৰ পোৱাৰ পিছতে তেওঁৰ গৰ্ভৱতী পত্নী জুলীমণি কটকীয়ে চকুলোৰে বাট নেদেখা হৈছে। কাইলৈ তেওঁৰ মৃতদেহ ছিকিমৰ পৰা বেকিজানৰ ঘৰ পাবহি বুলি জানিব পৰা গৈছে। নিহত বাবুল বৰদলৈৰ পত্নী জুলীমণি কটকীক চৰকাৰীভাৱে উপযুক্ত সংস্থাপন দিয়াৰ ব্যৱস্থা কৰিবলৈ অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ওচৰত গহপুৰবাসী ৰাইজে আহ্বান জনাইছে।

ছাত্ৰ কঢ়িয়াই নিয়া চিএনজি ভান মথাউৰিৰ পৰা বাগৰি পৰিল পানীত; আহত ৮জন

# লাহৰীঘাটৰ টেঙাগুৰী কছাৰি গাঁৱত ভয়ংকৰ দুৰ্ঘটনা

**অসম বাৰ্তা, ভূৰাগাঁও, ২২ জুলাই ঃ** আজি মৰিগাঁও জিলাৰ লাহৰীঘাটৰ টেঙাগুৰী কছাৰি গাঁৱত এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাটোত এজন শিক্ষক সহ মুঠ ৮জন লোক আহত হয়। আহত ৬ ছাত্ৰৰ ভিতৰত এজন ছাত্ৰৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে। আতাইকেইজন ছাত্ৰ ভূৰাগাঁও জাতীয় বিদ্যালয়ৰ। জানিব পৰা মতে ভূৰাগাঁও জাতীয় বিদ্যালয়ৰ পৰা প্ৰায় ১০০ ছাত্ৰ-ছাত্ৰী মৈৰাবাৰী দলৈ গাঁৱত অনুষ্ঠিত স্কাউড এণ্ড গাইডৰ প্ৰশিক্ষণৰ বাবে প্ৰেৰণ কৰিছিল বিদ্যালয় কৰ্তিপক্ষই। কিন্তু এই ছাত্ৰ-ছাত্ৰী সকলক দলৈগাঁৱলৈ যাত্ৰা কৰিছিল চিএনজি ভানত। ভূৰাগাঁৱৰ পৰা দলৈগাঁৱলৈ নিৰ্মিত জলসম্পদ বিভাগৰ মথাউৰীৰ ওপৰৰ পকি ৰাস্তাৰে গৈছিল চিএনজি ভানসমূহ। এজন শিক্ষক আৰু ৬জন ছাত্ৰ কঢ়িয়াই নিয়া দুৰ্ঘটনাগ্ৰস্ত চিএজি ভানখনে কছাৰি গাঁৱত নিয়ন্ত্ৰণ হেৰুৱাই মথাউৰিৰিৰ পৰা কাষৰ বাগৰি পৰে। ফলত চিএনজি ভানখনত থকা আতাইকেইজন যাত্ৰীয়ে আহত হয়। আহত লোক সকল ক্ৰমে শিক্ষক আশ্বাফুল আলমগীৰ, দশম মানৰ ছাত্ৰ জিছান আহমেদ, ৰাছিদুল আহমেদ, আন্তাজুল ইছলাম, নিছাম উদ্দিন আহমেদ, মেহদী আলী আৰু নৱম মানৰ ছাত্ৰ মোটাকিন আহমেদ। আন এজন ছাত্ৰৰ নাম জানিব পৰা হোৱা নাই। আহত সকলক স্থানীয় শিয়ালমাৰী চিকিৎসালয়ত ভৰ্তি কৰাৰ বিপৰীতে গুৰুতৰ ভাৱে আহত জিছান আহমেদক সংকটজনক অৱস্থাত মৰিগাঁও অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰা হয়। স্থানীয় লোক লোকমান হেকিমে অভিযোগ কৰে যে এনে এটা ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ মূলতে বিদ্যালয় কৰ্তিপক্ষ জগৰীয়া। কিয়নো বিদ্যালয় কৰ্তিপক্ষই এই প্ৰশিক্ষণৰ বাবে প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ পৰা খৰচৰ বাবে ধন সংগ্ৰহ কৰিছে। এখন ডাঙৰ বাছত ছাত্ৰ-ছাত্ৰী সকলক যোৱাৰ নিৰাপদ ব্যৱস্থা কৰি নিদি তিনি-চাৰি পাঁচজন যাত্ৰী নিৰাপদে যাব পৰা চি এন জি ভেনত ৭-৮জন ছাত্ৰক এনেকৈ অহা যোৱা কৰিব দিয়াটো যুক্তিসংগত নাছিল। একেদৰে বিদ্যালয় কৰ্তিপক্ষক লৈ দুৰ্ঘটনাটোৰ পাছত বহু লোকে বিৰূপ মন্তব্য কৰিছে।

# বঙাইগাঁও জিলা আৰক্ষীৰ বৃহত অভিযানত আটক ভুৱা তদন্তকাৰী সংস্থাৰ বিষয়া

**অসম বাৰ্তা, বঙাইগাঁও সদৰ, ২২ জুলাই ঃ** বঙাইগাঁৱৰ কোকিলা অঞ্চলত ভুৱা চৰকাৰী পৰিচয় পত্ৰ ব্যৱহাৰ কৰি আৰক্ষী তথা তদন্তকাৰী সংস্থাৰ বিষয়া বুলি পৰিচয় দি জনসাধাৰণক প্ৰতাৰণা কৰাৰ অভিযোগত তিনিজন লোকক আটক কৰিছে বঙাইগাঁও আৰক্ষীয়ে। আৰক্ষীৰ সূত্ৰে জানিব পৰা মতে, বুধবাৰে পুৱা প্ৰায় ১১: ৪০ বজাত বাহিৰৰ ৰাজ্যৰ পঞ্জীয়ন নম্বৰযুক্ত বাহনত অহা তিনিজন সন্দেহজনক ব্যক্তিয়ে নিজকে “Crime Investigation Agency (CIA)“ নামৰ সংস্থাৰ বিষয়া বুলি পৰিচয় দি স্থানীয় লোকসকলৰ ওপৰত আৰক্ষী আৰু তদন্তৰ ক্ষমতা থকাৰ দাবী কৰি আছিল। এই সন্দৰ্ভত তথ্য লাভ কৰাৰ পিছতে বঙাইগাঁও জিলা আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ তিনিজনক আটক কৰে। আটকাধীন ব্যক্তিসকল হৈছে বলৰাম চৌধাৰী, বলদেৱ সিং আৰু ৰাধে শ্যাম তেলী। তেওঁলোকৰ পৰা উদ্ধাৰ হোৱা পৰিচয় পত্ৰসমূহত “Govt. of India”, “NITI Aayog” আদি শব্দ ব্যৱহাৰ কৰা হৈছিল যদিও আৰক্ষীৰ প্ৰাথমিক তদন্তত এই পৰিচয় পত্ৰসমূহ ভুৱা বুলি প্ৰতীয়মান হৈছে। আৰক্ষীয়ে স্পষ্ট কৰি কয় যে, “Crime Investigation Agency (CIA)” নামৰ কোনো চৰকাৰী তদন্তকাৰী সংস্থা ভাৰত চৰকাৰৰ অধীনত নাই। তদুপৰি, Indian Trusts Act, 1882-ৰ অধীনত কোনো ব্যক্তিগত ট্ৰাষ্ট পঞ্জীয়ন হ’লেই আৰক্ষী বা তদন্তমূলক ক্ষমতা লাভ নকৰে। প্ৰাথমিক তদন্তত তিনিজনে ভুৱা চৰকাৰী পৰিচয় পত্ৰ ব্যৱহাৰ কৰি আৰক্ষী বিষয়া বুলি নিজকে পৰিচয় দি জনসাধাৰণক প্ৰতাৰণা আৰু ধন আদায়ৰ চেষ্টা চলাইছিল বুলি আৰক্ষীৰ সন্দেহ। ঘটনাটোৰ সৈতে জড়িতভাৱে ভাৰতীয় ন্যায় সংহিতা (BNS), ২০২৩-ৰ একাধিক ধাৰাৰ লগতে Emblems and Names (Prevention of Improper Use) Act, 1950-ৰ অধীনত গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে আৰক্ষীয়ে। অভিযানত আৰক্ষীয়ে RJ04UK/6344 নম্বৰৰ এখন স্কৰ্পিঅ’, RJ14GU/6398 নম্বৰৰ এখন টাটা বাল্কাৰ, চাৰিটা মোবাইল ফোন আৰু তিনিখন ভুৱা পৰিচয় পত্ৰ জব্দ কৰে। ঘটনাৰ অধিক তদন্ত চলি থকাৰ লগতে জড়িত আন কোনো ব্যক্তি বা বৃহত্তৰ চক্ৰ আছে নেকি, সেই দিশতো অনুসন্ধান অব্যাহত ৰাখিছে বুলি জানিবলৈ দিয়ে বঙাইগাঁও জিলা জ্যেষ্ঠ আৰক্ষী অধীক্ষক নোমল মাহাত্তাই।

আৰক্ষীৰ জালত দুজন অভিযুক্ত

# অনলাইন গেম আৰু জুৱাৰ বিৰুদ্ধে কলগাছিয়া আৰক্ষীৰ ধাৰাবাহিক অভিযান

**অসম বাৰ্তা, কুমুল্লী পৰা, ২২ জুলাই ঃ** অনলাইন গেম আৰু অবৈধ জুৱা কাৰ্যকলাপৰ বিৰুদ্ধে কলগাছিয়া আৰক্ষীয়ে চলাই থকা ধাৰাবাহিক অভিযানৰ অংশ হিচাপে পুনৰ সফলতা লাভ কৰিছে। আৰক্ষীয়ে অভিযান চলাই আৰ্ছাদ আলী ওৰফে আয়ুব আৰু শ্বহিদুল ইছলাম নামৰ দুজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষী সূত্ৰৰ মতে, অনলাইন গেম আৰু জুৱাৰ জৰিয়তে অবৈধ আৰ্থিক লেনদেন আৰু সমাজবিৰোধী কাৰ্যকলাপ নিয়ন্ত্ৰণৰ লক্ষ্যৰে চলি থকা বিশেষ অভিযানত দুয়োজন অভিযুক্তক আটক কৰা হয়। গ্ৰেপ্তাৰৰ পিছত তেওঁলোকক আৰক্ষীৰ জিম্মাত লৈ অধিক তথ্য সংগ্ৰহৰ বাবে সোধ-পোছ অব্যাহত আছে। উল্লেখ্য যে, সাম্প্ৰতিক সময়ত অনলাইন গেম আৰু জুৱাৰ প্ৰতি যুৱ সমাজৰ একাংশ আকৃষ্ট হোৱাত সামাজিক আৰু আৰ্থিক সমস্যা বৃদ্ধি পোৱাৰ আশংকা প্ৰকাশ পাইছে। এই পৰিপ্ৰেক্ষিতত কলগাছিয়া আৰক্ষীয়ে এনে অবৈধ কাৰ্যকলাপৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰি ধাৰাবাহিকভাৱে অভিযান অব্যাহত ৰাখিছে। আৰক্ষীয়ে সাধাৰণ ৰাইজকো অনলাইন জুৱা বা অবৈধ গেমিংৰ সৈতে জড়িত নোহোৱাৰ আহ্বান জনাইছে। কোনো সন্দেহজনক কাৰ্যকলাপৰ তথ্য লাভ কৰিলে ওচৰৰ আৰক্ষী থানাত অৱগত কৰিবলৈ অনুৰোধ জনোৱাৰ লগতে আইন ভংগকাৰীৰ বিৰুদ্ধে আগন্তুক দিনতো কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ’ব বুলি স্পষ্ট কৰি দিছে।

# মাছৰ গাত আৰবী সদৃশ আখৰ দেখা পোৱাক লৈ আলোপতিচৰত চাঞ্চল্য

P.H.C. চক বজাৰত ভিৰ; কৌতূহলৰ সৃষ্টি

**অসম বাৰ্তা, কুমুল্লী পৰা, ২২ জুলাই ঃ** বৰপেটা জিলাৰ আলোপতিচৰ P.H.C. চক বজাৰত এক ব্যতিক্ৰমী ঘটনাক কেন্দ্ৰ কৰি বৃহস্পতিবাৰে চাঞ্চল্যৰ সৃষ্টি হয়। বজাৰত বিক্ৰীৰ বাবে অনা এখন মাছৰ পেটৰ ওপৰভাগত আৰবী আখৰৰ সদৃশ লিখনি দেখা পোৱাৰ দাবীক কেন্দ্ৰ কৰি স্থানীয় লোকসকলৰ মাজত ব্যাপক কৌতূহলৰ সৃষ্টি হয়। স্থানীয় সূত্ৰে জনোৱা মতে, মাছখনৰ পেটত “আশ্বাহাদু… আল্লাহ… মুহাম্মাদুৰ…” বুলি আৰবী আখৰৰ সৈতে মিল থকা লিখনি দেখা গৈছে বুলি বহু লোকে দাবী কৰে। খবৰ বিয়পি পৰাৰ লগে লগে বহু লোক মাছখন স্বচক্ষে চাবলৈ বজাৰত সমবেত হয়। ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত বিভিন্ন ধৰণৰ আলোচনা-চৰ্চা আৰম্ভ হৈছে। কোনো লোকে ইয়াক অলৌকিক ঘটনা বুলি বিশ্বাস প্ৰকাশ কৰিছে, আনহাতে আন একাংশই বিষয়টো বৈজ্ঞানিকভাৱে পৰ্যবেক্ষণ আৰু পৰীক্ষা-নিৰীক্ষাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। উল্লেখযোগ্য যে, মাছ বা অন্যান্য জীৱ-জন্তুৰ শৰীৰত বিভিন্ন ধৰণৰ প্ৰাকৃতিক ৰং, আঁচ বা নক্সা দেখা পোৱাটো অস্বাভাৱিক নহয়। সেয়েহে, মাছখনত দেখা পোৱা চিহ্নসমূহৰ প্ৰকৃত স্বৰূপ সম্পৰ্কে কোনো চৰকাৰী বা বৈজ্ঞানিক প্ৰতিষ্ঠানৰ পৰা এতিয়ালৈকে আনুষ্ঠানিকভাৱে কোনো নিশ্চিতকৰণ প্ৰকাশ কৰা হোৱা নাই। সচেতন মহলে এই ঘটনাক লৈ কোনো ধৰণৰ গুজৱ বা বিভ্ৰান্তি সৃষ্টি নকৰি, সত্যতা সম্পৰ্কে নিশ্চিত তথ্যৰ ওপৰত ভিত্তি কৰি মতামত প্ৰকাশ কৰিবলৈ ৰাইজক আহ্বান জনাইছে।

# বঙাইগাঁৱত লোকপিয়ল ২০২৭ৰ প্ৰথম পৰ্যায়ৰ চাৰ্জভিত্তিক প্ৰশিক্ষণৰ শুভ উদ্বোধন

**অসম বাৰ্তা, বঙাইগাঁও সদৰ, ২২ জুলাই ঃ** লোকপিয়ল ২০২৭-ৰ প্ৰথম পৰ্যায়ৰ গৃহ তালিকাভুক্তি আৰু গৃহ গণনা কাৰ্যসূচীৰ অংশ হিচাপে চাৰ্জভিত্তিক প্ৰশিক্ষণ কাৰ্যসূচীৰ আজি বীৰঝৰা কন্যা মহাবিদ্যালয়ত আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰা হয়। বঙাইগাঁও জিলাৰ জিলা আয়ুক্ত লক্ষ্মীনন্দন চহৰীয়া, এ.চি.এছ.-এ বন্তি প্ৰজ্বলনেৰে এই কাৰ্যসূচীৰ উদ্বোধন কৰে। জিলাখনত নিয়োজিত পৰ্যবেক্ষক (Supervisor) আৰু প্ৰগণক (Enumerator) সকলৰ বাবে এই বিশেষ প্ৰশিক্ষণৰ আয়োজন কৰা হৈছে। আজিৰে পৰা আৰম্ভ হোৱা এই প্ৰশিক্ষণ কাৰ্যসূচী অহা ৭ আগষ্ট, ২০২৬ লৈকে চলিব। প্ৰশিক্ষণত জিলাখনৰ বঙাইগাঁও, সৃজনগ্ৰাম, বইটামাৰী, ডাংতল আৰু মাণিকপুৰ ৰাজহ চক্ৰ, তথা বঙাইগাঁও পৌৰসভা আৰু অভয়াপুৰী পৌৰসভা এলেকাত লোকপিয়ল কাৰ্যত নিয়োজিত বিষয়াসকলে অংশগ্ৰহণ কৰিব। মূল লক্ষ্য- লোকপিয়ল ২০২৭ৰ গৃহ তালিকাভুক্তি আৰু গৃহ গণনা প্ৰক্ৰিয়া সঠিক, সূক্ষ্ম আৰু সময়মতে সম্পন্ন কৰিব পৰাকৈ পৰ্যবেক্ষক আৰু প্ৰগণকসকলক প্ৰয়োজনীয় জ্ঞান, কাৰিকৰী দক্ষতা আৰু আধুনিক ডিজিটেল সঁজুলি ব্যৱহাৰৰ ক্ষেত্ৰত বিস্তৃত প্ৰশিক্ষণ প্ৰদান কৰা। আজিৰ এই উদ্বোধনী অনুষ্ঠানত জিলা প্ৰশাসনৰ জ্যেষ্ঠ বিষয়া-কৰ্মচাৰীসকলৰ উপৰি লোকপিয়ল কাৰ্যসূচীৰ সৈতে জড়িত মাষ্টাৰ ট্ৰেইনাৰ আৰু ফিল্ড ট্ৰেইনাৰসকল উপস্থিত থাকে। এই প্ৰশিক্ষণৰ জৰিয়তে জিলাখনত লোকপিয়ল ২০২৭-ৰ প্ৰথম পৰ্যায়ৰ কাম অধিক দক্ষতা আৰু স্বচ্ছতাৰে সম্পন্ন হ’ব বুলি আশা প্ৰকাশ কৰা হৈছে।

উদ্যোগী হোৱাটোৱেই বৰ্তমান সময়ৰ সবাটোকৈ ডাঙৰ সুযোগ আৰু প্ৰত্যাহ্বান

# নগাঁও ছোৱালী কলেজত ঔদ্যোগিক প্ৰশিক্ষণত জিলা আয়ুক্ত

**অসম বাৰ্তা, পুৰণিগুদাম, ২২ জুলাই ঃ** নগাঁও ছোৱালী মহাবিদ্যালয়ত অনুষ্ঠিত হৈ থকা ‘মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান ২.০’ ৰ অধীনৰ উদ্যোগ বিকাশ প্ৰশিক্ষণ কাৰ্যসূচীৰ (ইডিপি)আজি জিলা আয়ুক্ত দেৱাশিস শৰ্মাই পৰিদৰ্শন কৰে। প্ৰশিক্ষণত অংশগ্ৰহণ কৰা যুৱক-যুৱতীসকলক উদ্দেশ্যি আয়ুক্ত গৰাকীয়ে দিয়া চমু ভাষণত কয় যে, কেৱল চাকৰিৰ পিছত নুঘূৰি নিজকে এজন সফল উদ্যোগী হিচাপে গঢ়ি তোলাটোৱে হৈছে বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান আৰু সুযোগ। চৰকাৰে আগবঢ়োৱা বিত্তীয় সাহায্য আৰু এই বিশেষ প্ৰশিক্ষণৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি নিজৰ সপোনসমূহ বাস্তৱায়িত কৰিবলৈ তেওঁ প্ৰশিক্ষাৰ্থীসকলৰ প্ৰতি আহ্বান জনায়। তেওঁ আৰু উল্লেখ কৰে যে স্ব-নিয়োজনে কেৱল এজন ব্যক্তিক স্বাৱলম্বী কৰিয়েই ক্ষান্ত নাথাকে, বৰঞ্চ আন দহজনৰ বাবেও সংস্থাপনৰ পথ মুকলি কৰে। থলুৱা সম্পদ আৰু নিজৰ দক্ষতাৰ সঠিক প্ৰয়োগেৰে গঢ়ি তোলা ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগে জিলাখনৰ লগতে সমগ্ৰ ৰাজ্যৰ অৰ্থনীতি শক্তিশালী কৰাত মুখ্য ভূমিকা ল’ব বুলি মত প্ৰকাশ কৰি কয় যে, এখন ‘আত্মনিৰ্ভৰ অসম’ গঢ়ি তোলাৰ যি সপোন হাতত লোৱা হৈছে, সেই সপোন বাস্তৱত পৰিণত কৰাত যুৱ-উদ্যোগীসকলৰ অৱদান অপৰিহাৰ্য। অনুষ্ঠানত নগাঁও ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কুলেন চন্দ্ৰ দাস, ইডিপিৰ নোডেল বিষয়া ড° অমিয়া পাতৰ আৰু নগাঁও জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

# উজনি অসমৰ বানপীড়িতৰ কাষত লণ্ডন প্ৰবাসী

**অসম বাৰ্তা, কুমুল্লী পৰা, ২২ জুলাই ঃ** উজনি অসমৰ ভয়াবহ বানপৰিস্থিতিত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ কাষত থিয় দি এক মানৱীয় দৃষ্টান্ত স্থাপন কৰিছে লণ্ডন প্ৰবাসী হাফিজ বেৰিষ্টাৰ এলিয়াছ হোছেন আনছাৰীয়ে। বানপীড়িত লোকসকলক সহায় কৰাৰ উদ্দেশ্যে তেওঁ ২০০ পাউণ্ড, অৰ্থাৎ প্ৰায় ২৬ হাজাৰ টকা ভাৰতীয় মুদ্ৰাৰ আৰ্থিক অনুদান আগবঢ়াইছে। প্ৰাকৃতিক দুৰ্যোগত সৰ্বস্ব হেৰুৱাই অসহায় হৈ পৰা বানাক্ৰান্ত পৰিয়ালসমূহলৈ এই সহায় আগবঢ়োৱাৰ বাবে বিভিন্ন মহলে হাফিজ বেৰিষ্টাৰ এলিয়াছ হোছেন আনছাৰীৰ এই পদক্ষেপক আন্তৰিকভাৱে আদৰণি জনাইছে। দূৰ বিদেশত বাস কৰিও নিজ ৰাজ্যৰ দুৰ্দশাগ্ৰস্ত মানুহৰ প্ৰতি তেওঁ দেখুওৱা দায়বদ্ধতা আৰু সহমৰ্মিতাক এক অনুকৰণীয় মানৱীয় উদাহৰণ বুলি অভিহিত কৰা হৈছে। সামাজিক সচেতন মহলৰ মতে, এনে সময়ত সমাজৰ সচ্ছল ব্যক্তি, প্ৰবাসী অসমীয়া তথা বিভিন্ন স্বেচ্ছাসেৱী সংগঠনে আগবাঢ়ি আহিলে বানপীড়িত লোকসকলৰ দুখ-কষ্ট কিছু পৰিমাণে লাঘৱ হ’ব। হাফিজ বেৰিষ্টাৰ এলিয়াছ হোছেন আনছাৰীৰ এই আৰ্থিক সহায়ে কেৱল আৰ্থিক সমৰ্থনেই নহয়, দুৰ্যোগৰ সময়ত মানৱীয় মূল্যবোধ আৰু সামাজিক দায়িত্ববোধৰো এক উজ্জ্বল নিদৰ্শন দাঙি ধৰিছে। উল্লেখ্য যে, উজনি অসমৰ বহু অঞ্চল এতিয়াও বানৰ কবলত পৰি আছে। অসংখ্য পৰিয়ালে খাদ্য, বিশুদ্ধ খোৱাপানী, ঔষধ আৰু আশ্ৰয়ৰ সংকটৰ মাজেৰে দিন অতিবাহিত কৰি আছে। এনে পৰিস্থিতিত দেশ-বিদেশৰ বিভিন্ন শুভাকাঙ্ক্ষীৰ সহায়-সহযোগিতাই বানপীড়িত লোকসকলৰ বাবে আশাৰ নতুন পোহৰ কঢ়িয়াই আনিছে।

# মোবাইল চোৰ চক্ৰৰ বিৰুদ্ধে কলগাছিয়া আৰক্ষীৰ অভিযান

চাৰিজনক গ্ৰেপ্তাৰ; উদ্ধাৰ ৯টা মোবাইল ফোন

**অসম বাৰ্তা, কুমুল্লী পৰা, ২২ জুলাই ঃ** মোবাইল চুৰি আৰু চোৰাং মোবাইলৰ অবৈধ বেহাৰ সৈতে জড়িত এক চক্ৰৰ বিৰুদ্ধে কলগাছিয়া আৰক্ষীয়ে চলোৱা বিশেষ অভিযানত উল্লেখযোগ্য সফলতা লাভ কৰিছে। আৰক্ষীয়ে অভিযান চলাই চাৰিজন অভিযুক্তক গ্ৰেপ্তাৰ কৰাৰ লগতে তেওঁলোকৰ পৰা চুৰি হোৱা বুলি সন্দেহ কৰা ৯টা মোবাইল ফোন উদ্ধাৰ কৰিবলৈ সক্ষম হয়। গ্ৰেপ্তাৰ হোৱা অভিযুক্তকেইজন হৈছে তাপেশ্বৰ ছামেজ উদ্দিন, আজিজুল হক, শাহাজুৰ ৰহমান আৰু বাহাৰুল ইছলাম। আৰক্ষীৰ প্ৰাথমিক তদন্ত অনুসৰি, অভিযুক্তসকল মোবাইল চুৰি আৰু চোৰাং মোবাইল ক্ৰয়-বিক্ৰয়ৰ সৈতে জড়িত থকাৰ সন্দেহ প্ৰকাশ পাইছে। আৰক্ষী সূত্ৰই জনোৱা মতে, গোপন তথ্যৰ ভিত্তিত চলোৱা অভিযানত চোৰাং মোবাইলৰ লগতে ঘটনাৰ সৈতে জড়িত আন কিছু সামগ্ৰীও জব্দ কৰা হৈছে। উদ্ধাৰ হোৱা মোবাইলসমূহৰ প্ৰকৃত গৰাকী চিনাক্ত কৰাৰ লগতে চুৰি চক্ৰটোৰ সৈতে জড়িত আন ব্যক্তিৰ সন্ধানত তদন্ত অব্যাহত আছে। কলগাছিয়া আৰক্ষীৰ এই সফল অভিযানক স্থানীয় ৰাইজে আদৰণি জনাইছে। সচেতন মহলে আশা প্ৰকাশ কৰিছে যে, এনে ধাৰাবাহিক আৰক্ষী অভিযানৰ ফলত অঞ্চলটোত মোবাইল চুৰি আৰু চোৰাং সামগ্ৰীৰ অবৈধ ব্যৱসায় যথেষ্ট পৰিমাণে নিয়ন্ত্ৰণলৈ আহিব। ইফালে, আৰক্ষীয়ে সাধাৰণ ৰাইজক কোনো ধৰণৰ সন্দেহজনক উৎসৰ পৰা মোবাইল ফোন ক্ৰয় নকৰিবলৈ আহ্বান জনোৱাৰ লগতে চুৰি বা হেৰুওৱা মোবাইল সম্পৰ্কে তাৎক্ষণিকভাৱে আৰক্ষীক অৱগত কৰিবলৈ অনুৰোধ জনাইছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম’বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ’ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন